Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, MARCH 28, 2025 ■ শুকুৰবাৰ, ১৪ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৯০ Guwahati, Assam ।। মূল্যঃ এটকা

### পাণবজাৰ আৰক্ষী থানাত মৌন প্ৰতিবাদ



বিতং বাতৰি ৬নং পৃষ্ঠাত

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

## দিলোৱাৰ ব্যৱসায়ী নে সাংবাদিক? প্ৰশ্ন মুখ্যমন্ত্ৰীৰ


# আকৌ গ্ৰেপ্তাৰ দিলোৱাৰ!

ই-সংবাদ, ২৭ মাৰ্চঃ পাণবজাৰ আৰক্ষী থানাত ৰুজু কৰা দ্বিতীয়টো গোচৰ সন্দৰ্ভত সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা হৈছে। গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰাত পঞ্চম পৃষ্ঠাত




### গুঃবিঃত ছাত্ৰৰ প্ৰতিবাদ!

## ‘মোক মাৰা’- মাটিত বহি লৈ উপাচাৰ্যৰ হুমকি



ই-সংবাদ, ২৭ মাৰ্চঃ আজি গুৱাহাটী বিশ্ববিদ্যালয়ত উত্তপ্ত ৬ পৃষ্ঠাত চাওক

## গুণোৎসৱৰ ফলাফল! শীৰ্ষত শিৱসাগৰ, ১৩ হাজাৰ বিদ্যালয়ক এ প্লাছ গ্ৰেড



ই-সংবাদ, ২৭ মাৰ্চঃ ৰাজ্যত তিনিটা পৰ্যায়ত ৬ জানুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হৈ যোৱা ২০২৪-২৫ বৰ্ষৰ গুণোৎসৱৰ ফলাফল আজি ঘোষণা কৰিছে ৰাজ্যৰ ২ পৃষ্ঠাত চাওক

## অৱশেষত আৰক্ষীৰ জালত প্ৰৱঞ্চক ছাকিৰ

ই-সংবাদ, শিলচৰ, ২৭ মাৰ্চঃ অৱশেষত আৰক্ষীৰ জালত সোমাল ৰবাক ৪ পৃষ্ঠাত

## ভাৰতলৈ আহিব পুটিন!

মস্কো, ২৭ মাৰ্চঃ ভাৰত-ৰাছিয়াৰ সম্পৰ্কক নতুন উচ্চতালৈ ৪ পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰীৰ মতে ‘সাংবাদিক’ নহয় পৰ্টেলৰ সাংবাদিক!

ই-সংবাদ, ২৭ মাৰ্চঃ দ্ৰুত ইন্টাৰনেট সেৱা আৰম্ভ হোৱাৰ পিছৰে পৰা ৬ পৃষ্ঠাত

### কেবিনেটত একাধিক সিদ্ধান্ত, দৰঙত মেডিকেল কলেজ!

## আফস্পাৰ আওতাৰ পৰা বাহিৰ ডিব্ৰুগড় জিলা

ই-সংবাদ, ২৭ মাৰ্চঃ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত স্থায়ী শান্তিৰ কথা কৈ অহা বিজেপি চৰকাৰৰ সময়তে আইন-শৃংখলাৰ পৰিস্থিতিৰ দোহাই শেষাংশ ৩ পৃষ্ঠাত



### গৌৰৱ পত্নীৰ পাকিস্তান সংযোগ!

## ভৱাতকৈও বেছি তথ্য পাইছে এছআইটিয়েঃ হিমন্ত

ই-সংবাদ, ২৭ মাৰ্চঃ আজি আকৌ এবাৰ যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তানৰ আইএছআই সংযোগৰ অভিযোগক লৈ মন্তব্য শেষাংশ ৪ পৃষ্ঠাত

### কন্যাহাৰা পিতৃৰ অভিযোগ

## চিকিৎসাৰ অভাৱত মৃত্যু ঘটিল অংগনাৰ!

ই-সংবাদ, ২৭ মাৰ্চঃ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপি মন্ত্ৰী-বিধায়ক আৰু নেতাসকলে অসমৰ সৰ্বাংগীণ উন্নয়নৰ ঢোল বজাই শেষাংশ ৩ পৃষ্ঠাত


### লোকসভাত শ্বাহৰ হুংকাৰ

## ‘ভাৰত ধৰমশালা নহয়, নিৰাপত্তাৰ লগত আপোচ নহ’ব’

নতুন দিল্লী, ২৭ মাৰ্চঃ ভাৰতলৈ ব্যৱসায়, শিক্ষা আৰু বিনিয়োগৰ উদ্দেশ্যে অহা লোকসকলক আদৰণি জনোৱা হ’ব, কিন্তু নিৰাপত্তাৰ প্ৰতি ভাবুকি শেষাংশ ৫ পৃষ্ঠাত

## ৬ দেশৰ নাগৰিকক নৰ্থ-ইষ্ট ভ্ৰমণত বাধা!

গুৱাহাটী, ২৭ মাৰ্চঃ অসম তথা উত্তৰ-পূৰ্বলৈ ভ্ৰমণ নিষিদ্ধ কৰিছে বিশ্বৰ ছখন দেশে! উত্তৰ-পূৰ্বাঞ্চলৰ আইন-শৃংখলা পৰিস্থিতিৰ দোহাই দি



অসম তথা উত্তৰ-পূৱৰ অশান্ত পৰিস্থিতিৰ বাবে ভ্ৰমণত নিষেধাজ্ঞা

নিজ দেশৰ নাগৰিকৰ ভ্ৰমণ নিষিদ্ধ কৰিছে আমেৰিকা, ব্ৰিটেইন, অষ্ট্ৰেলিয়াকে ধৰি বিশ্বৰ ছখন উন্নত ৰাষ্ট্ৰই। এই ৪ পৃষ্ঠাত চাওক

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুণোৎসৱৰ ফলাফল! শীৰ্ষত শিৱসাগৰ,

মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই। আজি অসম চৰকাৰৰ শিক্ষা বিভাগে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী ডাঃ শৰ্মাই গুণোৎসৱৰ ফলাফল ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে ভাল ফলাফল প্ৰদৰ্শন কৰা জিলাকেইখনৰ লগতে আন আন জিলাকো অভিনন্দন জ্ঞাপন কৰিছে। ঘোষিত ফলাফল অনুসৰি ২০২৪ ত প্ৰথম স্থান শিৱসাগৰ জিলা, দ্বিতীয় স্থানত ডিব্ৰুগড় জিলা আৰু তৃতীয় স্থানত যোৰহাট জিলা। ঘোষিত ফলাফল অনুসৰি ২০২৫ ত প্ৰথম স্থানত গোলাঘাট জিলা, দ্বিতীয় স্থানত কামৰূপ মেট্ৰ আৰু তৃতীয় স্থানত যোৰহাট জিলা আছে। আজি শীৰ্ষ প্ৰদৰ্শন কৰা জিলাসমূহৰ প্ৰতিনিধিসকলক সাফল্যৰ বাবে সম্বৰ্ধনা জনোৱা হয়। আৰোহণ আঁচনিৰ অধীনত তিনিজন মেধাৱী শিক্ষাৰ্থীক হিমাশ্ৰী তালুকদাৰ (নলবাৰী), প্ৰদ্যুতজ্যোতি হীৰা (মৰিগাঁও), অনুখা বড়োক (গোৱালপাৰা) টেবলেট বিতৰণ কৰা হয়। উদ্ভাৱনীমূলক শিক্ষা আৰু প্ৰযুক্তিগত উন্নতিক উৎসাহিত কৰাৰ বাবে মুঠ ৪,৩২০ জন শিক্ষাৰ্থীয়ে টেবলেট লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি কয় যে গুণোৎসৱ মূল্যায়নত অভিন্ন মানদণ্ড আৰু স্বচ্ছতা অন্তৰ্ভুক্ত কৰা হৈছে। অসম আৰু তামিলনাডুৰ শিক্ষা ব্যৱস্থাৰ মাজত তুলনা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত ২০ হাজাৰৰো অধিক ৰাজহুৱা শিক্ষানুষ্ঠান আছে। অসমৰ ২০ শতাংশ শিক্ষাৰ্থীয়ে ব্যক্তিগত বিদ্যালয়ত পঢ়ে। আনহাতে তামিলনাডুত, ৬৫ শতাংশৰো অধিক শিক্ষাৰ্থীয়ে ব্যক্তিগত প্ৰতিষ্ঠানত অধ্যয়ন কৰে। ৰাজহুৱা শিক্ষাৰ ক্ষেত্ৰত অসমৰ প্ৰতি-শিক্ষাৰ্থী বিনিয়োগ তামিলনাডুতকৈ অধিক। ২০১৭ চনত ৬,৩০৭ খন বিদ্যালয়ে 'এ' গ্ৰেড লাভ কৰিছিল। ২০২৫ চনত চনত ১৩,৩০০ লৈ বৃদ্ধি হৈছে। ২৬ হাজাৰ বিদ্যালয় এতিয়া উন্নত মানদণ্ডলৈ উন্নীত কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে বি-গ্ৰেড বিদ্যালয়ৰ সংখ্যা হ্ৰাস পাইছে বুলি কৈ কয় যে যিয়ে সমগ্ৰ ৰাজ্যত উচ্চ মানদণ্ডৰ শিক্ষা সূচায়। চৰকাৰী বিদ্যালয়সমূহৰ ওপৰত জনসাধাৰণৰ বিশ্বাস বৃদ্ধি হৈছে। শিৱসাগৰ, গুৱাহাটীৰ পৰা নলবাৰীলৈকে অভিভাৱকসকলে সন্তানক চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰিবলৈ ৰাতিৰে পৰা বিদ্যালয়ত শাৰী পাতিছে। জনশিক্ষা ব্যৱস্থাৰ ওপৰত পুনৰ বিশ্বাসৰ লক্ষণ। সামগ্ৰিক প্ৰদৰ্শনৰ বাবে গুণোৎসৱ ২০২৫ ত প্ৰথম স্থানত শিৱসাগৰ, দ্বিতীয় স্থানত মাজুলী, তৃতীয় স্থানত চৰাইদেউ জিলা আছে। অভিন্ন মানদণ্ডৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন কৰা জিলা হৈছে পশ্চিম কাৰ্বি আংলং, কাৰ্বি আংলং, চিৰাং (দুৰ্বল প্ৰদৰ্শন)। শিক্ষা বিভাগে এই জিলাসমূহৰ দুৰ্বল প্ৰদৰ্শনৰ তদন্তৰ নিৰ্দেশ দিছে আৰু সংশোধনমূলক ব্যৱস্থা ল'ব। ইপিনে আজি মুখ্যমন্ত্ৰীয়ে কয় যে গুণোৎসৱে ৫ বছৰ অতিক্ৰম কৰিছে। ২০৩০ ৰ ভিতৰত ভাৰতৰ ভিতৰতে অসমৰ শিক্ষাৰ মান উন্নত হ'ব। ২০১৭ চনত আৰম্ভ কৰা এই পদক্ষেপৰ জৰিয়তে কেৱল ১২ হাজাৰ বিদ্যালয়ৰ মূল্যায়নৰ পৰা এই মূল্যায়নে এতিয়া ৪৪,০৭ শতাংশ বিদ্যালয়ক সামৰি লৈছে। ২০২৫ চনত ২৭,২৫২ খন বিদ্যালয়ক এ বা এ+ গ্ৰেড হিচাপে স্থান দিয়া হৈছে। ২০২৪ চনৰ পৰিসংখ্যাৰ তুলনাত এই বৃদ্ধিৰ হাৰ ৭ শতাংশ। সামগ্ৰিকভাৱে ৮৩.৫ শতাংশ বিদ্যালয়ে এ+ আৰু এ গ্ৰেড লাভ কৰিছে। এই বছৰ প্ৰথমবাৰৰ বাবে আমি শিক্ষাৰ্থীসকলক প্ৰদান কৰা ইউনিফৰ্মৰ মান আৰু অনুশীলনৰ স্বচ্ছতাও মূল্যায়ন কৰা হৈছে। ১৫ লাখ শিক্ষাৰ্থীয়ে লাভ কৰিছে এ+ গ্ৰেড। প্ৰতিখন এ+ গ্ৰেড বিদ্যালয়ক উচ্চ প্ৰদৰ্শনৰ স্বীকৃতি স্বৰূপে ২৫,০০০ টকাকৈ উদগনিমূলক অনুদান প্ৰদান কৰা হ'ব। স্বচ্ছতাৰ ক্ষেত্ৰত প্ৰথম স্থান লাভ কৰে গোলাঘাট জিলাই, কামৰূপ মহানগৰ জিলাই দ্বিতীয় স্থান আৰু যোৰহাট জিলাই তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। ইউনিফৰ্মৰ ক্ষেত্ৰত শিৱসাগৰ জিলাই প্ৰথম, মাজুলী জিলাই দ্বিতীয় আৰু চৰাইদেউ জিলাই তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। পশ্চিম কাৰ্বি আংলং, কাৰ্বি আংলং জিলা, চিৰাং জিলাই ভাল ফলাফল দেখুৱাব পৰা নাই। ভাষণত মুখ্যমন্ত্ৰী ডাঃ শৰ্মাই অসমৰ ২ হাজাৰৰো অধিক বিদ্যালয়ত মাত্ৰ এজন শিক্ষক আছে। কিন্তু ইয়াৰ কাৰণ হৈছে শিক্ষক ৰখাৰ সমস্যা। এজনীয়া শিক্ষক থকা বিদ্যালয়ৰ সমস্যা দূৰ কৰাৰ বাবে ব্যৱস্থা কৰা হব। বিদ্যালয়সমূহে নিজাববীয়াকৈ দিব পাৰিব শিক্ষক নিযুক্তিৰ বিজ্ঞাপন। মেধাৰ ভিত্তিত দিয়া হ'ব শিক্ষক নিযুক্তি। টেট উত্তীৰ্ণৰ লগতে শিক্ষক নিযুক্তিত সকলো চৰ্ত প্ৰযোজ্য হ'ব। বিদ্যালয়ভিত্তিক নিযুক্তি হ'লে বদলিৰ সমস্যাও কমিব। গুণোৎসৱৰ ফলাফল ঘোষণাৰ মাজতে মুখ্যমন্ত্ৰীৰ মন্তব্য। অসমত আছে ২ হাজাৰৰো অধিক এজনীয়া শিক্ষকৰ বিদ্যালয়। বিদ্যালয়সমূহত শিক্ষক ৰখাৰ স্বাৰ্থত এই ব্যৱস্থা মুখ্যমন্ত্ৰীৰ। এ আই, ডিজিটেল ব্যৱস্থাৰে মেধাৰ ভিত্তিত শিক্ষক নিযুক্তি দিব লাগিব।

# শিৱসাগৰত আহোম সেনাৰ জয়মতীৰ স্মৃতি দিৱস উদযাপন, প্ৰদৰ্শন কৰিলে নাট

**ই-সংবাদ, শিৱসাগৰ, ২৭ মাৰ্চঃ** আজি ১৩ চ'ত। অন্যান্য প্ৰান্তৰ লগতে শিৱসাগৰতো আহোম সেনা আৰু জয়া বাহিনীৰ উদ্যোগত ৩৪৬ সংখ্যক জয়মতী কুঁৱৰীৰ স্মৃতি দিৱস উদযাপন কৰা হয়। শিৱসাগৰৰ জয়সাগৰৰ জয়ানগৰস্থিত বীৰাংগনা, স্বদেশ প্ৰেমৰ প্ৰতিভূ স্বৰূপ জয়মতীৰ কুঁৱৰীৰ মৈদামত পৰম্পৰাগত বানফি, জয়সাগৰৰ জয়দ'লত ফুৰালুঙৰ লগতে অন্যান্য ৰীতি-নীতিৰে জয়মতী কুঁৱৰীৰ স্মৃতি দিৱস উদ্যাপন কৰা হয়। আহোম সেনাৰ বিষয়ববীয়া তথা কৰ্মীসকলে বানফী পূজাৰে মহিয়সী, সাহসী নাৰীগৰাকীক স্মৰণ কৰে। মৈদামস্থলীত সকলোৱে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাৰে স্মৰণ কৰে জয়মতী কুঁৱৰীক। অনুষ্ঠানত অংশগ্ৰহণ কৰি আহোম সেনাৰ মুখ্য সেনাধ্যক্ষ অংকুৰণ ফুকনে কয় যে, দেশ আৰু জাতিৰ মংগলৰ বাবে একক প্ৰচেষ্টাৰে সত্যাগ্ৰহ কৰি শ্বহীদ হৈছিল। আজিৰ বৰ অসমৰ ভৌগোলিক অৱস্থান আৰু ৰাজনৈতিক প্ৰেক্ষাপট জয়মতীৰ ত্যাগৰ ওপৰত নিৰ্ভৰ কৰে। আজিৰ প্ৰজন্মই অনুভৱ কৰা উচিত, কিমান সাহসী-বীৰাংগনা হ'লেহে এটুপি পানী অবিহনে দেশ-জাতিৰ বাবে নীৰৱে সহ্য কৰি গৈছিল অকথ্য নিৰ্যাতন। জয়মতী য'তেই নাথাকক দেশ আৰু বৃহত্তৰ অসমীয়া জাতিটোৰ মংগলৰ বাবে আগবাঢ়ি যাবলৈ 'জনমিং' বিচাৰে। আনহাতে সংগঠনৰ অন্যান্য নেতৃবৰ্গই জয়মতী মৈদামটো অসুৰক্ষিত হোৱাৰ লগতে বেদখলকাৰীৰ কৱলত পৰিছে বুলি মন্তব্য কৰে। বিভাগীয় কতৃৰ্পক্ষক বাবে বাৰে আবেদন-নিবেদন, প্ৰতিবাদ জনাই অহাৰ পাছতো তেওঁলোক নিৰুত্তৰ। প্ৰয়োজন হ'লে বিষয়াসকলক মৈদামৰ কাষতে আবদ্ধ কৰিবলৈও আহোম সেনাই কুণ্ঠাবোধ নকৰিব বুলি স্পষ্ট কৰি দিয়ে। আনহাতে সন্ধ্যা শিৱসাগৰ যুৱদলত সংগঠনটোৱে 'জয়মতী' শীৰ্ষক এখন নাট মঞ্চস্থ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আফস্পাৰ আওতাৰ পৰা বাহিৰ

দি আমেৰিকা, ব্ৰিটেইন, অষ্ট্ৰেলিয়াকে ধৰি বিশ্বৰ ছয়খন ৰাষ্ট্ৰই নিজ নিজ দেশৰ নাগৰিকক এই অঞ্চল ভ্ৰমণত নিষেধাজ্ঞা জাৰি কৰিছে। তেনে পৰিপ্ৰেক্ষিতত আজি ডিব্ৰুগড় জিলাৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন (আফস্পা) প্ৰত্যাহাৰৰ কেন্দ্ৰৰ সিদ্ধান্তৰ কথা জানিবলৈ দিছে মুখ্যমন্ত্ৰীয়ে। আজি জনতা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকৰ পিছতে কেন্দ্ৰৰ এই সিদ্ধান্তৰ কথা অৱগত কৰে মুখ্যমন্ত্ৰীয়ে। একে সময়তে আজি কেবিনেটত কেইবাটাও উল্লেখযোগ্য বিষয়ত অনুমোদন জনায়। কেবিনেটৰ পিছত সংবাদমেলত মুখ্যমন্ত্ৰীয়ে জানোৱা মতে, কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ডিব্ৰুগড় জিলাক আফস্পাৰ আওতাৰ পৰা বাহিৰলৈ আনে। অৱশ্যে তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউ জিলাত এই আইনখন কাৰ্যকৰী হৈ থাকিব। তেওঁ কয়, “ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে আমি কেন্দ্ৰক আহ্বান জনাইছিলো। তাৰ পিছতেই এই সিদ্ধান্ত লোৱা হৈছে।” ইপিনে, কেবিনেটে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ‘অসম পঞ্চায়ত ফাইনেন্সিয়েল ৰুলছ-২০০২’ সংশোধনৰ প্ৰস্তাৱতো অনুমোদন জনায়। মুখ্যমন্ত্ৰীৰ মতে, পঞ্চায়তৰ বজাৰ আৰু হাটসমূহত ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা কৰ সংগ্ৰহ কৰিব নোৱাৰিব। ইয়াৰ পৰিৱৰ্তে মহলদাৰসকলক নতুন দায়িত্ব প্ৰদান কৰা হ'ব আৰু তেওঁলোকে অতিৰিক্ত ধন সংগ্ৰহ কৰিব যাতে নোৱাৰে তাৰ নিৰীক্ষণৰ বাবে পুলিচ ভেৰিফিকেচনৰ ব্যৱস্থা কৰা হ'ব। কেবিনেটে জলবায়ু পৰিবৰ্তনৰ সমগ্ৰ ব্যৱস্থা এতিয়াৰে পৰা বন বিভাগৰ তত্ত্বাৱধানত ৰখাৰ সিদ্ধান্ত লয়। লগতে, লোক নিৰ্মাণ বিভাগক দুটা ভাগত বিভক্ত কৰা হ'ব। ‘লোক নিৰ্মাণ গৃহ বিভাগ’ সলনি হৈ ‘লোক নিৰ্মাণ স্বাস্থ্য আৰু শিক্ষা বিভাগ’ হ'ব, যিয়ে স্বাস্থ্য আৰু শিক্ষা বিভাগৰ ভৱনসমূহৰ তদাৰক কৰিব। আনহাতে, আৰৱৰ্ত ভৱন, ষ্টেডিয়াম, সচিবালয় আদিৰ দায়িত্বত থাকিব ‘লোক নিৰ্মাণ গৃহ বিভাগ’। এই বৈঠকত ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ প্ৰত্যেকটোত একোটাকৈ ব্লক জনস্বাস্থ্য কাৰিকৰী বিভাগ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে। আকাৰত ডাঙৰ সমষ্টিসমূহত দুটাকৈ ব্লক পিএইচই থাকিব। ইয়াৰোপৰি, অহা ১ এপ্ৰিলৰ পৰা ধানৰ নূন্যতম সমৰ্থন মূল্য (এমএছপি)ৰ লগতে ৰাজ্য চৰকাৰে প্ৰতি কুইণ্টলত ২৫০ টকাকৈ অতিৰিক্ত ধন প্ৰদান কৰিব। ফলত কৃষকে প্ৰতি কুইণ্টল ধানত ২৫৫০ টকা লাভ কৰিব। সৰিয়হৰ ক্ষেত্ৰতো প্ৰতি কুইণ্টলত ৫০০ টকা অতিৰিক্ত দিয়াৰ সিদ্ধান্ত লোৱা হৈছে, যাৰ ফলত কৃষকে ৬৪৫০ টকা প্ৰতি কুইণ্টলত লাভ কৰিব। দৰং জিলাত এখন নতুন মেডিকেল কলেজৰ বাবে ৫৭২ কোটি টকাৰ অনুমোদন দিয়াৰ কথাও ঘোষণা কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মঙলদৈৰ দক্ষতা বিকাশ বিশ্ববিদ্যালয়ৰ সমীপত নিৰ্মাণ হ'বলগীয়া এই মেডিকেল কলেজৰ সৈতে বিএছচি নাৰ্ছিং কলেজ আৰু জিএনএম নাৰ্ছিং স্কুলো স্থাপন কৰা হ'ব। এই তিনিওটা প্ৰতিষ্ঠান একেলগে নিৰ্মাণ কৰা হ'ব। আন এটা সিদ্ধান্ত অনুসৰি, ৰেচন দোকানৰ ম্যাদ ৩০ জুন ২০২৬লৈ বৃদ্ধি কৰা হৈছে। চৰকাৰী চাকৰিয়ালৰ ক্ষেত্ৰত বিবাহ বিচ্ছেদিত স্বামীয়ে এতিয়াৰে পৰা ২ বছৰলৈ চাইল্ড কেয়াৰ লীভ লাভ কৰিব। প্ৰফেচনেল টেক্সৰ ক্ষেত্ৰতো নতুন নিৰ্দেশনা জাৰি কৰা হৈছে। মাহিলী আয় ১৫ হাজাৰ টকাৰ তলত হ'লে এতিয়াৰে পৰা প্ৰফেচনেল টেক্স দিব নালাগে। এই সিদ্ধান্ত ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। লগতে, কেঁচা চাহপাতৰ ওপৰতো কৰ প্ৰত্যাহাৰ কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিকিৎসাৰ অভাৱত মৃত্যু ঘটিল

আহিছে। বিজেপি নেতাই ডিঙিৰ শিৰ ফুলাই এনেদৰে ভাষণ দিয়ে যে ২০১৬ চনৰ আগত অসমত একোৱেই নাছিল। তেওঁলোকে শাসনলৈ আহি স্বাস্থ্য, শিক্ষা, ৰাস্তা-ঘাট আদিৰ উন্নয়ন সাধন কৰিলে। অসমত এতিয়া সমস্যা বুলিবলৈ একো নাই, চৌদিশে অসমৰ নদন-বদন অৱস্থা। অসমত সকলোতকৈ ঢোল পিতে চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি স্বাস্থ্য খণ্ডৰ বিৰল উন্নয়ন সাধন কৰা বুলি। কিন্তু বাস্তৱত অসমত স্বাস্থ্য খণ্ডৰ উন্নয়ন সাধন হৈছেনে। শেহতীয়া এক ঘটনাই অসমৰ স্বাস্থ্য খণ্ডৰ প্ৰকৃত অৱস্থাটো পোহৰলৈ আনিছে। অসমৰ স্বাস্থ্য খণ্ড আজিও যে দুখজনক অৱস্থাতে আছে সেয়া বাৰুকৈয়ে প্ৰতিপন্ন হৈছে। অসমৰ স্বাস্থ্য খণ্ডৰ ভয়াৱহ অৱস্থা উদঙাই মানৱ অধিকাৰ আয়োগত এটা গোচৰ ৰুজু কৰিছে এগৰাকী দুৰ্ভগীয়া পিতৃয়ে। নিজ কন্যাক হেৰুৱাই এগৰাকী পিতৃয়ে ন্যায় দাবী কৰি মানৱ অধিকাৰ আয়োগত গোচৰ ৰুজু কৰিছে। ঘটনা নগাঁও জিলাৰ। নগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা ডঃ সুৰজিৎ কুমাৰ ভাগৰতীয়ে নিজ কন্যাক হেৰুৱাই শোকত ভাগি পৰাই নহয়, স্বাস্থ্য খণ্ডৰ হেমাহিৰ বিষয়টোক লৈ মানৱ অধিকাৰ আয়োগৰ পৰা ন্যায় বিচাৰি আৰ্জি দাখিল কৰিছে। ইতিমধ্যে মানৱ অধিকাৰ আয়োগে গোচৰ ৰুজু কৰি তদন্তৰ নিৰ্দেশ দিছে। আজি ডঃ সুৰজিৎ কুমাৰ ভাগৰতীয়ে নগাঁৱত এখন সংবাদমেল সম্বোধন কৰি কন্যাৰ সৈতে সংঘটিত ঘটনা বৰ্ণনা কৰি আৱেগিক হৈ পৰে। ডঃ সুৰজিৎ কুমাৰ ভাগৰতীয়ে বিভাগটোৰ দুখন চিকিৎসালয় নগাঁৱৰ ব্যক্তিগত খণ্ডৰ কপিলী নাৰ্ছিং হোম আৰু নগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ২০২৪ চনৰ ১৬ ডিচেম্বৰত ডঃ সুৰজিৎ কুমাৰ ভাগৰতীয়ে নিজ কন্যা ২১ বছৰীয়া অংগনা ভৰদ্বাজক হেৰুৱায়। জানিব পৰা মতে, ২০২৪ চনৰ ১৬ ডিচেম্বৰৰ পুৱা সুৰজিৎ কুমাৰ ভাগৰতীৰ কন্যা অংগনা ভৰদ্বাজ আকস্মিকভাৱে অসুস্থ হয়। কিছু সময় পিছতে অচেতন হৈ পৰাত তততৈয়াকৈ পিতৃয়ে গাড়ীত তুলি অংগনা ভৰদ্বাজক নগাঁৱৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয় কপিলী নাৰ্ছিং হোমলৈ নিয়ে। কপিলী নাৰ্ছিং হোমে ততাতৈয়াকৈ চিকিৎসা আৰম্ভ কৰিছিল যদিও অংগনাৰ অৱস্থা অত্যধিক বেয়াৰ ফালে গতি কৰে। কপিলী নাৰ্ছিং হোমৰ জৰুৰীকালীন কক্ষত ইচিজি মেচিন আৰু অক্সিজেনৰ সুবিধা নথকা বাবে অংগনাক নগাঁও চিকিৎসা মহাবিদ্যালয়লৈ নিয়াৰ পৰামৰ্শ দিয়ে। তেতিয়াই দিশহাৰা পিতৃয়ে কপিলী নাৰ্ছিং হোমৰ পৰা কন্যাক উলিয়াই পুনৰ গাড়ীত তুলি নগাঁও চিকিৎসা মহাবিদ্যালয়লৈ যাত্ৰা কৰে। কিছু সময় পিছতে নগাঁও চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ পিতৃয়ে কন্যাৰ প্ৰাণ ৰক্ষাৰ বাবে হাহাকাৰ কৰে। পুৱা প্ৰায় ৮ বজাত নগাঁও চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ জৰুৰীকালীন সেৱা প্ৰদান কৰা এলেকালৈ যায়। কিন্তু নগাঁও চিকিৎসা মহাবিদ্যালয়ত জৰুৰীকালীন সেৱাত পুৱা ৮ বজাত এজনো চিকিৎসক নাছিল। কৰ্তব্যত এজনো চিকিৎসক নথকাত পিতৃয়ে আন এখন ব্যক্তিগত চিকিৎসালয়লৈ নিয়ে যদিও তেতিয়ালৈ বহু পলম হৈ গৈছিল। নিজ কন্যাৰ প্ৰাণ চকুৰ সন্মুখত উৰি যোৱা প্ৰত্যক্ষ কৰে পিতৃ ডঃ সুৰজিৎ কুমাৰ ভাগৰতীয়ে। সেই সময়ত জৰুৰীভাৱে অংগনাক দৰকাৰ আছিল অক্সিজেনৰ। কিন্তু ব্যক্তিগত খণ্ডৰ নাৰ্ছিং হোম আৰু নগাঁও চিকিৎসা মহাবিদ্যালয়ে অক্সিজেনৰ ব্যৱস্থা কৰিব নোৱাৰাত এগৰাকী সম্ভাৱনাময় ছাত্ৰীয়ে চিৰ জীৱনৰ বাবে এই পৃথিৱীৰ পৰা বিদায় মাগে। অংগনাই জীৱন যুদ্ধত হাৰ মানিলে যদিও পিতৃক সেই সময়ছোৱাৰ অভিজ্ঞতাই খুলি খুলি খাইছে। সেই সময়ছোৱা কিমান জটিল আছিল পিতৃৰ বাবে। নগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তাগৰাকীয়ে নগাঁৱৰ কপিলী নাৰ্ছিং হোম আৰু নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ বিৰুদ্ধে মানৱ অধিকাৰ আয়োগত গোচৰ তৰিছে। মানৱ অধিকাৰ আয়োগে এক গোচৰ ৰুজু কৰি নগাঁৱৰ কপিলী নাৰ্ছিং হোম আৰু নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ গাফিলতিৰ তদন্তৰ নিৰ্দেশ দিছে। জিলা দণ্ডাধীশে ঘটনাৰ তদন্ত কৰিব। উচ্চ শিক্ষা গ্ৰহণ কৰি থকা ২১ বছৰীয়া অতি মৰমৰ কন্যাক হেৰুৱাই ডঃ সুৰজিৎ কুমাৰ ভাগৰতী অসহায় হৈ পৰিছে। আজি সংবাদমেলত দুৰ্ভগীয়া পিতৃগৰাকীয়ে চিকিৎসকৰ অৱহেলাৰ বাবে নিজৰ সন্তানক হেৰুওৱাৰ অভিযোগ উত্থাপন কৰি কয় যে মোৰ কন্যাৰ দৰে যাতে অন্য কোনো পিতৃয়ে সন্তানক হেৰুৱাব নালাগে তাৰ বাবে মই আইনী যুঁজত অৱতীৰ্ণ হৈছো। এইগৰাকী পিতৃয়ে স্বাস্থ্য খণ্ডৰ পয়ালগা অৱস্থাক উদঙাই দেখুৱাইছে। এইগৰাকী পিতৃৰ মৰ্মবেদনা অসম চৰকাৰ, অসমৰ প্ৰশাসন তথা স্বাস্থ্য বিভাগে উপলব্ধি কৰিব কৰিব পাৰিবনে? কপিলী নাৰ্ছিং হোম আৰু নগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিব প্ৰশাসনে সেয়া নিশ্চয় লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱ পত্নীৰ পাকিস্তান সংযোগ!

প্ৰদান কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আজি গুৱাহাটীত সংবাদ মাধ্যমৰ মুখামুখি হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিশেষ অনুসন্ধানকাৰী দল চমুকৈ এছআইটিৰ তদন্ত চলি আছে আৰু পাকিস্তান আৰু ভাৰতৰ কিছু ব্যক্তিৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক পোহৰলৈ আহিছে বুলি দাবী কৰিছে। মুখ্যমন্ত্ৰীয়ে সন্দেহ কৰাতকৈ ভয়াৱহ তথ্য পোহৰলৈ অহা বুলি কয়। ভাৰতত চাকৰি কৰিও পাকিস্তানৰ দৰমহা লোৱাৰ তথ্য লাভ কৰাৰ লগতে সেই তথ্য জব্দ কৰা বুলি কয়। গৌৰৱ গগৈৰ পত্নীৰ বিৰুদ্ধে আইএছআই সংযোগৰ অভিযোগক লৈ আজি মুখ্যমন্ত্ৰীয়ে কয় যে হাইপ্ৰফাইল তদন্ত ছেপ্টেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। অধিক গুৰুত্বপূৰ্ণ তথ্য উন্মোচন হৈছে। এছআইটিয়ে পাকিস্তান আৰু ভাৰতৰ কিছুমান ব্যক্তিৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হৈছে। এই অনুসন্ধান চলি আছে। আমি ইতিমধ্যে এছআইটিক ছেপ্টেম্বৰৰ ভিতৰত তদন্ত সমাপ্ত কৰিবলৈ কৈছো। গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে টুইটাৰত একাংশ লোকে অভিযোগ উত্থাপন কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইয়াকে লৈ কংগ্ৰেছ দল আৰু গৌৰৱ গগৈক ব্যক্তিগত আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। বিদেশী পত্নীয়ে নাগৰিকত্ব গ্ৰহণ নকৰা, ভোটাৰ তালিকাত নাম উল্লেখ নকৰা, পাকিস্তান ভ্ৰমণ কৰা, তৌকিৰ শ্বেখ নামৰ এজন লোকৰ সৈতে যোগাযোগৰ লগতে গৌৰৱ গগৈয়ে ভাৰতত পাকিস্তান উচ্চায়ুক্তৰ কাৰ্যালয়লৈ যোৱা ফটো মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত পোষ্ট কৰি আক্ৰমণ কৰিছিল। মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ আৰক্ষী সঞ্চালকপ্ৰধানক গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিছিল। বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইন ইউএপিএ আৰু ন্যায় সংহিতাৰ ধাৰাত হাইপ্ৰফাইল গোচৰ পঞ্জীয়ন কৰা হৈছিল। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পত্নী আৰু এজন পাকিস্তানী নাগৰিকক লৈ এছআইটিয়ে তদন্ত কৰিছিল। ডিজিপিয়ে আইপিএছ তথা চিআইডিৰ জ্যেষ্ঠ উপ-আৰক্ষী প্ৰধান প্ৰণৱজ্যোতি গোস্বামী, অতিৰিক্ত আৰক্ষী মহাপৰিদৰ্শক ৰজী কলিতা, এপিএছ মৈত্ৰেয়ী ডেকাক এই তদন্তৰ দায়িত্ব দিছিল। তাৰ মাজতে কালি গুৱাহাটীত দিলোৱাৰ হুছেইন নামৰ সাংবাদিকজনক গ্ৰেপ্তাৰ কৰাৰ পিছতে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল সাংবাদিক সংগঠনে। তেনে সময়তে আজি পুনৰ মুখ্যমন্ত্ৰীৰ মুখত শুনা যায় গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তান সংযোগৰ অভিযোগৰ কথা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৬ দেশৰ নাগৰিকক নৰ্থ-ইষ্ট ভ্ৰমণত

চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিছে অসমৰ পৰ্যটন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। মঙলবাৰে বিধানসভাত কংগ্ৰেছৰ বিধায়ক ৰেকিবুদ্দিন আহমেদৰ এক প্ৰশ্নৰ উত্তৰত পৰ্যটন মন্ত্ৰীগৰাকীয়ে কয় যে আমেৰিকা, ব্ৰিটেইন, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, কানাডা আৰু ছুইজাৰলেণ্ডে নিজৰ নাগৰিকসকলক অসম আৰু উত্তৰ-পূব ভাৰত ভ্ৰমণত নিষেধাজ্ঞা আৰোপ কৰিছে। খবৰ অনুসৰি এই সিদ্ধান্ত মূলতঃ আইন-শৃংখলাৰ পৰিস্থিতিৰ প্ৰতি উদ্বেগৰ বাবেই লোৱা হৈছে। মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে যে পৰ্যটন বিভাগ আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সমন্বয়ত এই নিষেধাজ্ঞা উঠাই লোৱাৰ প্ৰচেষ্টা চলোৱা হৈছে। দাসে কয় যে ইতিমধ্যে অষ্ট্ৰেলিয়াৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে অসম ভ্ৰমণ কৰি পৰিস্থিতিৰ পৰ্যালোচনা কৰিছে। ইফালে, এই নিষেধাজ্ঞাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে অসমৰ পৰ্যটন উদ্যোগত। চৰকাৰী হিচাপ অনুসৰি ২০২২-২৩ বিত্তীয় বৰ্ষত ৰাজ্যত পৰ্যটকৰ সংখ্যা আছিল ৯৮,৩১,১৪১ জন। অৱশ্যে ২০২৩-২৪ বৰ্ষত এই সংখ্যা ৭০,৬৭,৩৩৫ লৈ হ্ৰাস পাইছে। চলিত বিত্তীয় বৰ্ষ ২০২৪-২৫ (জানুৱাৰী মাহলৈকে) এই সংখ্যা আৰু হ্ৰাস পাই ৬৭,৮৮,৫৬৫ হৈ পৰা বুলি ইতিমধ্যে প্ৰকাশ পাইছে। এনে পৰিপ্ৰেক্ষিতত বিশ্বৰ ৬ খন উন্নত ৰাষ্ট্ৰৰ নাগৰিকক উত্তৰ-পূব ভাৰত ভ্ৰমণত নিষেধাজ্ঞা আৰোপ কৰা কাৰ্যই পৰ্যটন ক্ষেত্ৰৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাব বুলি আশংকা কৰা হৈছে। আনহাতে উত্তৰ-পূবলৈ ভ্ৰমণ নিষেধাজ্ঞা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিৰোধীয়েও। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণত যে ব্যৰ্থ হৈছে এয়া তাৰেই প্ৰমাণ। ভূপেন বৰাই কয় যে সাংবাদিকসকলে যেতিয়া ৰাজপথত প্ৰতিবাদ কৰিবলগীয়া হৈছে সেয়া সমগ্ৰ বিশ্বই দেখিছে। সিদিনা বিনিয়োগ সন্মিলন পাতি চৰকাৰে কৈছে যে বিদেশৰ পৰা পুঁজি আহিব। কিন্তু যদি মানুহেই আহিব নোৱাৰে তেন্তে পুঁজি ক'ৰ পৰা আহিব বুলিও প্ৰশ্ন কৰে ভূপেন বৰাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত আৰক্ষীৰ জালত প্ৰৱঞ্চক

উপত্যকাত ৪০০ কোটি টকাৰ অনলাইন ট্ৰেডিং কেলেংকাৰীৰ মাষ্টাৰমাইণ্ড ছাকিৰ আহমেদ। গোপন সূত্ৰৰ পৰা তথ্য লাভ কৰি কলকাতাৰ পৰা অভিযুক্তজনক গ্ৰেপ্তাৰ কৰে বদৰপুৰ আৰক্ষীয়ে। বৰ্তমান থানাত জেৰা অব্যাহত ৰখা হৈছে ছাকিৰ আহমেদক। অভিযোগ অনুসৰি অনলাইন ট্ৰেডিঙৰ নামত বৰাক উপত্যকাৰ বহু লোকৰ পৰা বিপুল পৰিমাণৰ ধন সংগ্ৰহ কৰিছিল ছাকিৰ আৰু তেওঁৰ নেটৱৰ্কে। বিনিয়োগকাৰীক প্ৰতাৰণা কৰি আত্মগোপন কৰিছিল ছাকিৰে। তদন্তত প্ৰকাশ পাইছে যে তেওঁ এই প্ৰৱঞ্চনামূলক ধনেৰে বিলাসী গাড়ী ক্ৰয় কৰিছিল, য'ত আছিল ৬০-৭০ লাখ টকাৰ ৰেঞ্জ ৰভাৰৰ দৰে বিলাসী বাহন। ইয়াৰ পূৰ্বে শ্ৰীভূমিত ছাকিৰৰ বিৰুদ্ধে গোচৰ (৫৪৩/২০২৪) ৰুজু হৈছিল। অভিযোগ উঠিছে যে তেওঁ তাৰ পৰাই এই ভুৱা ব্যৱসায়িক চক্ৰ চলাইছিল। কিন্তু এতিয়াও বহু ভুক্তভোগীয়ে আৰক্ষীক অভিযোগ দাখিল কৰিব পৰা নাই। এই কেলেংকাৰীত জড়িত আন এজন অভিযুক্ত ৰাজদ্বীপ দেৰ এতিয়াও পলাতক হৈ আছে। অভিযোগ অনুসৰি তেওঁ চুৰি কৰা ধনেৰে বিলাসী জীৱন যাপন কৰাৰ লগতে ঘৰৰ ভিতৰতে এটা বৃহৎ অনলাইন ট্ৰেডিং অফিচ খুলিছিল। আৰক্ষীয়ে ৰাজদ্বীপ দেৰসহ গেংটোৰ অন্যান্য সদস্যক বিচাৰি ফুৰিছে। তীব্ৰতৰ কৰা হৈছে তদন্ত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতলৈ আহিব পুটিন!

লৈ যোৱাৰ বাবে শীঘ্ৰেই ভাৰত ভ্ৰমণলৈ আহিব ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন। এই তথ্য প্ৰকাশ কৰি ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী চাৰ্গেই লাভৰভে কয় যে ৰাষ্ট্ৰপতিগৰাকীৰ ভ্ৰমণৰ প্ৰস্তুতি চলি আছে। লাভৰভে লগতে কয়, "ক্ৰমাগত তৃতীয়বাৰৰ বাবে ক্ষমতালৈ অহাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথম বিদেশ ভ্ৰমণ আছিল ৰাছিয়া। এতিয়া আমাৰ পাল। আমি ৰাষ্ট্ৰপতি পুটিনৰ ভাৰত ভ্ৰমণৰ আয়োজন কৰিছো।" অৱশ্যে তেওঁ ভ্ৰমণৰ নিৰ্দিষ্ট তাৰিখ বা মাহৰ কথা উল্লেখ কৰা নাই। যোৱা বছৰ ৰাছিয়া ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰপতি পুটিনক ভাৰত ভ্ৰমণৰ বাবে আমন্ত্ৰণ জনাইছিল। ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে সেই নিমন্ত্ৰণ গ্ৰহণ কৰিছে। লাভৰভে কয় যে ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণৰ পৰিকল্পনা চলি আছে। এই ভ্ৰমণ বিশেষভাৱে তাৎপৰ্যপূৰ্ণ, কাৰণ ইউক্ৰেইন যুদ্ধ আৰম্ভ হোৱাৰ পিছত প্ৰথমবাৰৰ বাবে বিদেশ ভ্ৰমণ কৰিব ৰাষ্ট্ৰপতি পুটিনে। এই ভ্ৰমণৰ সময়ত আলোচনাৰ মূল বিষয়সমূহৰ ভিতৰত আছে ২০৩০ চনৰ বাবে পুটিনৰ নতুন অৰ্থনৈতিক ৰোডমেপ, দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰি ১০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰা, চেন্নাই-ভ্লাডিভষ্টক সামুদ্ৰিক বাণিজ্য কৰিডৰ সম্প্ৰসাৰণ। তদুপৰি দ্বিপাক্ষিক কৌশলগত সহযোগিতা আৰু অধিক শক্তিশালী কৰা হ'ব বুলি ৰাছিয়াই প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা বাৰ্তাত ৰাষ্ট্ৰপতি পুটিনে লিখিছে, "ৰাছিয়া-ভাৰতৰ সম্পৰ্ক এক বিশেষ আৰু সুবিধাজনক কৌশলগত অংশীদাৰিত্বৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। আমি যৌথভাৱে বিভিন্ন ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰিম।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘ভাৰত ধৰমশালা নহয়,

কঢ়িয়াই অনা লোকৰ বিৰুদ্ধে গ্ৰহণ কৰা হ'ব কঠোৰ ব্যৱস্থা। এই বাৰ্তা প্ৰদান কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। তেওঁ কয়, "ভাৰত কোনো ধৰমশালা নহয় আৰু দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব।” লোকসভাত ‘অভিবাসন আৰু বিদেশী বিধেয়ক, ২০২৫’ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰি বাংলাদেশ সীমান্তৰ মাজেৰে অনুপ্ৰৱেশক লৈ পশ্চিমবংগ চৰকাৰক আক্ৰমণ কৰে অমিত শ্বাহে। তেওঁ কয়, "২০২৬ চনৰ পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ পিছত যদি বিজেপি ক্ষমতালৈ আহে, তেন্তে এই অনুপ্ৰৱেশ সম্পূৰ্ণৰূপে বন্ধ হ'ব।" তেওঁ আৰু অভিযোগ কৰে যে মমতা বেনাৰ্জী চৰকাৰে বাংলাদেশী নাগৰিকক আধাৰ কাৰ্ড প্ৰদান কৰি আহিছে আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ কামৰ বাবে মাটি যোগান ধৰা নাই। শ্বাহে কয়, "পশ্চিমবংগ চৰকাৰৰ অসহযোগৰ বাবে ৪৫০ কিলোমিটাৰ সীমান্তৰ কাঁইটীয়া তাঁৰৰ কাম স্তব্ধ হৈ পৰিছে। যেতিয়াই এই কাম আৰম্ভ হয় তেতিয়াই শাসকীয় দলৰ কৰ্মীসকলে ধৰ্মীয় শ্লোগান উত্থাপন কৰি বাধা প্ৰদান কৰে। পশ্চিমবংগ চৰকাৰে অনুপ্ৰৱেশকাৰীৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰি কাঁইটীয়া তাঁৰৰ কাম স্তব্ধ কৰি ৰাখিছে।" তেওঁ অভিযোগ কৰে যে "আগতে কংগ্ৰেছৰ শাসনকালত অসমৰ মাজেৰে অনুপ্ৰৱেশ হৈছিল, এতিয়া পশ্চিমবংগৰ জৰিয়তে হৈছে। কোনে তেওঁলোকক নাগৰিকত্ব দিছে? ধৰা পৰা সকলো বাংলাদেশীৰ আধাৰ কাৰ্ড ২৪ পৰগনাৰ পৰা জাৰি কৰা হৈছে। ২০২৬ চনত বিজেপি চৰকাৰ ক্ষমতালৈ আহিলে এই অনুপ্ৰৱেশ বন্ধ হৈ যাব।" গৃহমন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চুবুৰীয়া দেশৰ ছটা নিৰ্যাতিত সম্প্ৰদায়ৰ লোকে নাগৰিকত্ব সংশোধনী আইনৰ সুবিধা লৈ ভাৰতত আশ্ৰয় লৈছে। তেওঁ কয়, "ভাৰত কেৱল ভৌগোলিকভাৱেই নহয়, সাংস্কৃতিকভাৱেও এখন বৃহৎ দেশ। পাৰ্চীসকল ইয়ালৈ আহিছে আৰু নিৰাপদ, ইজৰাইলৰ ইহুদীসকলেও ইয়াত বসতি স্থাপন কৰিছে।" শ্বাহৰ এই ভাষণৰ পিছতে লোকসভাত গৃহীত হয় অভিবাসন আৰু বিদেশী বিধেয়ক, ২০২৫। এই বিধেয়কখনে বিদেশীৰ প্ৰৱেশ, থকা, প্ৰস্থান সন্দৰ্ভত নতুন নিয়ম প্ৰৱৰ্তন কৰিব। বিৰোধীয়ে বিধেয়কখনৰ কিছুমান বিধানৰ বিৰোধিতা কৰি কয় যে ইয়াৰ দ্বাৰা অভিবাসন কৰ্তৃপক্ষক “সীমিত ক্ষমতা” দিয়া হ'ব। কংগ্ৰেছৰ সাংসদ মনীষ তিৱাৰীয়ে কয়, "এজন ইমিগ্ৰেচন বিষয়াৰ সিদ্ধান্ত চূড়ান্ত হ'ব, কোনো আপীল বা আইনী সাহায্য উপলব্ধ নহ'ব।" কিন্তু বিতৰ্কৰ মাজতো ধ্বনি ভোটৰ জৰিয়তে বিধেয়কখন গৃহীত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ গ্ৰেপ্তাৰ দিলোৱাৰ!

আৰক্ষীৰ বৃহৎ দল মোতায়েন কৰা হৈছিল। অসম সমবায় এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ অভিযোগৰ ভিত্তিত ৰুজু দ্বিতীয়টো গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে। গুৱাহাটীৰ লখৰাস্থিত কেন্দ্ৰীয় কাৰাগাৰৰ ভিতৰতে পাণবজাৰ আৰক্ষীৰ দলে পুনৰ গ্ৰেপ্তাৰ কৰি পাণবজাৰ থানালৈ আনিছে। দিলোৱাৰ হুছেইনক পাণবজাৰ থানাত ৰাখি পুনৰ সোধা-পোছা কৰা হ'ব। যিটো গোচৰত পুনৰ গ্ৰেপ্তাৰ কৰিছে সেই গোচৰটো এপেক্স বেংকৰ পৰিচালন সঞ্চালকে ৰুজু কৰিছিল। এটা গোচৰত আদালতে জামিন প্ৰদান কৰিছিল যদিও এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ গোচৰত আজি গ্ৰেপ্তাৰ কৰা হয়। পাণবজাৰ আৰক্ষী থানাত ১১১/২৫ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ ৩২৯, ৩২৪(৪), ৩৫১(২), ৩০৯(৪) আৰু ১১৫ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। অসম সমবায় এপেক্স বেংক লিমিটেডৰ পৰিচালন সঞ্চালকৰ অভিযোগৰ ভিত্তিত পাণবজাৰ আৰক্ষী থানাত ১১১/২৫ গোচৰ পঞ্জীয়ন কৰিছিল। এজাহাৰত অভিযোগ কৰা মতে, ২৫ মাৰ্চৰ প্ৰায় ১২.৩০ বজাত দিলোৱাৰ হুছেইন এপেক্স বেংকৰ অফিচৰ প্ৰথম মহলাত বেআইনীভাৱে প্ৰৱেশ কৰিছিল। বেংকৰ নথিপত্ৰ চুৰি কৰিবলৈ চেষ্টা কৰিছিল। ইপিনে মজুমদাৰৰ বিৰুদ্ধে পঞ্জীয়ন কৰা ১১০/২৫ নং গোচৰত ২৫ মাৰ্চত জামিন মঞ্জুৰ কৰিছিল আদালতে। ২৫ মাৰ্চৰ দুপৰীয়াৰ পৰা আৰক্ষী থানাত বহুৱাই ৰাখি নিশা প্ৰায় ১২ বজাত গ্ৰেপ্তাৰ কৰি দ্বিতীয় দিনা অৰ্থাৎ ২৬ মাৰ্চত গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশ আদালতত হাজিৰ কৰোৱা হৈছিল। পাণবজাৰ আৰক্ষী থানাত ১১০/২৫ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ৩৫১(২) আৰু অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইন, ১৯৮৯ (সংশোধনী ২০১৫)ৰ ধাৰা ৩(১)(আৰ)ত গোচৰ ৰুজু কৰা হৈছিল। এপেক্স বেংক লিমিটেডে নিযুক্তি দিয়া ছিকিউৰিটি গাৰ্ড শিশুপাল বড়োৱে তেওঁক অপমানজনক মন্তব্য কৰাৰ অভিযোগ আনি দাখিল কৰা এজাহাৰৰ ভিত্তিত গোচৰটো পঞ্জীয়ন কৰা হৈছিল যদিও সেই গোচৰত আদালতে জামিন প্ৰদান কৰিছিল। ২৬ মাৰ্চত সাংবাদিক সমাজে গুৱাহাটীৰ লগতে বিভিন্ন প্ৰান্তত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। গুৱাহাটীত কেইবাশতাধিক সাংবাদিকে আমবাৰীত ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰি ৰাজপথ উত্তাল কৰিছিল। ইপিনে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি দিলোৱাৰ হুছেইন মজুমদাৰ সাংবাদিক নহয় বুলি দাবী কৰিছে। মুখ্যমন্ত্ৰীয়ে দাবী কৰা মতে, পৰ্টেলৰ কাম কৰা লোকক আমি সাংবাদিক বুলি স্বীকৃতি দিয়া নাই। আমি পঞ্জীয়ন কৰা নাই। পৰ্টেলৰ কাম কৰা লোক সাংবাদিক নহয়। লগতে লিখাৰ বাবে কাকো গ্ৰেপ্তাৰ কৰা নাই বুলি কয়। দিলোৱাৰক সাংবাদিক নে ব্যৱসায়ী বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁক ব্যৱসায়ী বুলি ক'বনে সাংবাদিক বুলি ক'ব। মোক এখন সাংবাদিক বুলি লিখি দিয়ক। আপোনালোকে দায়িত্ব লওক। মই এতিয়াই এৰি দিম। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰকৃততে এজন ব্যৱসায়ী। ডাম্পাৰৰ গৰাকী আৰু এটা পৰ্টেলত আংশিক সময়ৰ সাংবাদিক হিচাপে কাম কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰত্যাহ্বান জনাই কয় যে হুছেইনে সাংবাদিকতাৰ কাম বা আন কাৰণত বেংকলৈ গৈছিল? আমি কেনেকৈ জানিব পাৰিম যে তেওঁ বাতৰি প্ৰচাৰৰ বাবে বেংকলৈ গৈছিল নে আন উদ্দেশ্যৰে গৈছিল। আন সাংবাদিকসকলে কেনেকৈ দাবী কৰিব যে তেওঁ এজন সাংবাদিক হিচাপে তাত গৈছিল? কেৱল লিখাৰ বাবে কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰা নহয়। সাংবাদিকসকলৰ লিখিবলৈ স্বাধীনতা আছে, কিন্তু তেওঁলোকে কাৰ্যালয়ৰ ভিতৰত যি কয় সেয়া এক বেলেগ বিষয়। এজন সাংবাদিকেও সিদ্ধান্ত লোৱাৰ আগতে আন পক্ষৰ কথা শুনিব লাগিব। যদি এজন সাংবাদিকে কাৰোবাৰ সৈতে বিবাদত লিপ্ত হয় তেওঁলোকক আন কাৰোবাৰ দৰেই গ্ৰেপ্তাৰ কৰা হ'ব। কোনো সাংবাদিকে ঘটনাটোৰ বিষয়ে সোধা-পোছা কৰিবলৈ কেতিয়াও এপেক্স বেংকৰ মেনেজাৰৰ ওচৰলৈ যোৱা নাছিল। তেওঁ জোৰ দিছিল যে সঠিক সাংবাদিকতাৰ বাবে সিদ্ধান্তত উপনীত হোৱাৰ আগতে দুয়োপক্ষৰ শুনানিৰ প্ৰয়োজন। হুছেইনে অনুসূচিত জনজাতি সম্প্ৰদায়ৰ বড়ো বুলি চিনাক্ত কৰা এজন ব্যক্তিৰ ওপৰত আপত্তিজনক মন্তব্য আগবঢ়াইছিল। বেংকৰ পৰা বৃহৎ ঋণ বিচাৰিছিল বুলি জানিব পৰা গৈছে। বড়ো ব্যক্তিজনে আদালতত এক বিবৃতি দাখিল কৰি নিশ্চিত কৰে যে তেওঁৰ বিৰুদ্ধে অপমানজনক ভাষা ব্যৱহাৰ কৰিছিল। তেওঁৰ বিৰুদ্ধে তিনিটা গোচৰ আছে। সেই সকলোবোৰৰ বাবে জামিন ল'ব লাগিব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ মতে 'সাংবাদিক'

সংবাদ মাধ্যমৰ ৰেহৰূপ সলনি হৈছে। বিশ্বত এতিয়া ছপা, নিউজ চেনেলৰ সমানে সমানে অনলাইন সংবাদ মাধ্যম তথা ডিজিটেল সংবাদ প্ৰতিষ্ঠানসমূহ সংবাদৰ অন্যতম মাধ্যম হৈ পৰিছে। ৱেবছাইট, মাইক্ৰ ব্লগিং ছাইটসমূহত বাতৰি প্ৰচাৰ কৰা হয়। মোবাইলত উপলব্ধ বাতৰিসমূহে এতিয়া অতি জনপ্ৰিয় আৰু কম সময়ত জনমত গঠন কৰিবলৈ সক্ষম হয়। যাৰ বাবে এতিয়া পৃথিৱীৰ বহু চৰকাৰে ডিজেটল সংবাদ মাধ্যমক ভয় কৰিবলৈ ধৰিছে। অসমতো হয়তো তেনে পৰিৱেশৰ সূচনা হব। মুখ্য ধাৰাৰ সংবাদ প্ৰতিষ্ঠানৰ দুই-এক সংবাদ প্ৰতিষ্ঠানে চৰকাৰৰ বিৰুদ্ধে বা-বাতৰি পৰিৱেশন নকৰে। সেই সময়তে ৰাইজৰ কণ্ঠ হৈ পৰিছে ডিজিটেল প্লেটফৰ্মসমূহ। কিন্তু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ক্ৰছ কাৰেণ্ট নামৰ প্ৰতিষ্ঠানত কৰ্মৰত দিলোৱাৰ হুছেইন মজুমদাৰ নামৰ সাংবাদিকজনৰ গ্ৰেপ্তাৰক লৈ আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পৰ্টেলৰ সাংবাদিকসকল সাংবাদিক নহয় বুলি স্পষ্ট কৰে। মুখ্যমন্ত্ৰীৰ এনে মন্তব্যই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীয়ে দাবী কৰা মতে, পৰ্টেলত কাম কৰা লোকক আমি সাংবাদিক বুলি স্বীকৃতি দিয়া নাই। আমি পঞ্জীয়ন কৰা নাই। পৰ্টেলত কাম কৰা লোক সাংবাদিক নহয়। কিন্তু তথ্য-প্ৰযুক্তি মধ্যস্থতাকাৰী নিৰ্দেশনা আৰু ডিজিটেল মিডিয়া নৈতিকতা সংহিতা নিয়ম, ২০২১ ত নিউজ পৰ্টেলৰ সংজ্ঞা দাঙি ধৰিছে। সংজ্ঞাত কোৱা হৈছে 'বাতৰি আৰু সাম্প্ৰতিক পৰিক্ৰমাৰ বিষয়বস্তুৰ প্ৰকাশক' যিকোনা নামেৰে নামকৰণ কৰা অনলাইন কাকত, পৰ্টেল, বাতৰি সংগ্ৰহকাৰী, বাতৰি সংস্থাক বুজায়। যিয়ে কাৰ্যকৰীভাৱে বাতৰি আৰু সাম্প্ৰতিক পৰিক্ৰমাৰ বিষয়বস্তু প্ৰকাশ কৰে। কিন্তু বাতৰি কাকত, বাতৰি কাকতখনৰ প্ৰতিৰূপ ই-কাকত আৰু কোনো ব্যক্তিক অন্তৰ্ভুক্ত কৰিব নালাগে। এই কেন্দ্ৰীয় আইনখনৰ মতে নিউজ পৰ্টেল বা ডিজিটেল মিডিয়াক ৰাজ্য চৰকাৰৰ পৃথক স্বীকৃতি বা পঞ্জীয়নৰ প্ৰয়োজন নাই। কাৰণ এই আইনখনে নিউজ পৰ্টেল, অনলাইন পেপাৰ আদিক স্বীকৃতি দিয়াৰ কোনো ক্ষমতা ৰাজ্যক দিয়া নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'মোক মাৰা'- মাটিত বহি লৈ উপাচাৰ্যৰ

পৰিস্থিতিৰ সৃষ্টি হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে বিশ্ববিদ্যালয়খনৰ পৰীক্ষা নিয়ন্ত্ৰকৰ দুৰ্ব্যৱহাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ সময়তে উপাচাৰ্যই কোঠাৰ পৰা ওলাই আহি ছাত্ৰসকলক বুজনি দিয়াৰ পৰিৱৰ্তে মাটিত বহি হৈ-হাল্লা কৰাহে দেখা যায় উপাচাৰ্য ড০ ননীগোপাল মহন্তক। মাটিত বহি মোক মাৰিবা নেকি বুলি দম্ভ দেখুওৱা পৰিলক্ষিত হয়। মোক মাৰা, মোক মাৰা বুলি চিঞৰি খোদ উপাচাৰ্যই ছাত্ৰ সমাজক উত্তেজিত হ'বলৈ বাধ্য কৰোৱা পৰিলক্ষিত হয়। উপাচাৰ্যই তেনে আচৰণ কৰাৰ পিছতে পুনৰ বিশ্ববিদ্যালয় চৌহদ উত্তপ্ত হৈ পৰে। প্ৰতিবাদী ছাত্ৰক উপাচাৰ্যগৰাকীয়ে কয় যে মোৰ সৈতে এইবোৰ নচলিব। দুৱাৰত কোনে ঢকিয়াইছে। এজন ছাত্ৰক ফেফেৰি পতা দেখি নিজৰ বুকুত থপৰিয়াই থপৰিয়াই মোৰ সৈতে এইবোৰ নচলিব বুলি কয়। তোমালোকে ১০ মিনিট সময় দিব নোৱাৰা যদি মোক মাৰা বুলি হৈ-হাল্লা কৰে ড০ ননীগোপল মহন্তই। জানিব পৰা মতে, গুৱাহাটী বিশ্ববিদ্যালয়খনৰ পৰীক্ষা নিয়ন্ত্ৰকে আজি একাংশ ছাত্ৰ-ছাত্ৰীক দুৰ্ব্যৱহাৰ কৰিছিল। তাৰ পিছতে বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থা উত্তেজিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ত কাৰ্যালয়ৰ বাহিৰলৈ ওলাই আহি উপাচাৰ্যগৰাকীয়ে ছাত্ৰ সমাজক ধমক দিয়ে। ফলত ছাত্ৰ সমাজ উত্তেজিত হোৱাত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। ছাত্ৰ সমাজে বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক কন্দৰ্প শৰ্মাৰ অপসাৰণৰ দাবী জনায়। প্ৰতিবাদী ছাত্ৰৰ সন্মুখত উপাচাৰ্য ড০ ননীগোপাল মহন্তই কৰা আচৰণে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এগৰাকী উচ্চ শিক্ষানুষ্ঠানৰ মুৰব্বীৰ যদি এনে আচৰণ হয় তেন্তে ছাত্ৰ সমাজক কেনেকৈ পৰিচালিত কৰিব বুলি চৰ্চা চলিছে। ইপিনে ছাত্ৰ আন্দোলনক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে কংগ্ৰেছে। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে শিক্ষা ব্যৱস্থাত বিদ্যায়তনিক পৰিৱেশ লাহে লাহে ধূসৰ হৈ আহিছে। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষা সময়মতে সঠিকভাৱে অনুষ্ঠিত কৰিব নোৱৰাৰ পিছত এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকো সময়মতে পৰীক্ষাৰ মাৰ্কশ্বিট, প্ৰমাণপত্ৰ আদি দিয়াত ব্যৰ্থ হৈছে। যাৰ বাবে আজি বিশ্ববিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ কৰিবলগীয়া হৈছে। এই চৰকাৰখনে কেৱল সাম্প্ৰদায়িক ৰাজনীতিহে ভালকৈ কৰিব পাৰে। আমি চৰকাৰখনক ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত্ ধ্বংস নকৰিবলৈ পুনৰ সকীয়াই দিলো।

# পাণবজাৰ আৰক্ষী থানাত মৌন প্ৰতিবাদ

**ই-সংবাদ, ২৭ মাৰ্চঃ** দিলোৱাৰ হুছেইন মজুমদাৰক পাণবজাৰ আৰক্ষীয়ে দ্বিতীয়টো গোচৰত গ্ৰেপ্তাৰৰ পাছতে পাণবজাৰ আৰক্ষী থানাৰ সন্মুখত একাংশ সাংবাদিকে মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ সাব্যস্ত কৰিছে। সাংবাদিক দিলোৱাৰক আক্ৰোশমূলকভাৱে গ্ৰেপ্তাৰৰ বিৰুদ্ধে পাণবজাৰ আৰক্ষী থানাৰ সন্মুখত মুখত ক'লা কাপোৰ বান্ধি সাংবাদিকে মৌন প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে দিলোৱাৰত মুক্তি দিয়াৰ দাবী উত্থাপন কৰে। কেইবাটাও মিডিয়া হাউছৰ জ্যেষ্ঠ সাংবাদিকৰ সৈতে সাংবাদিকসকলে মৌন প্ৰতিবাদ সাব্যস্ত কৰি এয়া স্বৈৰাচাৰ বুলি অভিহিত কৰে। আজি সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক পুনৰ গ্ৰেপ্তাৰ কৰা হৈছে। অসম সমবায় এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ অভিযোগৰ ভিত্তিত ৰুজু দ্বিতীয়টো গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে। গুৱাহাটীৰ লখৰাস্থিত কেন্দ্ৰীয় কাৰাগাৰৰ ভিতৰতে পাণবজাৰ আৰক্ষীৰ দলে পুনৰ গ্ৰেপ্তাৰ কৰি পাণবজাৰ থানালৈ আনে। দিলোৱাৰ হুছেইনক পাণবজাৰ থানাত ৰখাৰ সময়তে সাংবাদিকসকল উপস্থিত হৈ প্ৰতিবাদ জনায়। এটা গোচৰত আদালতৰ পৰা জামিন লাভ কৰিছিল যদিও এপেক্স বেংকৰ পৰিচালন সঞ্চালকৰ গোচৰত আজি গ্ৰেপ্তাৰ কৰা হয়। পাণবজাৰ আৰক্ষী থানাত ১১১/২৫ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ ৩২৯, ৩২৪(৪), ৩৫১(২), ৩০৯(৪) আৰু ১১৫ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। অসম সমবায় এপেক্স বেংক লিমিটেডৰ পৰিচালনা সঞ্চালকৰ অভিযোগৰ ভিত্তিত পাণবজাৰ আৰক্ষী থানাত ১১১/২৫ নং গোচৰ পঞ্জীয়ন কৰিছিল। এজাহাৰত অভিযোগ কৰা মতে, ২৫ মাৰ্চৰ প্ৰায় ১২.৩০ বজাত দিলোৱাৰ হুছেইনে এপেক্স-অফিচৰ প্ৰথম মহলাত বেআইনীভাৱে প্ৰৱেশ কৰিছিল। বেংকৰ মূল্যৱান নথিপত্ৰ চুৰি কৰিবলৈ চেষ্টা কৰিছিল। ইপিনে মজুমদাৰৰ বিৰুদ্ধে পঞ্জীয়ন কৰা ১১০/২৫ নং গোচৰত ২৫ মাৰ্চত জামিন মঞ্জুৰ কৰিছিল আদালতে। দিলোৱাৰ হুছেইন মজুমদাৰক পুনৰ গ্ৰেপ্তাৰক গুৱাহাটী প্ৰেছ ক্লাবৰ গৰিহণা দিছে। প্ৰেছ ক্লাবে কয় যে গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰক এটা গোচৰত আদালতে জামিন দিয়াৰ পিছত পুনৰবাৰ গ্ৰেপ্তাৰ কৰা ঘটনাত প্ৰেছ ক্লাবে আশ্চৰ্য প্ৰকাশ কৰিছো। গুৱাহাটী প্ৰেছ ক্লাব সকলো সাংবাদিকৰ লগত আছে। সাংবাদিকৰ যিকোনো সমস্যাত প্ৰেছ ক্লাবে সদায় মাত মাতি যাব। দিলোৱাৰ হুছেইন মজুমদাৰক বিনাচৰ্তে অনতিপলমে মুকলি কৰি দিবলৈ প্ৰেছ ক্লাবৰ তৰফৰ পৰা পুনৰবাৰ দাবী জনালো।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

# অৱশেষত ১০০ দিনৰ অন্তত ম্যানমাৰ সীমান্তত প্ৰকাশ চেত্ৰীক মুক্তি

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৭ মাৰ্চঃ** অৱশেষত সম্পূৰ্ণ ১০০ দিনৰ অন্তত প্ৰকাশ বাহাদুৰ চেত্ৰীক মুকলি সন্দেহজনক আলফা (স্বাধীন)ৰ। বৃহস্পতিবাৰে ম্যানমাৰ সীমান্তৰ লংকাত প্ৰকাশ চেত্ৰীক আলফা (স্বাধীন)এ মুকলি কৰি দিয়াৰ পাছতেই আতংকৰ যৱনিকা পৰে। তিনিচুকীয়া জিলাৰ লেখাপানী আৰক্ষী থানাৰ অন্তৰ্গত জাগুনৰ ন-মাইলস্থিত কৃষ্ণ চেত্ৰী ওৰফে ভাই চেত্ৰী নামৰ ব্যৱসায়ীজনৰ ব্যক্তিগত মালিকানাধীন এটা শিল ভঙা উদ্যোগৰপৰা যোৱা ১৮ ডিচেম্বৰৰ পুৱা প্ৰায় ১০ বজাত এখন ডাম্পাৰ গাড়ীত অহা এটা ৭-৮ জনীয়া অস্ত্ৰধাৰী আততায়ীৰ দলে চিনেমাৰ কায়দাৰে প্ৰৱেশ কৰি কৃষ্ণ চেত্ৰীৰ লগতে উদ্যোগটোত মহৰী হিচাপে কৰ্মৰত তথা কৃষ্ণ চেত্ৰীৰ ভতিজাক প্ৰকাশ ছেত্ৰীক অপহৰণ কৰি কৃষ্ণ চেত্ৰীৰ এ এছ ০১ বি এ ৩৩২৩ নম্বৰৰ বগা ৰঙৰ বিলাসী ফৰ্চুনাৰ বাহনত উঠাই অপহৰণ কৰি অসম-অৰুণাচল সীমান্তৰ টিৰাপ নৈয়েদি ৰাৰা গাঁৱৰ দিশে লৈ যায় যদিও পিছত কৃষ্ণ চেত্ৰীক নৈৰ কাষত বাহনসহ এৰি প্ৰকাশ চেত্ৰীক লৈ গভীৰ অৰণ্যৰ দিশে গুচি যায়। উক্ত অপহৰণ কাণ্ডত আলফা (স্বাধীন) জড়িত থকাৰ সন্দেহ কৰা হৈছিল। তিনিমাহৰো অধিক সময় প্ৰকাশ বাহাদুৰ ছেত্ৰীক অপহৰণ কৰি মুকলি কৰি নিদিয়াত ঘৰৰ পৰিয়াল, স্থানীয় ৰাইজৰ লগতে স্থানীয় দল-সংগঠনে বহুবাৰ ভাই ছেত্ৰীৰ ঘৰ ঘেৰাও কৰাৰ উপৰিও সোমবাৰে ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি অপহৃত প্ৰকাশ চেত্ৰীক আলফা (স্বাধীন)ৰ কবলৰপৰা মোকলাই আনিবলৈ দাবী জনাইছিল। কোলাত দুমহীয়া সন্তানকলৈ প্ৰকাশ চেত্ৰীৰ পত্নীৰ লগতে পৰিয়ালে আলফা (স্বাধীন)ৰ সেনাধ্যক্ষ পৰেশ বৰুৱাৰ প্ৰতিচ্ছবিত পূজা-অৰ্চনা কৰি প্ৰকাশ চেত্ৰীক ঘৰলৈ উভতাই পঠাবলৈ কাতৰ প্ৰাৰ্থনা জনাইছিল। সোমবাৰে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে ভাই ছেত্ৰী আৰু চৰকাৰ-প্ৰশাসনৰ বিৰুদ্ধে প্ৰবল প্ৰতিবাদ সাব্যস্ত কৰি অতিশীঘ্ৰে প্ৰকাশ চেত্ৰীক আলফা স্বাধীনৰ কবলৰপৰা মোকলাই আনিবলৈ দাবী জনাইছিল। অৱশেষত আজি সম্পূৰ্ণ ১০০ দিনৰ অন্তত অপহৃত প্ৰকাশ চেত্ৰীক ম্যানমাৰ সীমান্তৰ লংকাত সন্দেহজনক আলফা (স্বাধীন)এ মুকলি কৰি দিয়াৰ খবৰ লাভ কৰাত ম্যানমাৰ সীমান্তৰ ঘোৰ অৰণ্যৰপৰা তিনিচুকীয়া আৰক্ষীয়ে প্ৰকাশ চেত্ৰীক উদ্ধাৰ কৰি জিম্মাত লয়। আৰক্ষীৰ সূত্ৰৰপৰা এই সন্দৰ্ভত এইপৰ্যন্ত বিশেষ কোনো তথ্য লাভ কৰা নাই। আৰক্ষীয়ে প্ৰকাশ চেত্ৰীক উদ্ধাৰ কৰি আবেলি স্থানীয় জাগুন আৰক্ষী চকীলৈ আনে। ১০০ দিনৰ অন্তত নিজ গৃহত উপস্থিত হোৱা প্ৰকাশ চেত্ৰীক পাই পৰিয়ালৰ লোকে এতিয়া স্বস্তিৰ নিশ্বাস পেলাইছে। উল্লেখ্য যে অপহৰণকাৰীৰ দলটিয়ে শিল ভঙা উদ্যোগটোৰ পৰা খুৰাক ভাই চেত্ৰী আৰু ভতিজাক প্ৰকাশ চেত্ৰীক অপহৰণ কৰি নিয়াৰ সময়ত দলটিয়ে লৈ গৈছিল খুৰাক কৃষ্ণ চেত্ৰীৰ অনুজ্ঞা-পত্ৰযুক্ত ব্যক্তিগত পিষ্টল, এটা আইফোন আৰু গাত পৰিহিত সোণৰ অলংকাৰ।



## জ্যেষ্ঠ নাগৰিকৰ সকলো সা-সুবিধা পুনৰ প্ৰৱৰ্তনৰ দাবী জনালে চৰকাৰক

# বংশৰত কামৰূপ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অধিৱেশন সম্পন্ন

**ই-সংবাদ, বংশৰ, ২৭ মাৰ্চঃ** কামৰূপ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ নৱম বাৰ্ষিক অধিৱেশনখন যোৱা ২৬ মাৰ্চত দিনজোৰা কাৰ্যসূচীৰে বংশৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত কামৰূপ জিলাৰ বংশৰ গাঁৱৰ হিমাশ্ৰী ভৱনত অনুষ্ঠিত হৈ যায়। অধিৱেশন উপলক্ষে বিশিষ্ট শিক্ষাবিদ ড° হৰমোহন দাস আৰু নকুল নাথে বন্তি প্ৰজ্বলনেৰে দিনটোৰ কাৰ্যসূচী মুকলি কৰে। পুৱা ১০ বজাত সন্মিলনৰ পতাকা উত্তোলন কৰে জিলা সভাপতি নৰেন্দ্ৰ শৰ্মাই। ইয়াৰ পিছতে জিলা আৰু শাখা সন্মিলনৰ অন্তৰ্গত বিভিন্নগৰাকী প্ৰয়াত সদস্যৰ স্মৃতিবেদীত বন্তি প্ৰজ্বলন কৰে জিলাৰ কাৰ্যকৰী সভাপতি ৰমেন চৌধুৰীয়ে। পুষ্পাঞ্জলি প্ৰদান কাৰ্যসূচী মুকলি কৰে বংশৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি কনক দাস আৰু উপ-সভাপতি হৰেন্দ্ৰ ৰাজবংশীয়ে। পুৱা ১১ বজাৰপৰা কামৰূপ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বিভিন্ন শাখাৰপৰা অহা প্ৰতিনিধিৰে প্ৰতিনিধি সভা অনুষ্ঠিত হয়। দুপৰীয়া আহাৰ গ্ৰহণৰ অন্তত বিয়লি ২ বজাৰপৰা অনুষ্ঠিত হয় মুকলি সভা। জিলা সভাপতি নৰেন্দ্ৰ শৰ্মাৰ সভাপতিত্বত আৰম্ভ হোৱা মুকলি সভাত আদৰণি ভাষণ আগবঢ়াই আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি গোলোক চন্দ্ৰ দাসে। কণ্ঠশিল্পী কৰিস্মা দাসৰ এটি ভক্তিমূলক গীতেৰে আৰম্ভ হোৱা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যকৰী সভাপতি বানেশ্বৰ খাউণ্ড আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সন্মিলনৰ প্ৰধান সম্পাদক প্ৰসন্ন কুমাৰ বৰঠাকুৰ। আমন্ত্ৰিত অতিথি হিচাপে অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ চিকিৎসক ডাঃ কাৰ্তিক চন্দ্ৰ মেধিয়ে বক্তব্য ৰাখি সমাজত মূল্যবোধ সৃষ্টিত জ্যেষ্ঠ নাগৰিকৰ এক বৃহৎ কৰণীয় আছে বুলি মন্তব্য কৰি তাৰবাবে সমাজৰ জ্যেষ্ঠসকল সু-সংগঠিত হোৱাৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য আগবঢ়ায়। সভাত বৰ্তমানৰ চৰকাৰে জ্যেষ্ঠ নাগৰিকসকলে লাভ কৰি থকা পৰিবহণ ভাড়াৰ পঞ্চাশ শতাংশ ৰেহাই, বিনামূলীয়া স্বাস্থ্য সেৱা, ঔষধ ক্ৰয়ৰ ক্ষেত্ৰত ৰেহাই মূল্য আদি সুবিধা কৰ্তন কৰাত উদ্বেগ প্ৰকাশ কৰে আৰু শীঘ্ৰে সুবিধাসমূহ পুনৰ প্ৰৱৰ্তনৰ বাবে দাবী উত্থাপন কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। সভাৰ অন্তত সম্পাদক কৰুনাকান্ত বৈশ্যই সকলোকে ধন্যবাদ প্ৰদান কৰি শলাগ লয়।

# নামনি মাজুলীৰ বৰালিমৰাত শিশুৰ সলিল সমাধি

**ই-সংবাদ বিশেষ, মাজুলী, ২৭ মাৰ্চঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ বৰালিমৰাত আজি পুৱা শ্ৰৱণ কুমাৰ দলে নামৰ এজন কণমানি ছাত্ৰৰ খেৰকটীয়া সুঁতিত সলিল সমাধি ঘটে। ঘটনাৰ তথ্য অনুসৰি বৰালীমৰা প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰজনে আজি পুৱা খেৰকটীয়া নৈৰ সুঁতিৰ বৰালিমৰা বিলৰ কলবাৰী জানত গা ধুই থাকোঁতেই সলিল সমাধি ঘটে। বৰালিমৰা গাঁৱৰ সত্য দলে আৰু অৰবী দলেৰ জ্যেষ্ঠ পুত্ৰ শ্ৰৱণ কুমাৰ দলেয়ে আজি পুৱা আঠমান বজাত নিজৰ কনিষ্ঠ ভাতৃসহ গাঁৱৰ তিনিজন কিশোৰৰ লগত উক্ত কলবাৰী জানত গা ধুই আছিল। কিন্তু আকস্মিকভাৱে শ্ৰৱণ কুমাৰ জানটোৰ নামনিৰ দ' পানীত সোমাই যায়। শ্ৰৱণ কুমাৰৰ পাঁচ বছৰীয়া ভাতৃও পানীত একেলগে গা ধুই আছিল। কিন্তু তেওঁক গাঁৱৰ কেইজনমান যুৱকে পানীৰপৰা পাৰলৈ আনে। কিন্তু শ্ৰৱণ কুমাৰ পানীত ডুব যোৱাৰ লগে লগে লগৰীয়া এজনে তেওঁৰ ভৰিত ধৰিছিল যদিও উদ্ধাৰ কৰিব



নোৱাৰিলে। কণমানি ছাত্ৰজন পানীত ডুব যোৱা দেখি লগৰকেইজনে চিঞৰ-বাখৰ কৰাত ওচৰৰ পথাৰত ধান চিকুনাই থকা মানুহে নদীৰ সুঁতিটোত শ্ৰৱণ কুমাৰক বিচাৰি চলাথ কৰিলে যদিও কোনো সন্ধান নাপালে। তাৰপিছত গাঁৱৰ ৰাইজে মাজুলীৰ এছ ডি আৰ এফ বাহিনীক খবৰ দিয়াত বাহিনীটো ঘটনাস্থলীত উপস্থিত হয় আৰু সুঁতিটোৰ পানীৰ তলত অনুসন্ধান কৰে। এছ ডি আৰ এফৰ লোকসকলে আজি সন্ধিয়ালৈকে শ্ৰৱণ কুমাৰৰ মৃতদেহ বিচাৰি সকলোতে চলাথ কৰে যদিও কোনো সন্ধান লাভ কৰা নাই। বৰালিমৰা গাঁৱৰ ৰাইজেও সুঁতিটোৰ পাৰত মৃতদেহ বিচাৰি চলাথ কৰিছে। আনহাতে, শ্ৰৱন কুমাৰ দলেৰ পিতৃ সত্য দলে আৰু মাতৃ অৰবী দলেয়ে জ্যেষ্ঠ পুত্ৰক হেৰুৱাই কান্দি কান্দি অচেতন হৈ পৰিছে। আজি পানীত সলিল সমাধি ঘটা শ্ৰৱন কুমাৰ দলেয়ে পিতৃ মাতৃ, এজন ভাতৃ আৰু তিনি গৰাকী বায়েকক এৰি থৈ গৈছে। তৃতীয় শ্ৰেণীৰ ছাত্ৰজনৰ সলিল সমাধি ঘটাত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। আজি সন্ধিয়ালৈকে এছ ডি আৰ এফৰ দলটোৱে ছাত্ৰজনৰ সন্ধান চলায় আছে, কিন্তু ৰাতিৰ আন্ধাৰ হোৱাৰ বাবে অভিযান স্থগিত ৰখা হয়। ছাত্ৰজনৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# শুক্লাইত প্ৰথমখন ড্ৰাইভিং স্কুলৰ শুভ উদ্বোধন

**ই-সংবাদ, গোৰেশ্বৰ, ২৭ মাৰ্চঃ** গোৰেশ্বৰৰ শুক্লাইত আজি অসমৰ প্ৰথমখন চৰকাৰী স্বীকৃতিপ্ৰাপ্ত ড্ৰাইভিং স্কুলৰ উদ্বোধন কৰা হয়। দুপৰীয়া বি টি আৰৰ পৰিৱহণ বিভাগৰ কাৰ্যবাহী সদস্য তথা ২৯ নং শুক্লাই চেৰফাং পৰিষদীয় সমষ্টিৰ পাৰিষদ ৰনেন্দ্ৰ নাৰ্জাৰীয়ে ফিটাকাটি শুক্লাই ড্ৰাইভিং স্কুলখনৰ উদ্বোধন কৰে। তদুপলক্ষে উক্ত স্কুলৰ মুকলি মঞ্চত কৰণ চেত্ৰীৰ পৰিচালনাত অনুষ্ঠিত ড্ৰাইভিং স্কুল উদ্বোধনী সভাত ই এম ৰনেন্দ্ৰ নাৰ্জাৰীয়ে কয়-- বি টি আৰৰ ই এমৰ দায়িত্ব লোৱাৰ পিছতেই যান-বাহনৰ দুৰ্ঘটনাত বহুতো মানুহ অকালতে মৃত্যু হোৱা দেখিছো। যান-বাহন চলোৱাৰ নিয়ম-কানুন ভালদৰে নজনাৰ ফলতো বহুত দুৰ্ঘটনা হয়। দুৰ্ঘটনাত মৃত্যু হোৱাসকলৰ পৰিয়ালবোৰলৈও ঘোৰ অমানিশা নামি অহা দেখিছো। শুক্লাই ড্ৰাইভিং স্কুলখনত আটাইবোৰ যান-বাহন চলোৱাৰ শিক্ষা লাভ কৰি বহুতো নিবনুৱা যুৱক-যুৱতীয়ে কৰ্মসংস্থাপনৰ পথও মুকলি হ'ব বুলি আশাপ্ৰকাশ কৰে ই এম নাৰ্জাৰীয়ে। চলিত বৰ্ষত প্ৰায় আঠশজনক ড্ৰাইভিঙৰ শিক্ষা দিয়াৰ লক্ষ্য স্থিৰ কৰি লোৱা হৈছে বুলিও কয় নাৰ্জাৰীয়ে। শ্ৰীজেকেৰ এম অ'ই উদ্দেশ্য ব্যাখ্যা কৰা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে কয় যে ড্ৰাইভিং স্কুলখনে বহুতৰ বাবে জীৱীকাৰ বাট মুকলি কৰিব। বি টি আৰৰ পাৰিষদ পবিত্ৰ কুমাৰ বড়োৱে উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি বি টি আৰৰ শুক্লাইত প্ৰমোদ বড়োৰ নেতৃত্বাধীন বি টি আৰৰ চৰকাৰৰ ড্ৰাইভিং স্কুলখন স্থাপনত বিশেষ অৰিহনা থকাৰ কথা উল্লেখ কৰাৰ লগতে বিগত চাৰিটা বছৰত বি টি আৰৰ সৰ্বস্তৰৰ ৰাইজৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা কামৰ কিছু খতিয়ান দাঙি ধৰে। বাক্সা জিলাৰ পৰিৱহন বিষয়া শ্ৰুতি পৰাশৰেও পথ সুৰক্ষা আৰু যান-বাহন চলোৱাৰ নিয়মৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি ভাষণ দিয়ে। সভাত গোৰেশ্বৰ ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া ট্ৰিলীনা টাইডেও চমুকৈ শুভেচ্ছামূলক ভাষণ দিয়ে। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে শুক্লাই ড্ৰাইভিং স্কুলৰ অধ্যক্ষ এছ পি লুইটেলে। উক্ত সভাত উপস্থিত থাকে বি টি আৰৰ পৰিবহণ বিভাগৰ যুটীয়া আয়ুক্ত, শুক্লাই ড্ৰাইভিং স্কুলৰ চি অ' ৰফিকুল ইছলাম, ইউ পি পি এল নেতা মইদুল ইছলাম আদি। উল্লেখ্য যে উক্ত ড্ৰাইভিং স্কুলত নামভৰ্তিৰ বাবে আজি প্ৰায় আঢ়ৈশ প্ৰ-পত্ৰ পূৰণ কৰা হয়।

# তিনিচুকীয়াত সাংবাদিকৰ ক'লা দিন পালন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৭ মাৰ্চঃ** এপেক্স বেংকৰ দুৰ্নীতিৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা জ্যেষ্ঠ সাংবাদিক, অধিবক্তা দিলোৱাৰ হুছেইন মজুমদাৰক পানবজাৰ আৰক্ষীয়ে এক মনেসজা গোচৰত গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত আজি বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থা আৰু জাৰ্ণেলিষ্ট ইউনিয়ন অব আছাম, চমুকৈ জুৱাৰ তিনিচুকীয়া জিলা সমিতিয়ে বাণিজ্যিক চহৰ তিনিচুকীয়াৰ সদৰ থানা চাৰিআলিত ক'লা বেজ পৰিধান কৰি ক'লা দিন কাৰ্য্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদত দিলোৱাৰ হুছেইনৰ ওপৰত জাপি দিয়া মনেসজা গোচৰ প্ৰত্যাহাৰ কৰিবলৈ আৰু সাংবাদিকৰ স্বাধীনতা সুৰক্ষিত কৰি সাংবাদিকসকলক নিৰাপত্তা প্ৰদান কৰিবলৈ দাবী জনায়। কাৰ্যসূচীত বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থাৰ সভাপতি জিতুল দত্ত, সাধাৰণ সম্পাদক প্ৰশান্ত খাটোৱাল, জাৰ্ণেলিষ্ট ইউনিয়ন অব আছামৰ ৰাজ্যিক উপ-সভাপতি ৰূপম কাকতি, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাণাদ্বীপ দুৱৰা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ পাপু দত্তও উপস্থিত থাকে। কাৰ্য্যসূচীত চৰকাৰ বিৰোধী বিভিন্ন শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# কলগাছিয়াৰ হালধীয়াত ভয়ংকৰ অগ্নিকাণ্ড

**ই-সংবাদ, কলগাছিয়া, ২৭ মার্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত হালধীয়া গাঁৱত বুধবাৰে নিশাৰ ভাগত এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। এই অগ্নিকাণ্ডত এটা খেৰৰ দম সম্পূৰ্ণৰূপে জুইত জাহ যোৱাৰ লগতে কথমপি ৰক্ষা পৰে কেইবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ। ঘটনাক কেন্দ্ৰ কৰি অঞ্চল ব্যাপী চাঞ্চল্যৰ সৃষ্টি হয়। জানিব পৰা মতে, হোছেন আলী নামৰ এজন ব্যক্তিৰ খেৰৰ দমত হঠাৎ জুই জ্বলি উঠে। লগে লগে জুইৰ শিখা চাৰিওফালে বিয়পি পৰে আৰু এক হুৱা-দুৱা পৰিৱেশৰ সৃষ্টি হয়। স্থানীয় ৰাইজে দৌৰি আহি জুই নুমাবলৈ চেষ্টা অব্যাহত ৰাখে যদিও ওচৰতে খাল, বিল, পুখুৰী আদি নথকাত দমকলৰ পানীৰে কোনোমতে জুই নিৰ্বাপণ কৰে। ইফালে, অগ্নিকাণ্ড সংঘটিত হোৱাৰ লগে লগেই কলগাছিয়াৰ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়া হয় যদিও হালধীয়া গাঁওখনত ৰাস্তা মেৰামতিৰ কাম চলি থকাত ঠায়ে ঠায়ে ৰাস্তাৰ ওপৰত ডাম্পাৰেৰে শিল পেলাই ৰাস্তা বন্ধ কৰি থোৱাত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী প্ৰায় ৫ কিলোমিটাৰ ঘূৰি ঘটনাস্থলীত পলমকৈ উপস্থিত হয়। ফলত খেৰৰ দম সম্পূৰ্ণৰূপে ভস্মীভূত হয় যদিও কথমপি ৰক্ষা পৰে কেইবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ। অৱশ্যে এই অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও বাটৰুৱা ৰাইজৰ বিড়ি-চিগাৰেটৰ জুইৰ পৰা এই অগ্নিকাণ্ড সংঘটিত হ'ব পাৰে বুলি একাংশ লোকে সন্দেহ প্ৰকাশ কৰিছে। অগ্নিকাণ্ডটোত লক্ষাধিক টকাৰ ক্ষতি হোৱা বুলি জানিবলৈ দিছে ভুক্তভোগীয়ে।

## কলগাছিয়াৰ শাওৰাচৰাত মৰণ ফান্দত পৰিণত এখন জৰাজীৰ্ণ কাঠৰ দলং

**ই-সংবাদ, কলগাছিয়া, ২৭ মার্চঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত শাওৰাচৰা ৰিজাৰ্ভ গাঁৱত মৰা বেঁকী নদীৰ ওপৰত থকা এখন জৰাজীৰ্ণ কাঠৰ দলঙে জীয়াতু ভোগাইছে কেইবাখনো গাঁৱৰ ৰাইজক। যুগ যুগ ধৰি ভঙা কাঠৰ দলংখন মৰণ ফান্দত পৰিণত হৈ আছে যদিও স্থানীয় জনপ্ৰতিনিধি তথা জিলা প্ৰশাসনে কোনো ধৰণৰ গুৰুত্ব আৰোপ কৰা নাই। ফলত শাওৰাচৰা, চিকনি, জাউৰীমাৰী, জনতা, বালিকুৰি, খেল্লী আদি প্ৰায় ৭/৮ খন ৰাজহ গাঁৱৰ হাজাৰ হাজাৰ লোকে মৰণক শৰণ দি যাতায়াত কৰিব লগা হৈছে। শাওৰাচৰা বজাৰ, শাওৰাচৰা এলপি স্কুল, শাওৰাচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, শাওৰাচৰা উপ-স্বাস্থ্য কেন্দ্ৰলৈ দৈনিক শ শ লোকৰ লগতে সহস্ৰাধিক স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে যাতায়াত কৰিব লগা হয়। জৰাজীৰ্ণ দলংখনৰ ওপৰেদি একেলগে দুখন বাহন পাৰ হ'ব নোৱাৰে। দলংখনেৰে চাৰিচকীয়া বাহন দূৰৈৰ কথা বাইক, ই-ৰিক্সা আদি পাৰ হ'বলৈ হ'লেও দলংখন ভূমিকম্প অহাৰ দৰে কঁপি থাকে। দলংখনৰ দুয়ো কাষে ৰেলিং নথকাত মাজে মাজে ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। পৰিতাপৰ বিষয় যে, নিৰ্বাচনৰ সময়ত ভোটৰ বাবে জনপ্ৰতিনিধিসকলে ৰাইজক মিছা প্ৰলোভনেৰে ভোট লৈ যায় যদিও জয়ী হোৱাৰ পিছত ৰাইজৰ খবৰ ল'বলৈ পাহৰি যায়। দলংখন মেৰামতিৰ বাবে স্থানীয় জনপ্ৰতিনিধিক কেবাবাৰো অৱগত কৰা হৈছিল যদিও কোনো সুফল লাভ কৰা নাই। শীঘ্ৰে দলংখন পকীকৰণ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক কাতৰ আহ্বান জনাইছে স্থানীয় ভুক্তভোগী ৰাইজে।

## চাবুৱাত পথ দুৰ্ঘটনাত মহিলা মৃত্যু

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৭ মার্চঃ** বৃহস্পতিবাৰে দুপৰীয়া চাবুৱাৰ খাঁজিখোৱাত সংঘটিত শোকাবহ পথ দুৰ্ঘটনাত এগৰাকী মহিলা নিহত হয়। ১৫নং চাৰিলেনেৰে ডিব্ৰুগড়-তিনিচুকীয়া অভিমুখী এ এছ-২৩ এ বি-২৬৯৪ নম্বৰৰ স্কুটিখনেৰে যাত্ৰা কৰি থকাৰ সময়তে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ ডিভাইডাৰত খুন্দা মৰাৰ ফলত মহিলাগৰাকী আঘাতপ্ৰাপ্ত হয় বুলি স্থানীয় লোকে অনুমান কৰে। আহত মহিলাগৰাকীক চিকিৎসালয়লৈ নিয়াৰ পথত মহিলাগৰাকীৰ মৃত্যু হয়। মহিলাগৰাকীয়ে কঢ়িয়াই অনা সামগ্ৰীৰ পৰা লাভ কৰা তথ্য অনুসৰি মৃত মহিলাগৰাকী তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা-ডিগবৈৰ ৩নং বৰবিলৰ চেনেহী বৰুৱা। মহিলাগৰাকীৰ সৈতে পাছফালৰ আসনত এগৰাকী পুৰুষ আছিল আৰু ঠিকনা জানিব পৰা হোৱা নাই। পুৰুষজনো আঘাতপ্ৰাপ্ত হৈছে আৰু দুয়োকে অসম চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ প্ৰেৰণ কৰা হয়।

## লাহোৱালত ৰে'লৰ খুন্দাত বৃদ্ধৰ মৃত্যু

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৭ মার্চঃ** লাহোৱাল আৰক্ষী থানাৰ অন্তৰ্গত বকুলত সংঘটিত হৈছে এক ভয়ংকৰ দুৰ্ঘটনা। আজি দুপৰীয়া ৰে'লৰ খুন্দাত মৃত্যু হয় এজন বৃদ্ধৰ। বকুল ৰে'লৰে ক্ৰচিঙত সংঘটিত হয় এই ঘটনা। নাহৰলগুনৰ পৰা অহা ৰে'লৰ খুন্দাত মৃত্যু হয় ৬০ৰ উৰ্ধৰ বৃদ্ধ ব্যক্তিগৰাকীৰ। মৃত ব্যক্তিজন বৰ্তমানলৈকে চিনাক্ত হোৱা নাই। ঘটনাস্থলীত লাহোৱাল আৰক্ষীৰ লগতে ৰে'লৱে আৰক্ষী বাহিনী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। ৰে'ল আৰক্ষী আৰু লাহোৱাল আৰক্ষীয়ে অচিনাক্ত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## চাবুৱা আঞ্চলিক ৰঙালী বিহুৰ ৰাজহুৱা সভা সম্পন্ন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৭ মার্চঃ** ডিব্ৰুগড় জিলাৰ অন্যতম হিচাপে বিবেচিত ঐতিহ্যমণ্ডিত বিহু সন্মিলন তথা চাবুৱা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ ৬৮ সংখ্যক সন্মিলনখনিৰ আয়োজন সন্দৰ্ভত কালি এখনি গুৰুত্বপূৰ্ণ সভা চাবুৱা পৌৰসভাৰ স্থায়ী প্ৰেক্ষাগৃহত শিক্ষাবিদ হৰনাথ দুৱৰাৰ পৌৰোহিত্যত অনুষ্ঠিত হৈ যায়। প্ৰণৱ জ্যোতি দত্তই আঁত ধৰা সভাখনত ৬৮ সংখ্যক সন্মিলনখনি অনুষ্ঠিত কৰাৰ সন্দৰ্ভত উপস্থিত ৰাইজৰ মাজত আলোচনা কৰা হয়। সভাত সৰ্বসন্মতিক্ৰমে ৪, ৫ আৰু ৬ মে'ত তিনিদিনীয়াকৈ সন্মিলনখন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। চাবুৱা পেট্ৰ'ল পাম্পৰ সমীপত হ'বলগীয়া সন্মিলনখনিৰ সফল ৰূপায়ণৰ বাবে নৰেন দিহিঙীয়াক সভাপতি, ব্ৰজেন বৰুৱা আৰু জগজীৱন গগৈক কাৰ্যকৰী সভাপতি, ৰূপম দত্তক মুখ্য সম্পাদক, মৃদুপৱন গগৈ, প্ৰণৱ জ্যোতি দত্ত আৰু ভাস্কৰ্য গগৈক সম্পাদক, টুলবুল গগৈ আৰু দুৰ্লভ ফুকনক সাংস্কৃতিক সম্পাদক, লিলেন মৰাণক বিত্ত, জয়ন্তজিৎ বৰুৱাক স্মৃতিগ্ৰন্থৰ মুখ্য সম্পাদক, আৰবাজ আহম্মেদ আৰু কাশ্যপ মাউতক সম্পাদক আৰু অনুপম বুঢ়াগোহাঁইক প্ৰতিযোগিতা বিভাগৰ মুখ্য সম্পাদক হিচাপে লৈ এখনি বৃহৎ কলেৱৰৰ উদযাপন সমিতি গঠন কৰে। কালি সভাখনত প্ৰশান্ত নেওগ, ডাঃ যতীন গগৈ, ব্ৰজেন বৰুৱা, নৰেণ দিহিঙীয়া, জয়ন্ত সন্দিকৈ, বাবুল গোহাঁই, নৃপেন চন্দ্ৰ গোহাঁই, জগজীৱন গগৈ, ড০ হেমন্ত কুমাৰ দাস, ৰূপম দত্ত, জয়ন্তজিৎ বৰুৱা, বাপন পাল, অনুপম বুঢ়াগোহাঁই, পূৰ্ণ জ্যোতি দত্ত, টুলবুল গগৈকে ধৰি বহু কেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

## লক্ষীমাৰীত খেতি নষ্ট কৰাৰ বাবে গো-হত্যা

**ই-সংবাদ, গোলকগঞ্জ, ২৭ মার্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত কুটি লক্ষীমাৰী দ্বিতীয় খণ্ড গাঁৱত আজি এটি গো-পোৱালিক খেতি নষ্ট কৰাৰ অপৰাধত মৰিয়াই হত্যা কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গাঁওখনৰ দেলদাৰ আলী সেখৰ দমৰা পোৱালি এটা কালি এৰাল ছিঙি কাষৰীয়া নুলু ৰায়ৰ ধান খেতি নষ্ট কৰে। নুলুৱে পোৱালিটোক ধৰি নিৰ্মমভাৱে মাৰপিট কৰি খোৱাৰত জমা দিয়ে। খোৱাৰৰ পৰা লৈ অহাৰ পিছতে গো-পোৱালিটো অসুস্থ হৈ পৰে। আজি পোৱালিটোৰ মৃত্যু হোৱাত দেলদাৰে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে।

# ডিব্ৰুগড় সাহিত্য সভাৰ সাহিত্য দিৱস আৰু সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ স্মৃতি দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ মাৰ্চঃ** নিজ মাতৃভাষাৰ উন্নতিৰ বাবে সাহিত্য সৃষ্টিক এক প্ৰত্যাহ্বান হিচাপে লৈ কবিতা, গল্প, উপন্যাস, ৰস ৰচনা, সমালোচনা সাহিত্য, সাধুকথা আদি সকলো বিভাগতে আহুকলীয়া পৰিস্থিতি তথা প্ৰতিকূলতাৰ মাজতো সাহিত্য সৃষ্টি কৰি থৈ যোৱা সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ গীতি সাহিত্যৰ বিষয়ক লৈ এক সুন্দৰ অৱলোকন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপিকা তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড০ ভূপেন হাজৰিকা পৰিবেশ্য কলা কেন্দ্ৰৰ অধ্যক্ষ ড০ পল্লৱী ডেকা বুজৰবৰুৱাই। ডিব্ৰুগড় সাহিত্য সভা আৰু ডিব্ৰুগড় সাহিত্য সভাৰ গ্ৰন্থাগাৰ উপ-সমিতিৰ সৌজন্যত ২৬ মাৰ্চত অনুষ্ঠিত হোৱা সাহিত্য দিৱস আৰু সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ স্মৃতি দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সাহিত্যিক ড০ পল্লৱী ডেকা বুজৰবুৰুৱাই অসমীয়া ভাষাক অসমত পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদানৰ বিষয়ে উল্লেখ কৰি তেওঁৰ গীতি সাহিত্য অসমীয়া সাহিত্যত এক বিশেষ স্থান দখল কৰি থকা বুলি কয়। তেওঁৰ গীতবোৰত দেশপ্ৰেম, প্ৰকৃতি, প্ৰেম, মানৱতা আদি বিভিন্ন বিষয়বস্তু প্ৰতিফলিত বুলি কয়। বেজবৰুৱাৰ গীতত অসমৰ প্ৰতি গভীৰ দেশপ্ৰেমৰ প্ৰতিফলনৰ লগতে তেওঁৰ গীতত অসমৰ মনোৰম প্ৰকৃতিৰ বিষয়ে আকৰ্ষণীয় বৰ্ণনা আৰু তেওঁৰ গীতত প্ৰেমৰ বিষয়েও সুন্দৰভাৱে প্ৰতিফলন হোৱাৰ বিষয়ে উল্লেখ কৰি তেওঁৰ উল্লেখযোগ্য কেইবাটাও গীত ডিব্ৰুগড়বিশ্ববিদ্যালয়ৰ পৰিবেশ্য কলা কেন্দ্ৰৰ সহকাৰী অধ্যাপক বিশিষ্ট অনাতাঁৰ শিল্পী অৰুণ হাজৰিকাই ভাষণৰ মাজে মাজে পৰিৱেশন কৰি সমগ্ৰ অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা সাহিত্য দিৱস আৰু মিত্ৰদেৱ মহন্তৰ স্মৃতি দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকি ডিব্ৰুগড় বৌদ্ধ বিহাৰৰ মুখ্য ভিক্ষু সুমেধানন্দ ভিক্ষুয়ে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় সদ্য বিদায়ী ভুৱন গোস্বামীয়ে। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট গল্পকাৰ জ্যোতি বৰগোহাঁইৰ সভাপতিত্ব অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে। আদৰণি ভাষণ প্ৰদান কৰে ডিব্ৰুগড় সাহিত্য সভাৰ গ্ৰন্থাগাৰ উপ-সমিতিৰ উপদেষ্টা তথা লামডিং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা আৰাধনা দত্তই। ডিব্ৰুগড় সাহিত্য সভাৰ মহিলা সদস্যা সকলৰ দ্বাৰা চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক গীত, পৰিৱেশন কৰি সৌষ্ঠৱ বৃদ্ধি কৰা অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায় ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱাই।

# মৰাকুজিয়াৰ আৱৰ্জনা নিষ্কাষণ অভিযান

**ই-সংবাদ, অভয়াপুৰী, ২৭ মাৰ্চঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী চহৰৰ মাজত অৱস্থিত মৰা-কুঁজিয়া নৈখনৰ আৱৰ্জনা নিষ্কাষণ অভিযান চলাই থকাৰ মাজতে নৈখন পুনৰ আৱৰ্জনাস্থলী নহ'বৰ বাবে অভয়াপুৰী পৌৰসভাই আজি অনুজ্ঞাপত্ৰবিহীন ব্যৱসায় প্ৰতিষ্ঠান তথা একাংশ হোটেল-ৰেষ্টুৰেণ্টৰ বিৰুদ্ধে অভিযান চলায়। জানিব পৰা মতে, চহৰখনৰ ৬ খন হোটেল-ৰেষ্টুৰেণ্টত অভিযান চলোৱাত ইয়াৰে ৩ খন ৰেষ্টুৰেণ্টত আৱৰ্জনা তথা লেতেৰা পানী নিষ্কাষণৰ কোনো সুব্যৱস্থা নথকাত কুজিয়া নৈখনত পেলাই পৰিৱেশ দূষিত কৰাৰ বাবে ব্যৱসায়িক প্ৰতিষ্ঠানকেইখনৰ বিৰুদ্ধে জৰিমনা বিহে। আনপিনে, চহৰখনত অনুজ্ঞাপত্ৰবিহীনভাৱে তথা অনুজ্ঞাপত্ৰ নবীকৰণ নকৰাকৈ ব্যৱসায় চলাই অহা ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধেও অভিযান চলাই জৰিমনা বিহাৰ লগতে আৱৰ্জনা নিষ্কাষণৰ ব্যৱস্থা নথকা ফাৰ্মাচী বা পলিক্লিনিকৰ বিৰুদ্ধেও অভিযান চলোৱা হ'ব বুলি পৌৰসভা কৰ্তৃপক্ষই জানিবলৈ দিয়ে। পৌৰসভাই আকৌ জানিবলৈ দিয়া মতে, যদি কোনো লোকে অভয়াপুৰী মৰা-কুজিয়াত আৱৰ্জনা পেলাই থকা অৱস্থাত কোনো নাগৰিকে ফটো তুলি পৌৰসভা কৰ্তৃপক্ষক জমা দিয়ে তেন্তে তেওঁক পুৰস্কৃত কৰিব। পুতিগন্ধময় হৈ পৰা কুজিয়া নৈখন খনন, আৱৰ্জনা নিষ্কাষণ তথা বেদখল মুক্ত কৰি পুনৰ বোৱতী কুজিয়াত পৰিণত কৰাৰ বাবে দীৰ্ঘদিন ধৰি চৰকাৰৰ ওচৰত দাবী জনাই আহিছিল চহৰখনৰ বাসিন্দাই।

# যোগিৰমহল গাঁও পঞ্চায়তত ধনৰ বিনিময়ত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিৰ অভিযোগ

ই-সংবাদ, পৰ্বতঝোৰা, ২৭ মাৰ্চঃ শেহতীয়াকৈ ৰাজ্য চৰকাৰৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিত যোগ্য আৰু দৰিদ্ৰ পৰিয়ালক বঞ্চিত কৰি ব্যাপক ধন সংগ্ৰহৰে হিতাধিকাৰীক একাংশ চেলা চামুণ্ডাই ব্যাপক ধন সংগ্ৰহ কৰি প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰি ধনী শ্ৰেণীক অৰুণোদয় আঁচনিত বাছনি কৰাৰ অভিযোগত ক্ষোভত ফাটি পৰিছে যোগিৰমহল গাঁও পঞ্চায়তৰ প্ৰতিটো খণ্ডৰ ভুক্তভোগী ৰাইজে। উল্লেখ্য যে সমজিলা বিলাসীপাৰাৰ মহামায়া উন্নয়ন খণ্ডৰ অধীনস্থ যোগিৰমহল গাঁৰৰ মধ্যভোগী দালাল আনোৱাৰ হুছেইন, আবু ছিদ্দিক, আবু বক্কাৰ, আলী আজমে যোগিৰমহল প্ৰথম আৰু দ্বিতীয় খণ্ড গাঁৱত ব্যাপক পৰিমাণৰ ধন সংগ্ৰহ কৰি যোগ্য, অতি দৰিদ্ৰ, বিধৱা আৰু দিব্যাংগ ব্যক্তিক বঞ্চিত কৰি আহিছে। উক্ত মধ্যভোগী দালাল আনোৱাৰ হুছেইন, আবু ছিদ্দিক, আবু বক্কাৰ, আলী আজমে অসম আঁচনিত বাছনি সমিতিৰ সদস্যৰ হোৱাৰ সুবাদতে নিজৰে অঙহী বঙহীৰ নাম সন্নিৱিষ্ট কৰাৰো ভয়াৱহ অভিযোগ উত্থাপিত হৈছে।

# সংস্কৃতিৰ সাধক কৃষ্ণ ৰয়লৈ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ডক্টৰেট ডিগ্ৰী

**ই-সংবাদ, ভৱানীপুৰ, ২৭ মাৰ্চঃ** ভট্টদেৱ বিশ্ববিদ্যালয়ে অসম সৌৰভ বঁটাপ্ৰাপক কৃষ্ণ ৰয়লৈ ডক্টৰেট ডিগ্ৰী অহা ২৯ মাৰ্চত হ'বলগীয়া বিশ্ববিদ্যালয়খনৰ প্ৰথম দীক্ষান্ত সমাৰোহত অৰ্পণ কৰিব। কলা-সংস্কৃতিলৈ অপৰিসীম সেৱা আগবঢ়াই অহা কৃষ্ণ ৰয়লৈ এই সন্মান অসমৰ ৰাজ্যপাল তথা ভট্টদেৱ বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ উপস্থিতিত প্ৰদান কৰা হ'ব এই ডিগ্ৰী। অসমীয়া ভাষাৰ চিনেমাৰ শিতানত 'দীনবন্ধু' বোলছবিৰ বাবে ২০০৪ চনত ৰজতকমল বঁটা আগবঢ়োৱাৰ লগতে অসমীয়া সংস্কৃতি আৰু ভ্ৰাম্যমাণ থিয়েটাৰলৈ অনবদ্য অৱদানৰ আগবঢ়োৱা বাবে অসমৰ ৰাজ্যপালে অসম সৌৰভ বঁটা প্ৰদান কৰিছিল কৃষ্ণ ৰয়ক। ৰয়ৰ অগ্ৰণী নেতৃত্বতে আৱাহন থিয়েটাৰৰ মাধ্যমেৰে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰে সাংস্কৃতিক জগতত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। ৰয়ৰ অৱদান কলা-সংস্কৃতিৰ উপৰি চলচ্চিত্ৰ আৰু সমাজ জীৱনতো অপৰিসীম।



## যজ্ঞ মহোৎসৱ উদ্বোধন কৰিব মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই

# বৰনৰ্দ্দীৰ ১০৩ সংখ্যক শ্ৰী শ্ৰী মহাবিষ্ণু যজ্ঞৰ আয়োজন

**ই-সংবাদ, নলবাৰী, ২৭ মাৰ্চঃ** অসমৰ অতি প্ৰচীন সৰ্ববৃহৎ পশ্চিম নলবাৰী অঞ্চলৰ ৰাজহুৱা বৰনৰ্দ্দীৰ শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞ অহা ১২ এপ্ৰিলৰ পৰা ১৬ এপ্ৰিললৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপনৰ ব্যাপক আয়োজন কৰা হৈছে। এইবেলি ১০৩ সংখ্যক যজ্ঞ মহোৎসৱখন সুকলমে পৰিচালনা কৰাৰ বাবে দেৱদাস শৰ্মাক সভাপতি, ৰঞ্জন কুমাৰ ডেকাক কাৰ্যকৰী সভাপতি আৰু অৱনী ডেকাক সম্পাদক হিচাপে লৈ আন দহখন উপ-সমিতিৰে উদযাপন সমিতিখন গঠন কৰা হৈছে। যজ্ঞ মহৎসৱৰ প্ৰথম দিনা ১২ এপ্ৰিলৰ পুৱা ৫ বজাৰ পৰা সূৰ্যাস্তলৈ চাৰি প্ৰহৰ ব্যাপি সংকীৰ্তন অনুষ্ঠিত হ'ব। ৮ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব মহাবিষ্ণু যজ্ঞ ধামৰ স্থায়ী সভাপতি তিলক শৰ্মাই। ৮.৩০ বজাত ভগৱান চন্দ্ৰ ডেকাকে ধৰি কুৰিজনৰো অধিক বিশিষ্ট সমাজকৰ্মীয়ে স্মৃতি তৰ্পণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ইপিনে, ৯ বজাত গছপুলি ৰোপণৰ পাছতে সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলনত মুখ্য প্ৰজ্বলিকা হিচাপে উপস্থিত থাকিব নলবাৰী জিলা আয়ুক্ত বৰ্ণালী ডেকাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। আনহাতে, উক্ত দিনাই সন্ধিয়া ৬.৩০ বজাত মহাবিষ্ণু যজ্ঞ মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান মহোৎসৱৰ সভাপতি দেৱদাস শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব। উদ্বোধক হিচাপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব স্থানীয় বিধায়ক তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ লগতে প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ বসন্ত কুমাৰ বৈশ্য। উক্ত অনুষ্ঠানতে 'মহাবিষ্ণু' বাৰ্ষিক গ্ৰন্থ উন্মোচন কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰযুক্তি গুৰু ড০ শিখৰ কুমাৰ শৰ্মাই। নিশা ৯ বজাত আয়োজন কৰা হৈছে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। একেদৰে ১৩, ১৪, ১৫ আৰু ১৬ এপ্ৰিলত বিভিন্ন মাংগলিক অনুষ্ঠানৰ লগতে ধৰ্মীয় সভা, বেদস্তুতি, ঊষাকীৰ্তন, আহুতি প্ৰদান, বিভিন্ন প্ৰতিযোগিতাৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰিছে উদ্যোক্তাসকলে। ১৩ এপ্ৰিলৰ পুৱা ৫ বজাত ঊষাকীৰ্তন, বেদস্তুতি, ৮ বজাত যজ্ঞ মহোৎসৱৰ ধৰ্মীয় শোভাযাত্ৰা উদ্বোধন কৰিব নলবাৰী জিলা পৰিষদৰ প্ৰাক্তন অধ্যক্ষা নিভা বৰুৱাই। পুৱা ১০ বজাত সদৌ অসম ভিত্তিত কামৰূপীয়া আৰু গোৱালপৰীয়া লোকগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১১ বজাত যজ্ঞৰ অগ্নি আহৰণ, অগ্নি স্থাপন আৰু আহুতি প্ৰদান। সন্ধিয়া ৬ বজাত কুৰিজনৰো অধিক বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ পাছতে সন্ধিয়া ৬.৩০ বজাত অসমী পাপেট থিয়েটাৰে অনুষ্ঠান পৰিৱেশন কৰিব। ইয়াৰ পাছতে বিভিন্ন মাংগলিক অনুষ্ঠান নাম প্ৰসংগ আদি অনুষ্ঠিত কৰা হ'ব। একেদৰে ১৪ এপ্ৰিলৰ পুৱা ৫.৩১ বজাত ঊষাকীৰ্তন, ৭ বজাত বেদস্তুতি, ৮ বজাত আহুতি প্ৰদান আৰু পূজা অৰ্চনা, ৯ বজাত সামূহিক উপনয়ন, ৯.৩০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, দুপৰীয়া ১২ বজাত এখনি ধৰ্মালোচনা সভা আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হ'ব। অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক ড০ শ্ৰীকান্ত শৰ্মা শাস্ত্ৰীৰ সঞ্চালনাত অনুষ্ঠিতব্য সভাত আলোচক হিচাপে উপস্থিত থাকিব নলবাৰী জিলা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালক ডাঃ কৈলাশ ডেকা, কুমাৰভাস্কৰ বাৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন কোষাধ্যক্ষ ড০ হেমেন শৰ্মা আৰু একেখন বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক ড০ বিকাশ ভাৰ্গৱ শৰ্মা। উক্ত সভাতে পাঁচগৰাকীকৈ লোকক সম্বৰ্ধনা জনোৱা হ'ব। সিদিনা আবেলি ৪ বজাত ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন, ৬.৩০ বজাত নাগাৰা নাম আৰু নিশা ৯.৩০ বজাত ৰাজগুৰু মিনি থিয়েটাৰৰ দ্বাৰা নাট্যাভিনয় প্ৰদৰ্শন কৰা হ'ব। ১৫ এপ্ৰিলৰ দিনা পুৱা ৫.০১বজাত ঊষা কীৰ্তন, ৭ বজাত বেদস্তুতি, ৮ বজাত আহুতি প্ৰদান আৰু পূজা অৰ্চনা, ৯ বজাত চণ্ডীস্তোত্ৰ পাঠ ১০ বজাত সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা। আবেলি ৫ বজাত শংখধ্বন (পুৰুষৰ বাবে) আৰু উৰুলি প্ৰতিযোগিতা (মহিলাৰ বাবে) অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলনৰ লগতে নিশা ৮ বজাত নাগাৰা নাম প্ৰদৰ্শিত হ'ব। নিশা ১০.৩০ বজাত নটৰাজ এমেচাৰ থিয়েটাৰৰ দ্বাৰা নাট্যাভিনয় অনুষ্ঠিত হ'ব। ১৬ এপ্ৰিলত যজ্ঞ মহোৎসৱৰ সামৰণিৰ দিনা পুৱা ৫ বজাত ঊষাকীৰ্তন, ৭ বজাত বেদস্তুতি, ৮ বজাত আহুতি আৰু পূজা-অৰ্চনা, ১১ বজাত পূৰ্ণাহুতি প্ৰদান, ১.৩০বজাত সমূহীয়া ভোগ বিতৰণ, সন্ধিয়া ৫ বজাত নাগাৰা নাম পৰিৱেশন, নিশা ৯ বজাত সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় গায়িকা মৰ্মিতা মিত্ৰৰ সংগীতানুষ্ঠানৰ লগতে গান্ধৰ্ব সাংস্কৃতিক গোষ্ঠীৰ অনুষ্ঠানেৰে ১০৩ সংখ্যক যজ্ঞ মহোৎসৱৰ সামৰণি পৰিব। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী পৱিত্ৰ কুমাৰ ডেকাই।

# গোলকগঞ্জত গংগাধৰত গা ধুবলৈ গৈ সন্ধানহীন শিশু

**ই-সংবাদ, গোলকগঞ্জ, ২৭ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ চহৰৰ সমীপৰ পুৱ গাইখোৱা প্ৰথম খণ্ড গাঁৱত আজি দুপৰীয়া বাৰ বজাত গংগাধৰ নদীত গা ধুবলৈ গৈ এটি শিশু সন্ধানহীন হোৱা ঘটনাত অঞ্চলটোত গভীৰ শোঁকৰ ছা পৰিছে। সন্ধানহীন শিশুটি গাঁওখনৰ ৰজব আলীৰ পুত্ৰ নুৰ মহম্মদ (১১)। জানিব পৰা মতে, শিশুটি আন দুই লগৰ সমনীয়াৰ সৈতে গা ধুবলৈ গৈছিল। গা ধুই থাকোঁতে গভীৰ পানীত ডুব যায়। লগৰ দুজন চিঞৰ-বাখৰ কৰাত স্থানীয় ৰাইজ গোট খাই শিশুটিক উদ্ধাৰৰ বাবে পানীত ডুবি, জাল পেলাই যৎপৰোনাস্তি চেষ্টা চলাইও বিফল হয়। গোলকগঞ্জ আৰক্ষী ঘটনাস্থলীত হৈ এছডিআৰএফ বাহিনীক খবৰ দিয়ে। এছডিআৰএফ বাহিনী পুৱ গাইখোৱাৰ পৰা ভাৰত-বাংলাদেশ সীমান্তৰ কেদাৰ, বিন্নাচৰা লৈকে উদ্ধাৰ অভিযান চলাইও কোনো সন্ধান উলিয়াবলৈ সক্ষম নহয়। সন্ধিয়া হোৱাত আজি উদ্ধাৰ অভিযান সমাপ্ত কৰে। কাইলৈ পুনৰ উদ্ধাৰ অভিযান চলাব বুলি জানিব পৰা গৈছে। ইমান এটা ডাঙৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতো গোটেই দিনে এজন প্ৰশাসনীক মুৰব্বী ঘটনাস্থলীত উপস্থিত হোৱাৰ আহৰি নোপোৱা ঘটনাই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# মাৰ্ঘেৰিটাত একেদিনাই ১৪ টা কামৰ আধাৰশিলা স্থাপন

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২৭ মাৰ্চঃ** আজি মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মাই বহুকেইটা আঁচনিৰ কামৰ আধাৰশিলা শুভ উদ্বোধন কৰে। পুৱা ভাগতেই বিধায়ক শৰ্মাই মাকুমপথাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৪ নং মাকুমপথাৰত দুটা পকী পথৰ লগতে মাৰ্ঘেৰিটা কালীবাড়ীত এখন পানী যোগান আঁচনি আৰু মাৰ্ঘেৰিটাৰ নামদাং বস্তি লাইন পথৰ আধাৰশিলা শুভ উদ্বোধন কৰে। বিধায়ক ভাস্কৰ শৰ্মাই সমষ্টিটোত বিভিন্ন আঁচনিৰ অধীনত একেদিনাই ১৪ টাতকৈ অধিক আধাৰশিলা শুভ উদ্বোধন কৰা হ'ব বুলি জানিবলৈ দিয়ে। দিনজোৰা কাৰ্যসূচীয়ে আৰম্ভ কৰা আধাৰশিলা স্থাপন অনুষ্ঠানত বিধায়ক শৰ্মাক বিধায়ক প্ৰতিনিধি দিছেন টিপমীয়া, পৌৰপতি আনন্দ কুমাৰ শৰ্মা, বিজেপি সদৰ মণ্ডলৰ সভাপতি সুমন খালেন, ব্লক মণ্ডলৰ সভাপতি সুখদেৱ শৰ্মা, টাউন মণ্ডলৰ সভাপতি ধীৰাজ সোণোৱালসহ বিজেপিৰ দলৰ বহু সংখ্যক কাৰ্যকৰ্তাই সহযোগিতা আগবঢ়ায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# চতিয়াৰ মালৰ গাঁৱৰ শিৱ মন্দিৰত চোৰৰ হাতোঁৰা

**ই-সংবাদ, চতিয়া, ২৭ মাৰ্চঃ** চতিয়াৰ বিভিন্ন স্থানৰ নামঘৰ, মন্দিৰ, মছজিদ আদি ধৰ্মীয় অনুষ্ঠানত সঘনে চুৰি কাৰ্য সংঘটিত হৈ আহিছিল যদিও বিগত ৬ মাহ মান এনে কাৰ্য কিছু কমিছিল। কিন্তু পুনৰ বুধবাৰে নিশা চতিয়াৰ মালৰ গাঁৱত নতুনকৈ প্ৰতিষ্ঠা কৰা শিৱ মন্দিৰত চোৰে প্ৰৱেশ কৰি মন্দিৰৰ দান পাত্ৰকে আদি কৰি মন্দিৰৰ সকলো সম্পত্তি লুটি নিয়ে। আজি পুৱা মন্দিৰৰ ওচৰৰ লোকে প্ৰত্যক্ষ কৰে মন্দিৰৰ দৰ্জা খোলা থকা। লগে লগে অঞ্চলটোত এই খবৰ বিয়পি পৰাত দুখত ভাঙি পৰিছে ধৰ্মপ্ৰাণ ৰাইজ। চতিয়াৰ মালৰ গাঁৱৰ বৰপুখুৰী পাৰত অস্থায়ী এভাগ শিৱ মন্দিৰত পূজা-অৰ্চনা কৰি আহিছিল কিন্তু তাৰ কাষতেই এটি স্থায়ী শিৱ মন্দিৰ নিৰ্মাণ কৰি বিগত শিৱৰাত্ৰিৰ দিনা শিৱ মন্দিৰ ভাগ লোৱা হৈছিল এই মন্দিৰত। এই চুৰি কাৰ্যৰ ঘটনা সহজভাৱে গ্ৰহণ কৰিব পৰা নাই ধৰ্মপ্ৰাণ ৰাইজে। মন্দিৰত চুৰি কাৰ্য সংঘটিত হোৱাৰ লগে লগে চতিয়া আৰক্ষীক খবৰ দিয়া হয় আৰু ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। অঞ্চলটোৰ ৰাইজে চতিয়া আৰক্ষীক ধৰ্মীয় অনুষ্ঠানসমূহত এনে কাৰ্য সংঘটিত কৰা চোৰৰ গেংটোক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে।

# পোকালাগীত গো মাংসক কেন্দ্ৰ কৰি উত্তেজনা

**ই-সংবাদ, গোলকগঞ্জ, ২৭ মাৰ্চঃ** গোলকগঞ্জ সমজিলাৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত পোকালাগী চতুৰ্থ খণ্ড গাঁৱত আজি অজ্ঞাত লোকে সন্দেহজনক গো-মাংস পেলোৱাক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হয়। অভিযোগ মতে, অসাধু চক্ৰই পশ্চিমবংগ পোকালাগী সংলগ্ন পথটো নিষিদ্ধ গো-মাংস সৰবৰাহৰ কৰিডৰত পৰিণত কৰিছে। নিতৌ পুৱতি নিশা উক্ত পথটোৰে বাইক স্কুটীত পশ্চিমবংগৰ পৰা গো-মাংস কঢ়িয়াই আনি যোগান ধৰি আহিছে গৌৰীপুৰ, ধুবুৰীত। স্থানীয় ৰাইজে হালাকুৰা আৰক্ষীক বাৰে বাৰে অৱগত কৰিও কোনো সুফল লাভ কৰা নাই। অসন্তুষ্ট ৰাইজে কেইবাবাৰো গো-মাংস সৰবৰাহকাৰীক আটক কৰি ইতিমধ্যে আৰক্ষীক গতাই দিয়ে। তৎসত্বেও পথটোৰে অব্যাহত আছে অবৈধ সৰবৰাহ। আজি পুৱা ভেলাগুৰি চাটাম হৰিমন্দিৰৰ পৰা পোকালাগী চতুৰ্থ খণ্ড গাঁৱলৈ গোটেই পথটোত স্থানীয় ৰাইজে গো-মাংস সিঁচৰতি হৈ থকা প্ৰত্যক্ষ কৰে। ইয়াক কেন্দ্ৰ কৰি অঞ্চলটোৰ ৰাইজে পৰিস্থিতি উত্তাল কৰি তোলে। পিছত ঘটনাস্থলীত হালাকুৰা আৰক্ষী উপস্থিত হৈ সন্দেহজনক গো-মাংসখিনি উদ্ধাৰ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।



২০২৫ বৰ্ষত অনুষ্ঠিত গুণোৎসৱৰ ফলাফল ঘোষণা অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ সৈতে আন সতীৰ্থ মন্ত্ৰীসকল, ফটো বৃহস্পতিবাৰৰ

# অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় নেত্ৰী দিপ্তীমণি দেৱীৰ মৃত্যু

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৭ মাৰ্চঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মহিলা নেত্ৰী, সৰবৰহী মহিলা, অভিনেত্ৰী দিপ্তীমণি দেৱী(৪২)ৰ আকস্মিক মৃত্যুত নলবাৰীত গভীৰ শোকৰ ছাঁ পৰিছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদৰ ৰাজ্যিক সমিতিৰ সাহিত্য সম্পাদিকা দিপ্তীমণি দেৱীয়ে কালি নলবাৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত এটা সাধাৰণ অস্ত্ৰোপচাৰ কৰিববলৈ লোৱাৰ পূৰ্বে অকাল মৃত্যুক আঁকোৱালি ল'বলগীয়া হয়। জানিব পৰা মতে, জাতীয় সংগঠনৰ মহিলা নেত্ৰীগৰাকীয়ে কালি পুৱা তেওঁৰ স্বামী অনংগ ভূষণ শৰ্মাৰ সৈতে বাইকেৰে গৈ অস্ত্ৰোপচাৰৰ বাবে নলবাৰীৰ মেডিনোভা নামৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি হয়। আবেলি তেওঁক অস্ত্ৰোপচাৰ কৰাৰ বাবে চিকিৎসালয়খনৰ অস্ত্ৰোপচাৰ কোঠাত প্ৰৱেশ কৰোৱা হয়। সেই সময়তে হঠাতে তেওঁ শ্বাস-প্ৰশ্বাসত কিছু অসুবিধা পোৱা বুলি চিকিৎসকে দিপ্তীমণি দেৱীৰ স্বামীক জনায়। পিছত চিকিৎসকে উক্ত সময়ত দিপ্তীমণিক অক্সিজেন দিয়াৰ ব্যৱস্থা কৰে যদিও পিছত দিপ্তীমণিৰ অৱস্থা বেয়াৰ ফালে গতি কৰাত চিকিৎসকে উক্ত চিকিৎসালয়ত আই চি ইউৰ ব্যৱস্থা নোহোৱাৰ দোহাই দি নলবাৰীৰ নতুনকৈ মুকলি হোৱা ব্যক্তিগত খণ্ডৰ চিকিৎসালয় নৱদীপ হাস্পতাললৈ প্ৰেৰণ কৰে। উক্ত চিকিৎসালয়ৰ জৰুৰীকালীন কোঠাত চিকিৎসাৰ বাবে দীপ্তিমণিক লৈ যোৱা হয় যদিও, তাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। সৰবৰহী মহিলাগৰাকীৰ মৃত্যুত নলবাৰীত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কিয়নো নলবাৰীৰ এখন আগশাৰীৰ চিকিৎসালয় 'মেডিনোভা'ত আই চি ইউৰ ব্যৱস্থা নহোৱাকৈ কেনেকৈ চিকিৎসা সেৱা আগবঢ়াই আছে, তাকলৈ এতিয়া বহু প্ৰশ্ন উঠিছে। ইফালে, বুধবাৰে সন্ধিয়া বৰনৰ্দ্দী নিবাসী দিপ্তীমণি দেৱীৰ নশ্বৰদেহ নিজ বাসগৃহলৈ লৈ অহা হয় আৰু পিছত মহিলা নেত্ৰীগৰাকীৰ বাসগৃহত বহু গুণমুগ্ধ লোকৰ উপস্থিতিত নলবাৰী জিলাৰ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ লগতে নলবাৰী জিলা সমিতি, জাতীয় মহিলা পৰিষদ, যুৱ ছাত্ৰ পৰিষদৰ উত্তৰ পকোৱা আঞ্চলিক সমিতি, সদৌ নলবাৰী জিলা সাংবাদিক সন্থা, ওৱাৰিঅৰচ নলবাৰী জিলা সমিতি, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থা, বৰনৰ্দ্দী প্ৰেছ ক্লাব, মিলন জোতি সংঘ, বৰনৰ্দ্দী মহাবিষ্ণু যজ্ঞ সমিতি আদি একাধিক অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ সমবেদনা জ্ঞাপন কৰে।

# ছিপাঝাৰত ৰাইজলৈ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীৰ ঈদৰ উপহাৰ

**ই-সংবাদ, পশ্চিম দৰং, ২৭ মাৰ্চঃ** ছিপাঝাৰৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীয়ে আজি সমষ্টিটোৰ এঘাৰটাকৈ গাঁও পঞ্চায়ত এলেকাত এক প্ৰকাৰ চমক দি কেইবাটাও গুৰুত্বপূৰ্ণ পথ নিৰ্মাণৰ শুভাৰম্ভ কৰি ৰাইজক ঈদৰ উপহাৰ আগবঢ়ায়। পুৱা ১০ বজাত সমষ্টিটোৰ দেৱানন্দ গাঁও পঞ্চায়তত প্ৰথমটো পথ নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰি ইয়াৰ পিছত হাজৰিকাপাৰা, তুৰাই, বৰমপুৰ, বুঢ়ীনগৰ, দিপীলা, চেঙেলীয়াঝাৰ, দুনী, বোনমাঝা আৰু বুঢ়া গাঁও পঞ্চায়তত পথ নিৰ্মাণৰ শুভাৰম্ভণি কৰে। ইয়াৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত বড়িগাঁও চেঙেলীয়াঝাৰ লোক নিৰ্মাণ পথৰ বাঘমাৰা-ঘোপেলী এল পি স্কুল সংযোগী পথটো ২০২৪-২৫ বৰ্ষৰ এনৰেগা আঁচনিৰ অধীনত প্ৰায় ৩৩ লাখ টকা ব্যয়ে চি চি ব্লক পথ নিৰ্মাণৰ শুভাৰম্ভ কৰে বিধায়ক ড০ পৰমানন্দ ৰাজবংশীয়ে। ছিপাঝাৰ উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়াই আঁত ধৰা অনুষ্ঠানত বিধায়কগৰাকীক চেলেং চাদৰ, ফুলাম গামোচাৰে আদৰণি জনোৱাৰ পিছত ৰাইজৰ আগত বিধায়ক ৰাজবংশীয়ে ৰাইজৰ অনুৰোধ ৰক্ষা কৰি পথটো চি চি ব্লক পথ হিচাপে নিৰ্মাণৰ ব্যৱস্থা কৰা বুলি উল্লেখ কৰি একেদিনাই সমষ্টিটোৰ আন দহখন গাঁও পঞ্চায়তততো কেবাখনো নিৰ্মাণ আঁচনিৰ শুভাৰম্ভ কৰা বুলি প্ৰকাশ কৰি এয়া ৰাইজক ঈদৰ উপহাৰ দিয়া বুলিও মন্তব্য কৰে। ইফালে, দীৰ্ঘদিন ধৰি ৰাইজে যাতায়াতত ভোগ কৰি অহা যমৰ-যাতনা বিধায়কগৰাকীয়ে উপশমৰ ব্যৱস্থা কৰাত উপস্থিত সকলোৱে বিধায়ক ড০ পৰমানন্দ ৰাজবংশীক ধন্যবাদ জনায়। অনুষ্ঠানত বিধায়কগৰাকীৰ লগত মুখ্য কাৰ্যবাহী অভিযন্তা, ছিপাঝাৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ভৃগুপতি বয়কে ধৰি ভালে কেইগৰাকী বিজেপি দলৰ কৰ্মকৰ্তা উপস্থিত আছিল।

## কামৰূপ জিলাত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে নিয়ন্ত্ৰণ কক্ষ স্থাপন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২৭ মাৰ্চঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই নিৰ্বাচনৰ সৈতে জড়িত যিকোনো অভিযোগ দাখিলত সহায় হোৱাকৈ কামৰূপ জিলা প্ৰশাসনে এক নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। এই নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ হৈছে ০৩৬১-১০৭৭। সাধাৰণ ৰাইজ তথা ৰাজনৈতিক দলৰ লোকে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচন সংক্ৰান্তীয় কোনো অভিযোগ থাকিলে, তেনে অভিযোগ দাখিলৰ বাবে কামৰূপ জিলা প্ৰশাসনক এই নম্বৰত ফোন কৰিব পাৰিব।

## ছিপাঝাৰৰ ঐতিহাসিক শানপাৰা দেৱালয়ত বসন্ত উৎসৱৰ আয়োজন

**ই-সংবাদ, ছিপাঝাৰ, ২৭ মাৰ্চঃ** ইতিহাস প্ৰসিদ্ধ পাল বংশীয় ৰজাৰ দিনতে স্থাপিত তথা দৰং জিলাৰ ছিপাঝাৰৰ শানপাৰা গাঁওস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী শানপাৰা দেৱালয়ত অহা ২৬, ২৭, ২৮ আৰু ২৯ এপ্ৰিলত চাৰিদিনীয়া বৰ্ণাঢ্য কাযসূচীৰে বাৰ্ষিক বসন্ত উৎসৱভাগি উদযাপিত হ'ব। সেই অনুসৰি ৯ এপ্ৰিলত পুৱা মংগলাচৰণেৰে আৰম্ভ হৈ ক্ৰমে স্বচ্ছ অভিযান, গছপুলি ৰোপণ, বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰ পিছত সন্ধিয়া বিষয় বাছনি সভাৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ অন্ত পৰিব। একেদৰে ১০ এপ্ৰিলত প্ৰভাত ফেৰী, স্মৃতি তৰ্পণ আৰু ধৰ্মধ্বজা উত্তোলনৰ পিছত দিনটো দেৱালয়ৰ যথাবিধি মাংগলিক পূজা-অৰ্চনাৰ পিছত সন্ধিয়া আৰতি, ওজাপালিৰ সমান্তৰালভাৱে নাম-প্ৰসংগ ৰূপায়িত হ'ব। ইয়াৰ পিছত দেৱালয়ৰ পুখুৰীৰ পাৰত বন্তি প্ৰজ্জ্বলন, ভোটা প্ৰজ্জ্বলন আৰু নিশা ন বজাত ভক্তিপ্ৰাণ ৰাইজে ভোগ গ্ৰহণ কৰিব। ১১ এপ্ৰিলত পুৱা প্ৰভাত ফেৰীৰ পিছত দেৱী মন্দিৰত দেৱীৰ পূজা-অৰ্চনাৰে পঠা, হাঁহ, পাৰ, কণী আদি উছৰ্গা, স্তোত্ৰ পাঠ, আয়তী নাম আৰু দেৱালয় সংলগ্ন শানপাৰা পুখুৰীত জলপূজা ভাগি অনুষ্ঠিত হ'ব। আনহাতে, বিষ্ণু মন্দিৰত বিষ্ণু পূজা আৰু যথাবিহিত হোম যজ্ঞৰ পিছত অনুষ্ঠিত হ'ব এখন ধৰ্মালোচনা সভা। ধীৰেন্দ্ৰ কুমাৰ শৰ্মাই উদ্বোধন কৰিবলগীয়া সভাখনত সভাপতিত্ব কৰিব ছিপাঝাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তীৰ্থ নাথ শৰ্মাই। আনহাতে, বিশিষ্ট অতিথি হিচাপে ড০ পৰমানন্দ ৰাজবংশী আৰু ড০ জয়নাথ শৰ্মাৰ বিপৰীতে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব বিশিষ্ট জ্যোতিষী ৰাজীৱ শৰ্মা। একেদৰে আমন্ত্ৰিত অতিথি হিচাপে থাকিব পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত দাস, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, হামৰেং জিলাৰ উপায়ুক্ত সাৰংগপাণি শৰ্মা আৰু জ্যেষ্ঠ অধিবক্তা বসন্ত কুমাৰ শৰ্মা। ধৰ্মালোচনা সভাৰ মাজতে অনুষ্ঠিত হ'ব সম্বৰ্ধনা অনুষ্ঠান আৰু মুখপত্ৰ 'বসন্ত সুৰভি' আৰু গ্ৰন্থ উন্মোচন। চাৰিও দিনৰ কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে দেৱালয় পৰিচালনা সমিতিৰ লগতে আয়োজক সমিতিয়ে।

# ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচনৰ বাবে কামৰূপ জিলাত ড্ৰাই ডে ঘোষণা

**ই-সংবাদ, কলগাছিয়া, ২৬ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বনঘুগি গাঁৱৰ পৰা মঙলবাৰে নিশাৰ ভাগত কুখ্যাত আই পি এল জুৱাৰী নজৰুল ইছলামক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। জুৱা চলি থকা অৱস্থাত বনঘুগিৰ নিজ গৃহৰ পৰা হাতে-লোটে জুৱাৰী নজৰুল ইছলামক গ্ৰেপ্তাৰ কৰে যদিও নজৰুলৰ ভাতৃ ৰফিকুল ইছলাম ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চল ব্যাপী তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, কলগাছিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিব্য কমল দত্তৰ নেতৃত্বত এটা আৰক্ষীৰ দলে গোপনঅভিযান চলাই জুৱা খেলি থকা অৱস্থাত বনঘুগিৰ নিজ গৃহৰ পৰা হাতে লোটে গ্ৰেপ্তাৰ কৰে জুৱাৰীজনক। উল্লেখ্য যে, এনে অবৈধ জুৱা খেল চলি থকাত বনঘুগি অঞ্চলত চুৰি ডকাইতি, অসামাজিক কাৰ্যকলাপ বৃদ্ধি পাবলৈ ধৰিছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। সম্প্ৰতি কলগাছিয়া আৰক্ষীৰ এই বৃহৎ সফলতাক ভূয়সী প্ৰশংসা কৰাৰ লগতে আৰক্ষীক স্থানীয় ৰাইজে ধন্যবাদ জনাইছে। তদুপৰি এনে জুৱাৰীক কঠোৰ শাস্তি প্ৰদান কৰাৰ লগতে শীঘ্ৰে জুৱা খেল কঠোৰ হাতেৰে নিৰ্মূল কৰিবলৈ দাবী জনাইছে ৰাইজে।

# কামৰূপত অহা ৩১ মাৰ্চত দিনজোৰা কাৰ্যসূচীৰে জিলা দিৱস উদযাপনৰ আয়োজন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২৭ মাৰ্চঃ** কামৰূপ জিলাৰ ঐতিহ্য আৰু গৰিমাময় যাত্ৰাক ৰোমন্থন কৰি বিগত বছৰকেইটাৰ দৰে চলিত বৰ্ষতো অহা ৩১ মাৰ্চত কামৰূপ জিলা দিৱসটি উদযাপন কৰিবলৈ লোৱা হৈছে। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত উক্ত দিনা কেইবালানিও কাৰ্যসূচীৰে জিলা দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। জিলা দিৱসৰ কাৰ্যসূচী ৩১ মাৰ্চৰ পুৱা আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা আগিয়াঠুৰী পাহাৰলৈ এক ট্ৰেকিং কাৰ্যসূচীৰে শুভাৰম্ভণি কৰা হ'ব। পুৱা ৬ বজাত এই ট্ৰেকিং কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। পৰৱৰ্তী কাৰ্যসূচীৰ অংশস্বৰূপে আমিনগাঁও ৰে'লৱে খেলপথাৰত পুৱা ১০ বজাত এখনি উদ্যান শস্য আৰু আত্মসহায়ক গোটৰ মেলাৰ উদ্বোধন কৰিব কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞাই। লগতে পুৱা ১১ বজাত এখনি স্বাস্থ্য মেলা উদ্বোধন কৰিব কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই। পুৱা ১১.৩০ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জিলা দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি আমিনগাঁও ৰে'লৱে খেলপথাৰত দিনৰ ২ বজাত এখনি মুকলি সভাও অনুষ্ঠিত হ'ব। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা, বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী, দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদবিজুলী কলিতা মেধি, ৰঙিয়া বিধানসভা সমষ্টিৰ বিধায়ক ভবেশ কলিতা, কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, হাজো বিধানসভা সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ছয়গাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ আৰু বকো বিধানসভা সমষ্টিৰ বিধায়িকা নন্দিতা দাস। মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব বিশিষ্ট লেখক তথা সমালোচক ময়ূৰ বৰা। আবেলি ৪ বজাত সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয়ৰ উদ্যোগত আমিনগাঁও ৰে'লৱে খেলপথাৰতে এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ইয়াৰ উপৰি কামৰূপ জিলা দিৱসৰ সৈতে সংগতি ৰাখি ২৯ মাৰ্চত দিনৰ ২ বজাত আমিনগাঁৱৰ গুৱাহাটী বায়'টেক পাৰ্কত এক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিব স্কীলফিনিটি (SKILLFINITY)ৰ প্ৰতিষ্ঠাপক অঞ্জন চৌধুৰী। জিলা দিৱসৰ সকলো কাৰ্যসূচীত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সকলো জিলাবাসী ৰাইজৰ সক্ৰিয় সহযোগিতা আৰু অংশগ্ৰহণ কামনা কৰিছে।

# লেঙা-কুৰুৱাত নদীৰ বালিভৰ্তি ডাম্পাৰ জব্দ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৭ মাৰ্চঃ** কামৰূপ-দৰং সীমান্তৰ লেঙা-কুৰুৱাত বন বিভাগে যোৱা নিশা অভিযান চলাই এখন অবৈধভাৱে নদীৰ বালিমাটি কঢ়িওৱা ডাম্পাৰ জব্দ কৰে। প্ৰাপ্ত বাতৰি অনুসৰি কুৰুৱা বনাঞ্চলিক বিষয়া পৰিস্মিতা শৰ্মাৰ নিৰ্দেশমৰ্মে বীট বিষয়া (বনপালক ১) আমিনুৰ ৰহমানৰ নেতৃত্বত বন বিভাগৰ তহলদাৰী দলটোৱে যোৱা নিশা প্ৰায় ১ বজাত এ এছ-০২ চি চি-৩৬১৯ নম্বৰৰ নদীৰ বালিভৰ্তি ডাম্পাৰখন জব্দ কৰে। অবৈধভাৱে নদীৰ বালিমাটি খনন আৰু সৰবৰাহৰ ক্ষেত্ৰত কঠোৰ নিষেধাজ্ঞা বলৱৎ থকাৰ পিছতো একাংশ অসাধু ব্যৱসায়ীয়ে লেঙা-কুৰুৱা অঞ্চলত ব্ৰহ্মপুত্ৰ আৰু বৰনৈৰ বুকুত অবৈধভাৱে বালিমাটি খনন আৰু সৰবৰাহ কৰি অহাৰ অভিযোগৰ ওপৰত ভিত্তি কৰিয়ে কুৰুৱা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ে এনেদৰে অভিযান চলাই অবৈধভাৱে নদীৰ মাটি সৰবৰাহ কৰা ডাম্পাৰখন জব্দ কৰিবলৈ সক্ষম হয়।

# চাবুৱাৰ এশ বিশ বছৰীয়া চাহ ফেক্টৰীত অগ্নিকাণ্ড



**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৭ মাৰ্চঃ** বুধবাৰে নিশা এক ভয়ংকৰ অগ্নিকাণ্ডৰ ফলত চাবুৱাৰ ঐতিহাসিক ১২০ বছৰীয়া দিনজয় চাহ বাগিচাৰ ফেক্টৰীৰ এটা ড্ৰাই হাউছ ভস্মীভূত হয়। সৌভাগ্যক্ৰমে ঘটনাটো কোনো ব্যক্তিৰ হানি হোৱা নাই যদিও এই ঘটনাত কেঁচা চাহপাতৰ লগতে বিশাল গৃহটো প্ৰায় কোটিৰো অধিক ধনৰ লোকচান হোৱাৰ শংকা প্ৰকাশ কৰা হৈছে। চাবুৱাৰ এই বাগিচাখনত ফেক্টৰীটোত কালি নিশা প্ৰায় ৯.৩৫ বজাত হঠাতে দাওদাওকৈ জ্বলি উঠাত চাৰিওফালে হুৱাদুৱা লাগে। ফেক্টৰীটোৰ মূল প্ৰৱেশদ্বাৰতে নিয়োজিত হৈ আছিল নিশা দুজন পহৰাদাৰ, সেই পহৰাদাৰে মুহূৰ্ত্ততে জুই শিখাই বিশাল ড্ৰাই হাউচটো আগুৰি ধৰা প্ৰত্যক্ষ কৰে। এই বিশাল আকাৰ জুইশিখা কাষৰীয়া সকলো গাঁৱৰ বাসিন্দাই প্ৰত্যক্ষ কৰিছিল আৰু বাগিচাখনৰ লাইনৰ শ্ৰমিকসকলে ভিৰ কৰে ফেক্টৰীৰ চৌহদ। দুয়োগৰাকী পহৰাদাৰে বাগিচাৰ কৰ্তৃপক্ষক অৱগত কৰাত সকলো আহি উপস্থিত হয় যদিও চকুৰ সন্মুখতে এফালৰপৰা যন্ত্ৰপাতি আৰু কেইবাহাজাৰ টকাৰ কেঁচা চাহপাত নিমিষতে ছাঁই হৈ যায়। স্বাধীনোত্তৰ কালতে নিৰ্মাণ কৰা ঘৰটোৰ টিনপাত, কাঠ, যন্ত্ৰপাতি আৰু সামগ্ৰী দাওদাওকৈ জ্বলি থাকিলেও সেই বিশাল জুই নিৰ্বাপণ কৰিবলৈ চাবুৱাৰ অগ্নিনিৰ্বাপক বাহিনী সক্ষম নহয় বুলি প্ৰমাণিত হৈছিল। প্ৰথম অৱস্থাত চাবুৱাৰ অগ্নিনিৰ্বাপক দুখন বাহনেৰে বাহিনী উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ অপ্ৰাণ চেষ্টা চলাই যদিও পৰ্যাপ্ত নোহোৱাত চাবুৱা বায়ুসেনা বাহিনী, ডিব্ৰুগড় আৰু তিনিচুকীয়াপৰা মুঠ ৬ খন বাহন উপস্থিত হৈ যুদ্ধকালীনভাৱে অভিযান চলাই যদিও ড্ৰাই হাউছটো সম্পূৰ্ণৰূপে জুইত জাহ যায়। তদুপৰি ইয়াৰ গাতে লাগি থকা আন এটা ড্ৰাই হাউছ আৰু চাহ উৎপাদনৰ মূল গৃহটোলৈ জুই সম্প্ৰসাৰিত হৈছিল। কিন্তু অগ্নিনিৰ্বাপক বাহিনীয়ে প্ৰথম অৱস্থাতে নিৰ্বাপণ কৰিবলৈ সক্ষম হোৱাত সমগ্ৰ ফেক্টৰীটো জাহ যোৱাৰ পৰা ৰক্ষা পৰে। উক্ত দুখলপীয়া ড্ৰাই হাউছটোত বাগিচাৰপৰা কেঁচাচাহ পাত চিঙি আনি প্ৰাকৃতিক গেছৰে তাপ দি পাতখিনি শুকান কৰি তোলা হয়। তাতেই নিশা অগ্নিদগ্ধ হৈ সম্পূৰ্ণৰূপে জাহ যায়। এই ঘটনাৰ সন্দৰ্ভত বাগিচাখনৰ স্বত্বাধিকাৰীক সুধা প্ৰশ্নৰ উত্তৰত কয় ছৰ্ট চাৰ্কিটৰ ফলত জুই সূত্ৰপাত ঘটে। শতবৰ্ষ গৰকা গৃহটো অতি পুৰণি কাঠ আছিল সেইবাবেই জুই সোনকালে বিয়পি পৰা বুলি অনুমান ব্যক্ত কৰে। ক্ষয়ক্ষতিৰ পৰিমাণ প্ৰায় এক কোটি টকা হ'ব। স্বত্বাধিকাৰীগৰাকীয়ে এই ক্ষতিপূৰণ বীমা আঁচনিৰ যোগেদি পূৰণ কৰা হ'ব বুলি কয়। উল্লেখনীয় যে জালান টি কোম্পানীৰ অন্তৰ্গত চাহ বাগিচাখনৰ ফেক্টৰীটোত আপাতকালীন পৰিস্থিতিত প্ৰাথমিক অৱস্থাতে মোকাবিলা কৰিব পৰাকৈ বিধি অনুসৰি পানীৰ ব্যৱস্থা নথকা পৰিলক্ষিত হয়। বৰঞ্চ শ্ৰমিকসকলে ব্যৱহাৰ কৰা সাধাৰণ পানী লাইনৰ যোগেদি এডাল সৰু পাইপেৰে পানী যোগান ধৰা দেখিবলৈ পোৱা যায়। আনকি অগ্নিনিৰ্বাপক বাহিনীৰ বাহনে বাগিচাৰ বাহিৰৰপৰা পানী আনিবলৈ যাব লগা হয়। তদুপৰি স্বত্বাধিকাৰীয়ে নিজেই স্বীকাৰ কৰে যে আপাতাকালীন পৰিস্থিতিত স্বয়ংক্ৰিয়ভাৱে সংকেত প্ৰদান কৰিব পৰা কোনো ব্যৱস্থা এতিয়ালৈকে ফেক্টৰীটোত স্থাপন কৰা হোৱা নাই। ইয়াৰ বিপৰীতে মানুহৰ হাতেৰে বজাই দিব পৰা পুৰণি আপাতকালীত সংকেতৰ মাততহে সকলোৰে জাগি উঠে। এই সংকেত নিশা পহৰা দি থকা পহৰাদাৰেও কিমান সময়ৰ পিছত সেয়া বজাবলৈ সক্ষম হয় সেয়া নিশ্চিত নহয়। এই ঘটনাৰ পিছতে বাগিচাখনত দৈনিক সংগৃহীত কেঁচা চাহপাতসমূহ কোম্পানীৰ আন ইউনিটলৈ প্ৰেৰণ কৰি উৎপাদন অব্যাহত ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ড্ৰাই হাউছটো জুইত জাহ যোৱাৰ ফলত ইয়াত দৈনিক নিয়োজিত শ্ৰমিকসকলৰ ক্ষেত্ৰতো কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰি শ্ৰমিকসকলৰ আয়ৰ ওপৰত যাতে প্ৰভাৱ নপৰে তাৰপ্ৰতি গুৰুত্ব আৰোপ কৰিছে।

# ৰিক্সা-বাইকৰ মুখামুখি সংঘৰ্ষ থিতাতে নিহত ১, আহত ৫

## দলগাঁৱত উদণ্ড বাইক চালকৰ অতপালিত সঘন দুৰ্ঘটনা

**ই-সংবাদ, দলগাঁও, ২৭ মাৰ্চঃ** উদণ্ড বাইক চালকৰ অতপালিৰ বাবেই দলগাঁৱত আজি এক শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হয়, য'ত থিতাতে বাইক চালকৰ মৃত্যু হোৱাৰ লগতে আন ৫ জন যাত্ৰী আহত হয়। আহতসকলৰ এজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে, দলগাঁও থানাৰ অন্তৰ্গত ২ নং মাজগাঁৱৰ দলঙৰ ওচৰত বৃহস্পতিবাৰে পুৱা ১০ মান বজাত ই-ৰিক্সা আৰু বাইকৰ মাজত মুখামুখী সংঘৰ্ষ হয়। AS 13 S 9634 নম্বৰৰ পালছাৰ বাইকখনে তীব্ৰ বেগত বিপৰীত দিশৰপৰা অহা ই-ৰিক্সাখনত খুন্দা মাৰে ফলত বাইকচালক আৰু আৰোহীজন চিটিকি পৰে। বাইকৰ খুন্দাত ভাঙি দুটুকুৰা হোৱা ই-ৰিক্সাখনত লাগি বাইক চালক ছমিৰ আলী (২৭)য়ে মূৰত প্ৰচণ্ড আঘাত হোৱাৰ লগতে ডিঙি কাটি যায় ফলত থিতাতে তেওঁৰ মৃত্যু হয়। আনহাতে, ওজগৰ আলী নামৰ বাইক আৰোহীজনক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। নিহত ছমিৰ আলী আৰু গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত আজগৰৰ ঘৰ ৰাণীপুখুৰী বুলু জানিব পৰা গৈছে। উল্লেখ্য যে ই-ৰিক্সাখনৰ আন ৪ জন আৰোহী ক্ৰমে, নদীৰকাষৰ তনবীৰ আহমেদ, আৰফিন আহমেদ, ছাকিব আহমেদ আৰু নিজ বৰুৱাঝাৰৰ মাহমুদুল হুছেইনো আঘাতপ্ৰাপ্ত হয়। ই-ৰিক্সাৰ আটাইকেইজন যাত্ৰী ১৫ ৰ অনুৰ্ধ্বৰ বুলি প্ৰতক্ষ্যদৰ্শীসকলে জানিবলৈ দিয়ে। ইফালে, দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতে ভয়তে ই-ৰিক্সা চালকজনে ঘটস্থলীৰপৰা পলায়ন কৰে। আহতসকলৰ চিকিৎসা চলি থকাৰ বিপৰীতে দৈপাম আৰক্ষীয়ে মৃত ছমিৰ আলীৰ মৰোণোত্তৰ পৰীক্ষা কৰি পৰিয়ালক জানাজাৰ বাবে চমজাই দিয়ে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# ৰঙিয়াৰ তৰণীত ভয়াৱহ অগ্নিকাণ্ড

**ই-সংবাদ, ৰঙিয়া, ২৭ মাৰ্চঃ** ৰঙিয়াৰ তৰণী গাঁৱত আজি বিয়লিৰ ভাগত সংঘটিত ভয়াৱহ অগ্নিকাণ্ডৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। স্থানীয় ঠাকুৰীয়াপাৰা চুবুৰী নিবাসী ৰাজেন কলিতা নামৰ লোকজনৰ বাসগৃহত সংঘটিত হয় উক্ত অগ্নিকাণ্ডৰ ঘটনা। দাউদাউকৈ জ্বলি উঠা জুইৰ লেলিহান শিখা আৰু ধোঁৱা প্ৰত্যক্ষ কৰি আতংকিত হৈ পৰে স্থানীয় প্ৰত্যক্ষদৰ্শী ৰাইজ। তৎপৰতাৰে স্থানীয় ৰাইজে পানী, বালি ছটিয়াই অগ্নিনিৰ্বাপন কৰাৰ প্ৰয়াস কৰে। আনহাতে, সম্বেদ লাভ কৰা মাত্ৰকে ঘটনাস্থলীত তুলসীবাৰী আৰক্ষী চকীৰ লোক আৰু ৰঙিয়া অগ্নিনিৰ্বাপক বাহিনীৰ দল উপস্থিত হৈ অগ্নিনিৰ্বাপন কৰিবলৈ সক্ষম হয়। ছৰ্ট চাৰ্কিটৰ ফলত চিলিণ্ডাৰ বিস্ফোৰণ ঘটি অগ্নিকাণ্ড সংঘটিত হোৱাৰ ধাৰণা কৰা হৈছে। উক্ত ঘটনাৰ ফলত লক্ষাধিক মূল্যৰ সা-সম্পত্তি বিনষ্ট হোৱাৰ আশংকা কৰা হৈছে।

# বৰছিলাত মহিলাৰ বিভিন্ন সমস্যা পূৰণৰ দাবীত প্ৰতিবাদ প্ৰগতিশীল নাৰী সন্থাৰ

**ই-সংবাদ, বেবেজীয়া, ২৭ মাৰ্চঃ** সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও জিলা সমিতিৰ আহ্বানমৰ্মে সন্থাৰ দলংঘাট ব্লকৰ অন্তৰ্গত বৰচিলা গাঁও পঞ্চায়ত সমিতিৰ উদ্যোগত বৃহস্পতিবাৰে বৰচিলা পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখত মহিলাসকলৰ বিভিন্ন সমস্যাৰাজি পূৰণৰ দাবীত এক প্ৰতিবাদী অৱস্থান কাৰ্যসূচী ৰূপায়ণ কৰে। 'কথা দি কথা ৰাখক' আহ্বানেৰে ৰূপায়িত এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা মহিলাসকলে 'কথাদি কথা ৰাখক, আমাৰ প্ৰাপ্য আদায় দিয়ক', 'বিহুৰ আগতেই অমৃত বৃক্ষ ৰোপণ আৰু অমৃত কলহৰ ধন প্ৰদান কৰক', '২০২৫ চনৰ ভিতৰত মাইক্ৰ' ফাইনেন্সৰ সম্পূৰ্ণ ঋণমুক্তি ঘোষণা কৰি এন অ' চি প্ৰদান কৰক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। এই কাৰ্যসূচীত উপস্থিত থাকি সমৱেত মহিলাসকলক উদ্দেশ্যি সন্থাৰ বৰচিলা গাঁও পঞ্চায়তৰ নেত্ৰী ৰুনুমণি বৰদলৈ, দীপ্তি বৰদলৈ, ৰঞ্জিতা বৰদলৈ আৰু জিলা সম্পাদিকা আয়েফা বেগমে মহিলাসকলৰ সমস্যাৰাজিৰ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। তেওঁলোকে কয় যে মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই, মহিলাসকলক মাহে তিনি হাজাৰকৈ টকা আৰু ৰেচনত অধিক খাদ্য যোগানৰ কথা দি ২০২১ চনত হিমন্ত বিশ্ব শৰ্মাই বিজেপি দলৰ চৰকাৰ গঠন কৰি মুখ্যমন্ত্ৰীৰ আসনত বহিল। কিন্তু যোৱা চাৰিটা বছৰৰ শাসনকালত অসমৰ ২৬ লাখ মাইক্ৰ' ফাইনেন্সৰ ঋণগ্ৰস্ত মহিলাৰ আজিলৈকে ৮ লাখ মহিলাকো ঋণমুক্ত কৰিব নোৱাৰিলে। এতিয়ালৈকে ১৮ লাখৰো অধিক মহিলাৰ ডিঙিত ঋণৰ ফাঁচিজৰি ওলমাই ৰাখিলে। আনহাতে, ২০২০-২১ বিত্তীয় বৰ্ষৰ বাজেটত ১৮ লাখ আৰু ইয়াৰ পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাজেটত ২৪ লাখ আৰু এইবাৰৰ বাজেটত ৩৭ লাখৰো অধিক অৰুণোদয়ৰ হিতাধিকাৰী বৃদ্ধিৰে আঁচনিখনৰ সফলতা হিচাপে দাঙি ধৰিছে। এয়া হিমন্ত বিশ্ব শৰ্মাৰ ৰাজত্বকালত সাফল্যৰ সূচক নে দৰিদ্ৰতা বৃদ্ধিৰ আওপকীয়া স্বীকৃতি বুলি প্ৰশ্ন তুলি তেওঁলোকে লগতে কয় যে অমৃতবৃক্ষ ৰোপণ আৰু অমৃত কলহৰ নামত ৰাজ্যিক জীৱন-জীৱীকা অভিযানৰ আত্মসহায়ক গোটৰ মহিলাসকলে পাবলগীয়া ১০ হাজাৰ টকা যোৱা দুৰ্গাপূজাত আদায় দিয়াৰ কথা ঘোষণা কৰিছিল। কিন্তু মাঘৰ বিহু পাৰ হৈ এতিয়া ব'হাগ বিহু পাবহি হ'ল। তথাপি সেই বৰকথাৰ কোনো উমঘামেই নাই। সেয়ে, হিমন্ত বিশ্ব শৰ্মাই যি কথা দিছিল সেয়া পূৰণৰ দাবীত এতিয়া সন্থাই পঞ্চায়তে পঞ্চায়তে প্ৰতিবাদ আৰু স্মাৰক-পত্ৰ প্ৰেৰণ কাৰ্যসূচী ঘোষণা কৰিবলৈ বাধ্য হৈছে। প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত দলংঘাট উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া সোমা সিনহাৰ প্ৰেৰিত প্ৰতিনিধি হিতেশ ডেকাৰ হাতত সন্থাৰ নগাঁও জিলা সমিতিৰ সভানেত্ৰী পৰী কুমাৰী বৰুৱা আৰু সম্পাদিকা আয়েফা বেগমৰ স্বাক্ষৰিত ৭ দফীয়া দাবী সম্বলিত এখনি স্মাৰক-পত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়। স্মাৰক-পত্ৰখনত মাইক্ৰ' ফাইনেন্সৰ ঋণ আদায় দিব নোৱাৰা সকলো মহিলাক চৰকাৰে ২০২৫ চনৰ ভিতৰত সম্পূৰ্ণ ঋণমুক্তিৰ এন অ' চি প্ৰদান কৰা, অমৃতবৃক্ষ ৰোপণ কৰা আৰু অমৃত কলহত মাটি ভৰোৱা প্ৰতিগৰাকী মহিলাৰ প্ৰাপ্য ধন দহ হাজাৰ টকা ঈদ আৰু ব'হাগ বিহুৰ আগত প্ৰদান কৰা, কথা দিয়া অনুসৰি লাখপতি বাইদেউৰ ধন তাৎক্ষণিকভাৱে মোকোলাই দিয়া, ৰেচনত কেৱল মাত্ৰ চাউলেই নহয় চেনি, গাখীৰ, দাইল, কণী, মিঠাতেল, আলু, পিয়াঁজকে ধৰি দহবিধ সামগ্ৰীৰ যোগান ধৰা, সকলো দুখীয়া পৰিয়াললৈ ২০০ ইউনিট বিদ্যুৎ বিল মাফ কৰা তথা স্মাৰ্ট মিটাৰৰ পৰিৱৰ্তে পুৰণি মিটাৰ বাহাল ৰখা, অৰুণোদয় হিতাধিকাৰীৰ ধনৰাশিৰ পৰিমাণ ৫ হাজাৰ টকালৈ বৃদ্ধি কৰা আৰু অসম জীৱন-জীৱীকা অভিযানৰ আত্মসহায়ক গোটৰ প্ৰতিগৰাকী মহিলাক একলাখ টকাকৈ ঘূৰ্ণীয়মান পুঁজি প্ৰদান কৰা আদি দাবী সন্নিৱিষ্ট কৰা হয়।

---

**পুৰুষত প্ৰিন্সৰাজ যাদৱ আৰু মহিলাৰ শাখাত তামশ্ৰী সিঙৰ প্ৰথম স্থান লাভ**

# দুলীয়াজান এথেলেটিক্স ক্লাবৰ হাফ মাৰাথন সম্পন্ন




**ই-সংবাদ বিশেষ, দুলীয়াজান, ২৭ মাৰ্চঃ** দুলীয়াজানৰ প্ৰয়াত ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক তথা সংবাদকৰ্মী অলক ৰঞ্জন বড়া, ক্ৰীড়াবিদ গীৰিণ সোণোৱাল আৰু সঞ্জীৱ ৰাণাৰ সোঁৱৰণত দুলীয়াজান এথলেটিক্স ক্লাবে আয়োজন কৰা হাফ মাৰাথন প্ৰতিযোগিতাত পুৰুষৰ শাখাত উত্তৰ প্ৰদেশৰ প্ৰিন্সৰাজ যাদৱে প্ৰথম স্থান, উত্তৰাখণ্ডৰ মনোজ সিঙে দ্বিতীয় আৰু উত্তৰাখণ্ডৰে হিমাংশু পালাৰিয়াই তৃতীয় স্থান লাভ কৰে। এই হাফ মাৰাথনৰ ২১ কিলোমিটাৰ দৈৰ্ঘৰ প্ৰথম স্থানপ্ৰাপক প্ৰিন্সৰাজে ১ ঘণ্টা ৪ মিনিট ৩৫ চেকেণ্ডত, দ্বিতীয় স্থানপ্ৰাপক মনোজে ১ ঘণ্টা ৬ মিনিট ৩ চেকেণ্ডত আৰু তৃতীয় স্থানপ্ৰাপক হিমাংশুৱে ১ ঘণ্টা ৭ মিনিট ৪৪ চেকেণ্ডত অতিক্ৰম কৰে। আনহাতে, মহিলাৰ শাখাত প্ৰথম স্থান লাভ কৰে বেনাৰসৰ তামশ্ৰী সিঙে (১ ঘণ্টা ২২ মিনিট ৪৪ চেকেণ্ড), দ্বিতীয় স্থান লাভ কৰে মণিপুৰৰ মাকাকমাইয়ুম মিনাৰ্যী (১ ঘণ্টা ২৫ মিনিট ২৯ চেকেণ্ড) আৰু তৃতীয় স্থান বেনাৰসৰ অন্নু পালে (১ ঘণ্টা ২৭ মিনিট ১১ চেকেণ্ড) লাভ কৰে। ইয়াৰ উপৰি দুয়োটা শাখাৰে দশমলৈকে স্থান লাভ কৰা খেলুৱৈসকলক নগদ ধন, ট্ৰফী আৰু মান-পত্ৰৰে পুৰস্কৃত কৰা হয়। আজি পুৱা ছয় বজাত দুলীয়াজান নেহৰু ময়দানত হাফ মাৰাথনৰ ফ্লেগঅফ কৰে অইল ইণ্ডিয়া লিমিটেডৰ ক্ষেত্ৰীয় প্ৰশাসন বিভাগৰ মুখ্য মহাপ্ৰবন্ধক দেৱাশিস বড়াই। আনহাতে, হাফ মাৰাথনৰ সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অইল ইণ্ডিয়া লিমিটেডৰ মানৱ সম্পদ (এষ্টাব্লিছমেণ্ট) বিভাগৰ মুখ্য মহাপ্ৰবন্ধক শ্যামল প্ৰসাদ দাস, আদিত্য গোস্বামী, বেংক অৱ মহাৰাষ্ট্ৰ দুলীয়াজান শাখাৰ প্ৰবন্ধক সমিয় মুখাৰ্জী, পঞ্জাব সিন্ধ বেংক তিনিচুকীয়া শাখাৰ প্ৰবন্ধক সুনীল কুমাৰ শৰ্মা, প্ৰয়াত প্ৰয়াত ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক অলক ৰঞ্জন বড়া, ক্ৰীড়াবিদ গীৰিণ সোণোৱাল আৰু সঞ্জীৱ ৰাণাৰ পৰিয়ালবৰ্গৰ লগতে দুলীয়াজান এথলেটিক্স ক্লাবৰ উপদেষ্টা মহম্মদ বকবুল ইছলাম, সঞ্জীৱ ৰায়, সভাপতি মনোজ কৰ, কাৰ্যকৰী সভাপতি বেণুধৰ বড়া, সাধাৰণ সম্পাদক ৰাজীৱ চেতিয়া, উপ-সভাপতি জগাৰ ৰাও আদি উপস্থিত থাকি স্থানপ্ৰাপক সকলক বঁটা প্ৰদান কৰে। আনহাতে, বঁটা-বিতৰণী অনুষ্ঠানতে দুলীয়াজান এথলেটিক্স ক্লাবৰ কেইবাগৰাকীও যুৱ আৰু লিটল মাষ্টৰ খেলুৱৈক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## চাৰিবছৰে ক্ষেত্ৰভিত্তিক অধ্যয়নতে সীমাৱদ্ধ মাজুলীৰ লাচন চাপৰিৰ মেগা চ'লাৰ প্ৰকল্প

# সৰ্বাৰ প্ৰকল্পৰ প্ৰতি হিমন্তৰ অনীহা

**ই-সংবাদ, মধ্য মাজুলী, ২৭ মাৰ্চঃ** মাজুলীৰ বিধায়ক ভুবন গামে যোৱা বিধান সভা অধিৱেশনত মাজুলীৰ বহুকেইটা প্ৰকল্প সন্দৰ্ভত সোধা লিখিত প্ৰশ্নৰ সংশ্লিষ্ট মন্ত্ৰীয়ে দিয়া উত্তৰসমূহত প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ দিনৰ বহুকেইটা প্ৰকল্প সম্পূৰ্ণ কৰাত চৰকাৰৰ অনিহা পোহৰলৈ আহিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ চৰকাৰৰ সময়ত মাজুলীত ঘোষণা কৰা বহু প্ৰকল্প এতিয়াও অসম্পূৰ্ণ ৰূপত আছে। বিজেপি চৰকাৰৰ প্ৰথমটো কাৰ্যকালতে ঘোষণা কৰা মাজুলীৰ ভালেসংখ্যক উন্নয়নমূলক প্ৰকল্প অসম্পূৰ্ণ অৱস্থাত থকাৰ লগতে একাংশ প্ৰকল্প আজিও অস্তিত্ব শূন্য। সেই অনুসৰি ২০২১ চনত মাজুলীৰ লাচন চাপৰিত চৰকাৰে ঘোষণা কৰা মেগা চ'লাৰ প্ৰকল্প নিৰ্মাণৰ কাম আজিপৰ্যন্ত আৰম্ভই নকৰিলে। উক্ত প্ৰকল্প নিৰ্মাণৰ নামত অসম শক্তি উৎপাদন নিগমে যোৱা চাৰিটা বছৰত মাত্ৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন কাৰ্য্য সম্পন্ন কৰিয়েই দায়িত্ব সামৰিলে। সদ্যসমাপ্ত বিধান সভাৰ বাজেট অধিৱেশনৰ অন্তিম দিনা বিষয় সন্দৰ্ভত মাজুলীৰ স্থানীয় বিধায়ক ভুবন গামৰ লিখিত প্ৰশ্নৰ উত্তৰত শক্তি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে কয়-- প্ৰকল্প ক্ষেত্ৰ অতিশয় বানপানী প্ৰবল অঞ্চল হোৱাৰ লগতে অঞ্চলটোৰ সৈতে সংযোগী পথ বাৰিষা কালত প্ৰায়ে পানীত বুৰ গৈ থাকে। সেয়েহে উক্ত প্ৰকল্প ক্ষেত্ৰৰ সম্ভাৱনীয়তাৰ বিশ্লেষণ কৰি থকা বুলি জানিবলৈ দিয়ে। ইয়াৰ উপৰিও প্ৰকল্প ক্ষেত্ৰ সংযোগী পথৰ সমস্যাৰ সন্দৰ্ভত অসম শক্তি উৎপাদন নিগমৰ তৰফৰপৰা লোকনিৰ্মাণ বিভাগ (পথ)ক আবেদন কৰা হৈছে বুলি জানিবলৈ দি মন্ত্ৰীগৰাকীয়ে লিখিত উত্তৰত আৰু উল্লেখ কৰে যে মাজুলীৰ আঁহতগুৰি পঞ্চায়তৰ স্থানীয় বাসিন্দাসকলৰ গৃহত বিগত ২০১৫-১৬ আৰু ২০১৮-১৯ বৰ্ষত গ্ৰাম্য বৈদ্যুতিকৰণৰ বিভিন্ন আঁচনিৰ অধীনত সৌৰশক্তিৰ দ্বাৰা Solar Micro-Grid System আৰু Standalone Solar PV Module ব্যৱস্থাৰে বৈদ্যুতিকৰণ কৰা হৈছিল। উক্ত অঞ্চলটি চৰ এলেকা হোৱাৰ বাবে ১৩২ কেভি টাৱাৰ লাইনৰ সৈতে Single Circuit ১১ কেভি লাইনৰ নিৰ্মাণৰ পিছতহে ইয়াত On-Grid ব্যৱস্থাৰে বৈদ্যুতিকৰণ সম্ভৱ হ'ব বুলি উল্লেখ কৰি বৰ্তমান আঁহতগুৰি গাঁও পঞ্চায়তত Tower-line ৰ দ্বাৰা On-Grid ব্যৱস্থাৰে বৈদ্যুতিকৰণৰ বাবে প্ৰস্তাৱ প্ৰস্তুত কৰা হৈছে আৰু টাৱাৰ-লাইন নিৰ্মাণ কৰাটো অত্যন্ত ব্যয়বহুল হোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াক পৰ্য্যায়ক্ৰমে কৰা হ'ব বুলিহে মন্ত্ৰীয়ে দায়সৰা উত্তৰ দিয়ে। স্থানীয় ৰাইজে চৰকাৰক এই প্ৰকল্প পুনৰাম্ভৰ দাবী জনাইছে। মাজুলীক আৰ্হিৰূপে গঢ়ি তোলাৰ চৰকাৰী প্ৰতিশ্ৰুতি সত্যত পৰিণত হ'ব নে, সেই বিষয়েও জনসাধাৰণৰ মাজত প্ৰশ্ন উঠিছে।

# ধনুভাঙাত বিজেপি নেত্ৰী আঙুৰলতা ডেকাৰ নিৰ্বাচনী প্ৰচাৰ



**ই-সংবাদ, ধূপধৰা, ২৭ মাৰ্চঃ** সমাগত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে এন ডি এ মিত্ৰজোঁটৰ ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে নিৰ্বাচনী প্ৰচাৰ ক্ৰমান্বয়ে তীব্ৰতৰ কৰি তুলিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক লক্ষ্য হিচাপে লৈ ৰাভা হাছঙৰ নিৰ্বাচনক এন ডি এ মিত্ৰজোঁটৰ ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি, বিজেপি তথা অগপ দলে প্ৰচাৰ অভিযান চলোৱা পৰিলক্ষিত হৈছে। ৰাভা হাছং পৰিষদৰ ৩ নং ধনুভাঙা পৰিষদীয় সমষ্টিৰ যৌথ সংগ্ৰাম সমিতিৰ মনোনীত আৰু বিজেপি সমৰ্থিত প্ৰাৰ্থী ফনীন্দ্ৰ ৰাভাৰ হৈ কালি ধনুভাঙাত বিজেপি নেত্ৰী তথা অভিনেত্ৰী আঙুৰলতা ডেকাই নিৰ্বাচনী প্ৰচাৰ চলায়। আজি ধনুভাঙাত উপস্থিত হৈ আঙুৰলতা ডেকাই ধনুভাঙা পৰিষদীয় সমষ্টিৰ কেইবাখনো গাঁৱত মাৰাথন প্ৰচাৰ চলোৱাৰ উপৰি মহিলাসকলৰ সৈতে গীতৰ তালে তালে নৃত্য পৰিৱেশন কৰা পৰিলক্ষিত হয়। প্ৰচাৰ অভিযানত বিজেপি নেত্ৰীগৰাকীয়ে তৃতীয়বাৰৰ বাবে এন ডি এ মিত্ৰজোঁটে ৰাভা হাছং দখল কৰিব বুলি দাবী কৰে। তেওঁ লগতে চৰকাৰৰ বিভিন্ন আঁচনি সন্দৰ্ভত ভাষণ দিয়াৰ উপৰি কয়-- কাৰোবাক বেয়া বুলি কৈ আমি ভাল হ'ব খোজা নাই, আমাৰ ভালখিনি আগত ৰাখি আমি আগবাঢ়ি যাব বিচাৰিছো। আনহাতে, ধনুভাঙা সমষ্টিৰ প্ৰাৰ্থী ফনীন্দ্ৰ ৰাভা মুঠ ৩৬ সমষ্টিৰ ভিতৰতেই অধিক ভোটৰ ব্যৱধানত জয়ী হ'ব বুলি দাবী কৰে আঙুৰলতা ডেকাই। ধনুভাঙা অঞ্চলৰ গাঠিয়াপাৰা, আৰৈমাৰী, কেৰ্কাজানী, দুৰামাৰী আৰু কঠালমুৰী গাঁৱত পাঁচখনকৈ নিৰ্বাচনী সভাত অংশ লয় আঙুৰলতাই।

# পৃথুৰ মহাবিজয় দিৱস উপলক্ষে বক্তৃতানুষ্ঠান

**ই-সংবাদ, ৰঙিয়া, ২৭ মাৰ্চঃ** ৰঙিয়াত আজি অখিল ভাৰতীয় ইতিহাস সংকলন কামৰূপ জিলা সমিতিৰ উদ্যোগত মহাৰাজ পৃথুৰ মহাবিজয় দিৱস উপলক্ষে জনপ্ৰিয় বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। ৰঙিয়া মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত বক্তৃতানুষ্ঠানটোত প্ৰাচীন কামৰূপ নৃপতি মহাৰাজ পৃথুৰ মহাপৰাক্ৰমী সত্বাৰ বিশ্লেষণেৰে মহাবিজয় দিৱস পালন সন্দৰ্ভত আলোকপাত কৰা হয়। ৰঙিয়া মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহযোগত ৰূপায়িত উক্ত কাৰ্যসূচীৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ডঃ হেমেন্দ্ৰ শৰ্মাই। অধ্যাপিকা ডঃ ৰাণু চৌধুৰীৰ সঞ্চালনাত অনুষ্ঠিত মনোজ্ঞ অনুষ্ঠানটিৰ উদ্বোধন কৰে অধ্যক্ষ ডঃ ব্ৰজেন্দ্ৰ শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত প্ৰাচীন কামৰূপ ৰাজ্যৰ সীমা-পৰিসীমা তথা ৰঙিয়াৰ গৌৰৱোজ্জ্বল ইতিহাস সন্দৰ্ভতো আলোকপাত কৰে ডঃ শইকীয়াই। মহাবিদ্যালয়খনৰ ইতিহাস বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক অংকুৰ খাটনীয়াৰ আৰু অৱসৰপ্ৰাপ্ত অধ্যাপিকা লক্ষী লহকৰে নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰে। অখিল ভাৰতীয় ইতিহাস সংকলন সমিতিৰ সভাপতি ডঃ বিমল দাসে ভাষণ প্ৰসংগত সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য সন্দৰ্ভত উল্লেখ কৰে। কামৰূপ জিলা সাংগঠনিক সম্পাদক মানবেন্দ্ৰ কুমাৰ শৰ্মাই আঁতধৰা অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা বিমলা দেৱীয়ে।

# ডিফুত ভূমিস্খলন হৈ শ্ৰমিকৰ মৃত্যু, ৬ জন আহত

**ই-সংবাদ, ডিফু, ২৭ মাৰ্চঃ** বৃহস্পতিবাৰে দিনৰ ১ মান বজাত ডিফুৰ সমীপৰ মাটিপুং গেছ গুদামৰ কাষত পকী কাম কৰি থকাৰ অৱস্থাত ভূমিস্খলন হৈ এজন শ্ৰমিকৰ মৃত্যু হোৱাৰ লগতে আন ৬ গৰাকী শ্ৰমিক আহত হয়। ডিফু চিকিৎসা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডা° ধৰম ছিং টেৰণৰ গৃহত এখন পকী ৱাল নিৰ্মাণ কৰি থাকোতেই মাটি খহি মিস্ত্ৰীসহ গোটেই কেইগৰাকী শ্ৰমিক আহত হয়। মিস্ত্ৰী সুভাষ বিশ্বাসৰ লগতে বৰপুত্ৰ দীপক বিশ্বাস আৰু মনোজ বিশ্বাসো আহত হয়। ইয়াৰে দীপক বিশ্বাসৰ ঘটনাস্থলীতে মৃত্যু হয়। আহত শ্ৰমিকসকল হ'ল চাৰবিনং তিছ', তেওঁৰ ভাতৃ লিপচন তিছ' আৰু ফাৰুক আহমেদ। গুৰুতৰভাৱে আহত এগৰাকী শ্ৰমিকৰ নাম বৰ্তমানেও জানিব পৰা হোৱা নাই। অধ্যাপক টেৰণে ততাতৈয়াকৈ আহতসকলক ডিফু



চিকিৎসা মহাবিদ্যালয়লৈ আনি চিকিৎসাৰ ব্যৱস্থা কৰিছে। ইতিমধ্যে ঘটনাস্থলীৰপৰা নিহত শ্ৰমিকজনৰ মৃতদেহ উদ্ধাৰ কৰি ডিফু আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

# সত্ৰ মহাসভাৰ সাধাৰণ সভাৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ২৭ মাৰ্চঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ চৰাইখুলীয়া সত্ৰৰ সৌজন্যত আৰু ৰাইদঙীয়া ভাটিখণ্ড বৰ নামঘৰৰ ৰাইজৰ সহযোগত অহা ২৯ মাৰ্চত ৰাইদঙীয়া ভাটিখণ্ড বৰনামঘৰ প্ৰাংগণত অসম সত্ৰ মহাসভাৰ অন্তৰ্গত পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখনিৰ আয়োজনৰ দিহা কৰা হৈছে। উক্ত দিনা বিয়লি ১ বজাৰ পৰা আৰম্ভ হ'বলগীয়া সাধাৰণ সভাখনিত পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ অন্তৰ্গত প্ৰতিখন সত্ৰৰ সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰ, সত্ৰ পৰিচালনা সমিতি, নামঘৰ পৰিচালনা সমিতি আৰু নামঘৰীয়াৰ লগতে সকলো ভকত-বৈষ্ণৱ, আইমাতৃসকলৰ উপস্থিতি কামনা কৰিছে পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ হৈ সম্পাদক মানিক বৰাই।

# সোণাপুৰত ভয়ংকৰ পথ দুৰ্ঘটনাত একে পৰিয়ালৰ তিনিজনকৈ যুৱকৰ মৃত্যু







**ই-সংবাদ, লাহৰীঘাট, ২৭ মাৰ্চঃ** গুৱাহাটী মহানগৰীৰ সমীপৰ সোণাপুৰ যোগদলত আজি কাহিলীপুৱাতেই সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ তিনিজন যুৱকৰ অকাল মৃত্যু ঘটে। দুৰ্ঘটনাটোত মৃত্যু হোৱা মৈৰাবাৰীৰ যুৱ ব্যৱসায়ী তিনিজন একেটা পৰিয়ালৰে ক্ৰমে শ্বাকিল আহমেদ (১৭), মুস্তাক আহমেদ (১৮) আৰু শ্বৰীফুল ইছলাম (২৬) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে এই যুৱ ব্যৱসায়ী তিনিজনে মৰিগাঁও জিলাৰ মৈৰাবাৰীত মাত্ৰ কেইদিনমান পূৰ্বে নিজৰ দোকান আৰম্ভ কৰিছিল। ৰমজান মাহৰ আগন্তুক ঈদৰ বাবে দোকানৰ সামগ্ৰী ক্ৰয় কৰিবলৈ আজি দোকমোকালিতে এ এছ ২১ এচি ৩৩০৯ নম্বৰৰ এখন মালবাহী মেক্সিম' বাহনেৰে মৈৰাবাৰীৰ পৰা তিনিওজন গৈছিল গুৱাহাটী মহানগৰীলৈ বুলি। কিন্তু উক্ত বাহনখনে সোণাপুৰৰ যোগদলত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত ৰখাই থোৱা এ এছ ০১ পি চি ৫৬৫১ নম্বৰৰ এখন ট্ৰাকৰ পিছফালে প্ৰচণ্ড জোৰত খুন্দা মাৰি গাড়ীখনৰ ভিতৰতে আবদ্ধ হৈ পৰে যুৱক তিনিজনৰ। এই ভয়ংকৰ দুৰ্ঘটনাটোৰ খবৰ লাভ কৰি আৰক্ষী বাহিনী ঘটনাস্থলীত উপস্থিত হৈ যুৱক তিনিজনক বাহনখনৰ ভিতৰৰ পৰা উদ্ধাৰ কৰে যদিও যুৱক তিনিজনৰ ইতিমধ্যেই মৃত্যু ঘটে। মৃত যুৱক তিনিজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। এই ভয়ংকৰ দুৰ্ঘটনাটোত বাহনখনৰ সন্মুখভাগ সম্পূৰ্ণ ৰূপে বিধ্বস্ত হোৱা পৰিলক্ষিত হয়। ইপিনে সৰবৰহী যুৱক তিনিজনৰ এনে অকাল মৃত্যুৰ খবৰ সদৰী হোৱাৰ পিছতে বৃহত্তৰ মৈৰাবাৰী অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# মুকলি হৈয়ে কনৰাডক সাক্ষাৎ মহবুবুলৰ

**ই-সংবাদ, গুৱাহাটী, ২৭ মাৰ্চঃ** জামিন লাভৰ পিছতে কাৰাগাৰৰ পৰা ওলাই প্ৰথমে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাক সাক্ষাৎ কৰিছে মেঘালয়ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিশ্ববিদ্যালয়ৰ চমুকৈ ইউএছটিএমৰ উপাচাৰ্য মহবুবুল হকে। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাক বাসগৃহত সাক্ষাৎ কৰে। জিম্মাৰ পৰা মুকলিৰ পিছত প্ৰথমে মুখ্যমন্ত্ৰী চাংমাক সাক্ষাৎ কৰে। সাক্ষাতৰ সময়ত অসমৰ মুখ্যমন্ত্ৰীয়ে পৰীক্ষাত অনৈতিক পন্থা অৱলম্বন সন্দৰ্ভত আলোচনা কৰা বুলি জানিব পৰা গৈছে। সাক্ষাৎতৰ পিছতে মহবুবুলক হকে আলোচনাটো গুৰুত্বপূৰ্ণ আৰু অন্তৰ্দৃষ্টিপূৰ্ণ বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে মূল্যৱান পৰামৰ্শ প্ৰদান কৰিছে বুলি কয়। প্ৰায় এমাহ কাৰাবাসত থাকি মুকলি হোৱাৰ পিছত হকে ইউএছটিএমৰ শিক্ষাত মনোনিৱেশ কৰাৰ কথাও তয়। ইউএছটিএম ভাৰতৰ শীৰ্ষ ২০০ খন বিশ্ববিদ্যালয়ৰ ভিতৰত আছে। শিক্ষাকসকলৰ উৎকৃষ্টতা, প্ৰতিশ্ৰুতি আৰু উচ্চ মানদণ্ড বজাই ৰখাত এই সফলতাৰ কৃতিত্ব। ইউএছটিএমৰ স্বীকৃতি প্ৰাপ্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰি হকে 'এ' গ্ৰেড স্বীকৃতি প্ৰাপ্ত কৰাটো এক কঠিন সাফল্য, সেয়াও বিশেষকৈ উত্তৰ-পূবৰ প্ৰতিষ্ঠানক 'এ' গ্ৰেড স্বীকৃতি। এই ক্ষেত্ৰত ইউএছটিএমৰ সফলতাই ইয়াৰ গুণগত শিক্ষা আৰু প্ৰতিষ্ঠানগত অখণ্ডতা ৰক্ষা কৰে। হকে ভাৰতীয় উপকূলৰ বাহিৰত ইউএছটিএমৰ প্ৰসাৰ কৰাৰ ইচ্ছাৰ কৰি কয় যে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক বৃদ্ধিৰ লক্ষ্যৰে বিশ্ববিদ্যালয়খনৰ দীৰ্ঘম্যাদী দৃষ্টিভংগী কেন্দ্ৰীয় চৰকাৰৰ এক্ট ইষ্ট নীতিৰ সৈতে সামগ্ৰিক কাম কৰা হ'ব। ইউএছটিএমক এক বিশ্বমানৰ প্ৰতিষ্ঠান হিচাপে পৰিগণিত হ'ব। ২০৩০ চনৰ ভিতৰত আছিয়ানৰ শিক্ষাৰ্থীসকল সংপৃক্ত হ'ব। দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ ওচৰত উত্তৰ-পূবৰ ভৌগোলিক অৱস্থানে এক কৌশলগত সুবিধা প্ৰদান কৰে যাৰ ফলত ইউএছটিএম ভাৰত আৰু পূব চুবুৰীয়াদেশৰ মাজত এক শৈক্ষিক দলং হৈ পৰিব।

## টীয়কত ডাম্পাৰৰ খুন্দাত থিতাতে নিহত মহিলা

**ই-সংবাদ, টীয়ক, ২৭ মাৰ্চঃ** টীয়ক আৰক্ষী থানাৰ অধীনৰ জাঁজীমুখ পথৰ ৰজাবাৰীত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত সাবিত্ৰী কৰ্মকাৰ নামৰ এগৰাকী মহিলাৰ থিতাতে মৃত্যু হয়। ঘটনা অনুসৰি জাঁজীমুখৰ দিশে গৈ থকা AS-03-CC-5369 নম্বৰৰ বালি কঢ়িওৱা ডাম্পাৰখনৰ সৈতে বিপৰীত দিশৰ পৰা অহা AS-03-AB-5139 নম্বৰৰ স্কুটিখনৰ সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি মন্তব্য কৰিছে প্ৰত্যক্ষদৰ্শীয়ে। চেনিজানৰ বাসিন্দা মহিলাগৰাকী পুত্ৰৰ লগত এখন স্কুটিত ভনীয়েকৰ ঘৰলৈ আহিছিল। উক্ত পথটিত পূৰ্বেও এনে বহু ঘটনা সংঘটিত হৈ আহিছে। প্ৰশাসনে পথটোত ডাম্পাৰৰ দৌৰাত্ম্য ৰোধ কৰিব বিচাৰিছে যদিও বাৰে বাৰে বিফল হোৱা দেখা গৈছে। প্ৰশাসনৰ নীতি-নিৰ্দশনা উলংঘা কৰি নিতৌ পথটোত ডাম্পাৰৰ অতপালিত প্ৰাণৰ সংক্ষয়ত ভুগিছে স্থানীয় ৰাইজে। ইপিনে, ঘটনাস্থলীত টীয়ক আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে দুৰ্ঘটনাত পতিত দুয়োখন বাহন জব্দ কৰিছে। ঘটনা সংঘটিত হোৱাৰ পাছত ডাম্পাৰখনৰ চালক আৰু হেণ্ডিমেন পলায়ন কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ টীয়ক আঞ্চলিক সমিতিয়ে পথটোত চলা নিয়ন্ত্ৰণহীন ডাম্পাৰৰ দৌৰাত্ম্য ৰোধ কৰিবৰ বাবে যোৰহাট জিলা আয়ুক্তলৈ চক্ৰ বিষয়াৰ জৰিয়তে স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।

## মহানগৰীৰ এপাৰ্টমেণ্টত আৱাসীক হাৰাশাস্তি মদমত্ত যুৱতীৰ

**ই-সংবাদ, গুৱাহাটী, ২৭ মাৰ্চঃ** গুৱাহাটী মহানগৰীত যুৱতীৰ সুৰাপান কৰি তাণ্ডৱ চলোৱাৰ অভিযোগ উত্থাপন হৈছে। এইবাৰ মহানগৰীৰ ছয়মাইলস্থিত ত্ৰিবেনী পথৰ ছানৰাইজ এপাৰ্টমেণ্টত যুৱতীয়ে মদ্যপান কৰা প্ৰতিৱেশীক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন হৈছে। এই অভিযোগ উত্থাপন কৰিছে এপাৰ্টমেণ্টৰ আৱাসীসকলে। চন্দন নগৰৰ ত্ৰিবেনী পথত থকা ছানৰাইজ এপাৰ্টমেণ্টৰ একাংশ আৱাসীয়ে অভিযোগ কৰা মতে, যুৱতীগৰাকীয়ে প্ৰায়ে চিঞৰ-বাখৰ কৰি গালি-গালাজ কৰ আহিছে। যাৰ ফলত অতিষ্ঠ আৱাসীসকল। আৱাসীসকলৰ অভিযোগ মতে, যুৱতীগৰাকীয়ে দৈনিক সুৰা-ড্ৰাগছ সেৱন কৰে। নিচাসক্ত অৱস্থাত আৱাসীক আক্ৰমণ কৰে। এই ঘটনা দীৰ্ঘদিন ধৰি সংঘটিত হৈ আহিছে। যুৱতীগৰাকীয়ে এপাৰ্টমেণ্টৰ নিৰাপত্তাৰক্ষীকো প্ৰহাৰ কৰিছে। যুৱতীগৰাকীৰ বিৰুদ্ধে দিছপুৰ থানাত এজাহাৰ দাখিল কৰিছিল যদিও আৰক্ষীয়ে গুৰুত্ব নিদিলে। কালি নিশা পুনৰ যুৱতীগৰাকীয়ে হৈ-হাল্লা কৰি বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰাত যদিও দিছপুৰ আৰক্ষী আহি ঘটনাস্থলীত উপস্থিত হয় যদিও এইবাৰো কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। যুৱতীগৰাকীয়ে আৰক্ষী উপস্থিত হোৱাত আৱাসীৰ লগতে আৰক্ষীৰ লগতো তৰ্কত লিপ্ত হৈছিল বুলি অভিযোগ কৰিছে আৱাসীয়ে।

## দলগাঁৱত মন্ত্ৰী সিংহলৰ পুত্তলিকা দাহ

**ই-সংবাদ, দলগাঁও, ২৭ মাৰ্চঃ** বিতৰ্কিত মন্তব্যৰে সদায় বাতৰিৰ শিৰোনাম দখল কৰা হিমন্ত মন্ত্ৰী সভাৰ কেবিনেট মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ। কিছুদিন পূৰ্বে ঢেকিয়াজুলীত মিঞা সম্প্ৰদায়ৰ বিৰুদ্ধে তীৰ্যক মন্তব্য কৰি ৰাইজৰ ৰোষত পৰা মন্ত্ৰীগৰাকীয়ে পুনৰ মিঞা জনগোষ্ঠীৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰি মুছলমান সম্প্ৰদায়ৰ ৰোষত পৰা পৰিলক্ষিত হৈছে। অলপতে, গোৱালপাৰাত মুছলমানসকলৰ দাড়ি, টুপীক লৈ তাচ্ছিল্য কৰা বহুবক্কী মন্ত্ৰীজনে এইবাৰ পুনৰ বিতৰ্কিত মন্তব্য কৰিছে। গোৱালপাৰা জিলাত আগতে ৰাভা, হাজং, কোচ ৰাজবংশী আদি দেখা গৈছিল যদিও এতিয়া সকলোতে দাড়ি-টুপী দেখা যায় বুলি মন্তব্য কৰাত মন্ত্ৰীজনৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে মুছলমান দল-সংগঠন। আজি দলগাঁৱত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদে মন্ত্ৰীজনৰ পুত্তলিকা দাহ কৰি সকীয়াই দি মন্ত্ৰীজনক সংযম হ'বলৈ আহ্বান জনায়। অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি মহম্মদ আলী খলিফাই কয়-- বাৰে বাৰে মন্ত্ৰীজনে মুছলমানসকলক টাৰ্গেট কৰিছে। আমি এনে কাৰ্য সহ্য নকৰো। হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰীজনক নাকী লগোৱাৰ ব্যৱস্থা কৰক, নহ'লে পৰিণতি বিষম হ'ব। ২০২৬ ৰ বিধান সভা নিৰ্বাচনৰ বৈতৰণী সাম্প্ৰদায়িকতাৰে পাৰ কৰিব খুজা বুলিও নেতাজনে অভিযোগ কৰে। তেওঁ আৰু কয়-- অসমৰ থলুৱা বিধায়কসকলক আওকাণ কৰি বহিৰাগত সিংহলক মাত্ৰ হিন্দী বলয়ক সন্তুষ্ট কৰিবলৈ মূৰত উঠাইছে। আগন্তক দিনত মন্ত্ৰীজন সংযম নহ'লে আদালতৰ দ্বাৰস্থ হব বুলিও সকীয়াই দি অচিৰেই সিংহলক মন্ত্ৰী পদৰ পৰা অপসাৰণ কৰিবলৈ দাবী জনায়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মাকুম পৌৰসভাৰ পৌৰপতি বিপাশা বৰাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ, ভংগৰ দিশে পৌৰসভা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৭ মাৰ্চঃ** বিজেপিৰ দখলত থকা তথা দহটা ৱাৰ্ডেৰে গঠিত মাকুম পৌৰসভাৰ আজি পতন হয়। বহুদিনৰ পৰা মাকুম পৌৰসভাৰ পৌৰপতি বিপাশা বৰাৰ বিপক্ষে একাংশ দলীয় সতীৰ্থ আৰু ৮ গৰাকী পৌৰ সদস্যই অনাস্থা প্ৰকাশ কৰি আহিছিল। ইতিপূৰ্বে ৭ গৰাকী পৌৰসদস্যই তিনিচুকীয়া জিলা আয়ুক্তক উক্ত অনাস্থা প্ৰস্তাৱৰ সন্দৰ্ভত অৱগত কৰিছিল। পৌৰপতিগৰাকীকো বহু ওজৰ-আপত্তি অৱগত কৰিছিল বুলিও আজি বহুগৰাকী ৱাৰ্ড সদস্যই জানিবলৈ দিয়ে। আজি মাকুম পৌৰসভাত ৱাৰ্ড সদস্য বীৰেণ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত পৌৰপতি বিপাশা বৰাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰা হয়। মাকুম পৌৰসভাৰ কাৰ্যবাহী বিষয়া ৰক্তিম গগৈৰ উপস্থিতিত পৌৰ সদস্যসকলৰ মাজত অনাস্থা প্ৰস্তাৱক লৈ ভোটদান অনুষ্ঠিত হ'য়। ভোটদানত ১০ টা ৱাৰ্ডৰ ৮ জন সদস্যই পৌৰপতি বিপাশা বৰাৰ বিৰুদ্ধে অনাস্থা ভোট প্ৰদান কৰে। এতিয়া পৌৰপতিৰ আসনখনৰ বাবে অৰ্চনা শইকীয়া আৰু উপ-পৌৰপতিৰ বাবে অমৰজ্যোতি কাকতিৰ নাম চৰ্চালৈ আহিছে। উল্লেখ্য যে পৌৰপতিবিহীন হৈ পৰা মাকুম পৌৰসভা চৰম বিত্তীয় সংকটৰ সন্মুখীন হ'ব। বিত্তীয় বৰ্ষৰ অন্ততঃ পৌৰসভাৰ লেনদেনৰ সকলো কাম স্তব্ধ হৈ পৰিছে। নতুন পৌৰপতি নিযুক্তি নোহোৱালৈকে বিত্তীয় লেনদেন স্তব্ধ হৈ থাকিব। বিশেষ সূত্ৰৰ জৰিয়তে জানিব পৰা মতে, এইবাৰ মাকুম পৌৰসভাৰ ভাগ্য নিৰূপণ হ'ব ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলীন চেতিয়াৰ ওপৰত। আজিৰ মাকুম পৌৰসভাৰ পৌৰপতিৰ পতন মাকুমৰ বাবে এক ইতিহাস হৈ ৰ'ব।

## পণ্ডিতঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত চাইকেল বিতৰণ

**ই-সংবাদ, হাওৰাঘাট, ২৭ মাৰ্চঃ** কাৰ্বি পাহাৰৰ হাওৰাঘাট ব্লকৰ, যমুনা ভেলী ক্লাষ্টাৰৰ পণ্ডিতঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত আজি আনুষ্ঠানিকভাৱে উৎসৱ বিদ্যাৰম্ভৰ লগত সংগতি ৰাখি নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়াকৈ অসম চৰকাৰৰ বিশেষ অভিলাসী আঁচনিৰ চাইকেল বিতৰণ কৰা দেখা যায়। উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে এছ এম ডি চিৰ সভাপতি সঞ্জয় তিমুঙে। মুখ্য অতিথি হিচাপে উপস্হিত থাকে নমাটি ভি ডি চিৰ অধ্যক্ষ বৃটেন মহেলা, অৱসৰপ্ৰাপ্ত শিক্ষক কিৰিতি বৰা, চৰকাৰী গাঁওপ্ৰধান ক্ৰমে- ঘনকান্ত কোছ, ধ্ৰুৱ পানিকা, কনক তিমুং, পণ্ডিতঘাট উঃ মাঃ বিদ্যালয় প্ৰাক্তন সভাপতি ৰুলেন ইংতি, নমাটি ভি ডি চিৰ সদস্য সঞ্জয় শৰ্মাকে প্ৰমুখ্য কৰি বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু বিষয় শিক্ষকৰ লগতে এছ এম ডি চিৰ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকল। মুঠ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰদান কৰা হয় মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনি ২০২৪ বৰ্ষৰ বিনামূলীয়া চাইকেল।



সভাৰ শেষত নমাটি ভি ডি চিৰ অধ্যক্ষ বৃটেন মহেলাই প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে শিক্ষাৰ প্ৰতি অধিক আগ্ৰহী হৈ শিক্ষা জীৱনত আগুৱাই যাবলৈ আশীৰ্বাদ প্ৰদান কৰে।

## পলাশবাৰীৰ কৃষ্ণ বোৰ্ড এণ্ড কণ্টেইনাৰ উদ্যোগত শ্ৰমিকৰ প্ৰতিবাদ



**ই-সংবাদ, মিৰ্জা, ২৭ মাৰ্চঃ** পলাশবাৰীত স্থাপিত বিভিন্ন উদ্যোগত দীৰ্ঘদিন ধৰি শ্ৰমিকৰ ওপৰত চলি আহিছে মালিক পক্ষৰ চৰম অনিয়ম আৰু শোষণ-বঞ্চনা। এই শোষণ বঞ্চনা চলি থকাৰ সময়তে কালি পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰৰ কৃষ্ণ বোৰ্ড এণ্ড কণ্টেইনাৰ নামৰ উদ্যোগত বিভিন্ন শ্ৰমিকে মালিকপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। শেহতীয়াভাৱে এই উদ্যোগৰ শ্ৰমিকক এগৰাকী ঠিকাদাৰে শাৰিৰীকভাৱে আক্ৰমণ কৰে। ফলত নিৰাপত্তাহীনতাত ভুগিছে শ্ৰমিকসকলে। নাই শ্ৰমিকৰ নিৰাপত্তা, নাই নিশাৰ ভাগত সা-সুবিধা। প্ৰাপ্য মজুৰিৰপৰা বঞ্চিত হৈ এই শ্ৰমিকসকলে আজি প্ৰতিবাদ কৰে। ফলত উত্তাল হৈ পৰে উদ্যোগটো। প্ৰতিবাদকাৰীসকলে শ্ৰমিকক নিৰাপত্তা প্ৰদান কৰক, শ্ৰমিক আইন উলংঘন কৰি শ্ৰমিকক শোষণ কৰা নচলিব, সন্তোস দাস নামৰ ঠিকাদাৰৰ অত্যাচাৰ-দাদাগিৰি নচলিব আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। তেওঁলোকে কয়-- অতি কম মজুৰিত এই উদ্যোগত কাম কৰি আহিছে শ্ৰমিকে। একপ্ৰকাৰ সপ্তাহৰ প্ৰতিটো দিনেই কাম কৰিব লাগে শ্ৰমিকে। মালিকপক্ষই শ্ৰমিকৰ কোনো অভাৱ-অভিযোগ শুনিবলৈ সময় নাই। এই উদ্যোগত নাই সা-সুবিধা। নাই এম্বুলেন্স, নাই প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা। নিশাৰ ভাগত শ্ৰমিকে অহা-যোৱা কৰাৰ কোনো ব্যৱস্থা নাই। একপ্ৰকাৰ হিটলাৰী শাসন চলিছে এই উদ্যোগত। ইয়াৰ বাবেই মাত মাতি অহাত শ্ৰমিকক আক্ৰমণো কৰিছে ঠিকাদাৰে। কিন্তু মালিকপক্ষৰ কোনো কাণসাৰ নাই বুলি শ্ৰমিকসকলে অভিযোগ উত্থাপন কৰে। যাৰবাবে শোষিত-বঞ্চিত শ্ৰমিকসকলে আজি মালিকপক্ষৰ বিৰুদ্ধে প্ৰতিবাদত নামি পৰে। শেষত ঘটনাস্থলীত বিজয়নগৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। কিন্তু মালিকপক্ষৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই। এইক্ষেত্ৰত বিধায়ক হেমাংগ ঠাকুৰীয়াৰো হস্তক্ষেপ দাবী কৰিছে শোষিত বঞ্চিত শ্ৰমিকসকলে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)

# নগাঁৱত আন্তঃজিলা জিমনাষ্টিকছ প্ৰতিযোগিতা

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৭ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত কাইলৈৰ পৰা ৩০ মাৰ্চলৈকে ৩৩ সংখ্যক সদৌ অসম আন্তঃজিলা জিমনাষ্টিকছ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসম জিমনাষ্টিকছ সন্থাৰ সাধাৰণ সম্পাদক উজ্জ্বল বৰুৱাই জানিবলৈ দিয়ামতে, অসম জিমনাষ্টিকছ সন্থাই নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আয়োজন কৰা এই প্ৰতিযোগিতাৰ ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। পুৰুষ-মহিলা উভয়ৰে আৰ্টিছটিক আৰু ৰিডমিক দুয়োটা বিভাগতে কেডেট, মিনি, ছাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাৰ খেল হ'বলগীয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে এই পৰ্যন্ত কামৰূপ মহানগৰ আৰু শিৱসাগৰ জিলাৰ লগতে আন কেইবাখনো জিলাৰ পৰা খেলুৱৈসকল আহি নগাঁৱত উপস্থিত হৈছেহে। অভিজ্ঞতাসম্পন্ন নগাঁৱৰ হুচনে কামাল মাহমুদৰ ৰহমান কাৰিকৰী সঞ্চালকৰূপে থকা প্ৰতিযোগিতাত সৰ্বভাৰতীয় জিমনাষ্টিকছ ফেডাৰেচনৰ পৰা দুগৰাকী বিষয়ববীয়া পৰ্যবেক্ষকৰূপে উপস্থিত থাকিব বুলি অসম জিমনাষ্টিকছ সন্থাৰ সাধাৰণ সম্পাদকে লগতে জানিবলৈ দিয়ে।

# অনুশীলনলৈ উভতি আহিছে নীৰজ চোপ্ৰা

**নতুন দিল্লী, ২৭ মাৰ্চঃ** পুনৰ অনুশীলনলৈ উভতি আহিছে টকিঅ' অলিম্পিকৰ স্বৰ্ণ পদক বিজয়ী নীৰজ চোপ্ৰা। জানুৱাৰী মাহত হিমানী ম'ৰৰ সৈতে জীৱনৰ এক নতুন অধ্যায় আৰম্ভ কৰি কিছুদিনৰ বাবে বিৰতি লৈছিল। এইবাৰ তেওঁ দক্ষিণ আফ্ৰিকাৰ পটচেফষ্ট্ৰুমৰ নৰ্থ-ৱেষ্ট ইউনিভাৰ্চিটি কেম্পাছত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনৰ বাবে নিজকে প্ৰস্তুত কৰিছে। শেহতীয়াকৈ তেওঁ এটা ভিডিঅ' শ্বেয়াৰ কৰে, য'ত তেওঁক লাইট ৰান আপৰ সৈতে জেভেলিন নিক্ষেপ কৰা দেখা গৈছে। নীৰজে এতিয়া বিশ্ব অভিলেখধাৰী তথা অলিম্পিক চেম্পিয়ন কিংবদন্তি জান জেলেজনীক নতুন প্ৰশিক্ষক হিচাপে নিযুক্তি দিছে। ৯৮.৪৮ মিটাৰ জেভেলিন থ্ৰ'ৰে বিশ্ব অভিলেখ গঢ়ি তোলা এইগৰাকী প্ৰশিক্ষকে বিগত সময়ত একাধিক অলিম্পিক পদক বিজয়ীক প্ৰশিক্ষণ দি আহিছে।




আইপিএলৰ অনুশীলনৰ মাজতে ক্ৰীড়াংগণত এখন্তেক জিৰণি আৰচিবিৰ বিৰাট কোহলিৰ

## বুমৰাহ 'আনফিট'! বিকল্প নাই ক্ৰিকেট নিয়ন্ত্ৰক ব'ৰ্ডৰ হাতত

# ইংলেণ্ড টেষ্ট ছিৰিজত ৰোহিতেই পুনৰ নেতৃত্ব দিব ভাৰতক

**নতুন দিল্লী, ২৭ মাৰ্চঃ** চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে মেচ বিজয়ী ৭৬ ৰানৰ ইনিংছ ৰোহিত শৰ্মাৰ কেৰিয়াৰত যেন এক নতুন আশাৰ সঞ্চাৰ কৰিছিল। আইচিচিৰ ট্ৰফী জয়ৰ বিশাল প্ৰভাৱ ইমানেই সুদূৰপ্ৰসাৰী যে টেষ্ট ক্ৰিকেটত ধাৰাবাহিকভাৱে ব্যৰ্থ হোৱাৰ পিছতো ভাৰতীয় ব'ৰ্ডে তেওঁক পুনৰ নেতৃত্বৰ বাঘজৰী গতাই দিবলৈ ওলাইছে। অৱশ্যে এক সূত্ৰৰ মতে, নিজৰ ধাৰাবাহিক বেয়া ফৰ্মৰ বাবে আগন্তুক ইংলেণ্ড ছিৰিজৰ পৰা নিজেই আঁতৰি আহিব পাৰে ৰোহিত। সংবাদ সংস্থা পিটিআইৰ দাবী অনুসৰি মুখ্য নিৰ্বাচক অজিত আগৰকাৰ আৰু বিচিচিআইৰ বিষয়াসকলে ইতিমধ্যে সিদ্ধান্ত লৈছে যে জুন মাহত ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত হ'বলগীয়া গুৰুত্বপূৰ্ণ টেষ্ট শৃংখলাত ৰোহিতে ভাৰতীয় দলটোক নেতৃত্ব দিব। অৱশ্যে ব'ৰ্ডে বৰ্তমান দল নিৰ্বাচনৰ ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত ল'ব বিচৰা নাই। ধাৰণা কৰা হৈছে যে আইপিএলৰ শেষ সপ্তাহত সম্ভাব্য দলটোৰ বিষয়ে এটা ডাঙৰ ইংগিত আহিব পাৰে। অৱশ্যে ৰোহিতৰ শেহতীয়া ফৰ্ম যে হতাশাজনক হৈ পৰিছে সেয়া অস্বীকাৰ কৰিব নোৱাৰি। যোৱা ১০খন টেষ্টত তেওঁ মাত্ৰ ১৬৪ ৰানহে কৰিছে। আনকি তেওঁ এইবাৰ বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ পৰাও আঁতৰি থকাৰ সিদ্ধান্ত লৈছিল। ফলত তেওঁক দায়িত্ব ৰখাৰ ক্ষেত্ৰত ব'ৰ্ডৰ ভিতৰৰ মহলৰ ভিতৰত মতানৈক্যৰ সৃষ্টি হৈছে। অৱশ্যে সকলো মতানৈক্য অতিক্ৰম কৰাৰ পাছত অৱশেষত বিচিচিআইয়ে ৰোহিতক অধিনায়ক হিচাপে পুনৰ দায়িত্ব দিব বিচাৰিছে। ইয়াৰ এটা কাৰণ হ'ল ব'ৰ্ডৰ হাতত বিকল্পৰ অভাৱ। যশপ্ৰীত বুমৰাৰ ফিটনেছৰ সমস্যা এতিয়াও আছে, গতিকে ব'ৰ্ডে তেওঁক অধিনায়কত্ব দি তেওঁৰ ওপৰত অতিৰিক্ত হেঁচা প্ৰয়োগ কৰিব বিচৰা নাই। আনহাতে, চেম্পিয়নছ ট্ৰফীৰ সফলতাই আকৌ এবাৰ প্ৰমাণ কৰিলে যে ভাৰতীয় ড্ৰেছিং ৰুমত ৰোহিত আটাইতকৈ প্ৰভাৱশালী নেতা। এই পৰিস্থিতিত তেওঁক টেষ্টৰ অধিনায়কৰ পৰা আঁতৰাই দিয়াটোৱে ভুল বাৰ্তা প্ৰেৰণ কৰিব পাৰে বুলি নিৰ্বাচকসকলে অনুভৱ কৰিছে। অৱশ্যে এতিয়া চূড়ান্ত সিদ্ধান্ত ৰোহিতৰ ওপৰত।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি